# ASSAM LEGISLATIVE ASSEMBLY DEBATES

DP907

# OFFICIAL REPORT

## ELEVENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE ELEVENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

NO. 4

The 4th March, 2005

Price : 34.00

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Friday, the 4th March, 2005

The House met at 8.30 A.M. of the Clock in the Assembly Chamber at Dispur with Shri Prithibi Majhi, Speaker in the Chair.

## STARRED QUESTIONS AND ANSWERS

**( To which oral replies were given)**

**Mr. Speaker :** Now, Starred Question No. 40, Hon'ble Member, Shri Ali Akbar Miah.

**বিষয় : Co-ordination কমিটিৰ মিটিং।**

শ্ৰীআলী আকবৰ মিঞাই সুধিছে :

★ ৪০। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ২০০২-২০০৩ ৰ পৰা ২০০৪-২০০৫ বৰ্ষলৈ অংগণবাদী প্ৰসংগৰ Co-ordination কমিটিৰ মিটিং কোন কোন জিলাত কোন কোন দিনত অনুষ্ঠিত হৈছে?

(খ) যিবিলাক জিলাত তিনি মাহৰ মূৰে মূৰে মিটিং পতা নাই সেই জিলাৰ সংশ্লিষ্ট বিষয়া সকলৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰা হ'ল?

(গ) ৮-৮-০৩ ৰ পৰা চিহ্নিত প্ৰশ্ন নং ৯৪ৰ প্ৰশ্নোত্তৰৰ ওপৰত সংশ্লিষ্ট বিধায়কে ১০-৮-০৩ তাৰিখে দিয়া চিঠিৰ ওপৰত চৰকাৰে কি কি ব্যৱস্থা গ্ৰহণ কৰিলে? (ব্যৱস্থা গ্ৰহণীয় পত্ৰাদিৰ কপি দিব।)

(ঘ) সমাজ কল্যাণ বিভাগত বৰ্তমান "ছুপাৰ ভাইজাৰ" সমন্বিতে কোন কোন পদৰ বিপৰীতে কিমানটাকৈ খালী পদত নিযুক্তি দিবলগীয়া হৈ আছে? (পদৰ বিপৰীতে হিচাপ দেখুৱাব)

শ্ৰীগৌতম ৰয় (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) তালিকা নিচান 'ক' ত দিয়া হৈছে। (See Annexure - I)

(খ) সময়ে সময়ে জিলা বিষয়া সকলক সভা পতাৰ বাবে নিৰ্দেশনা দি থকা হৈছে। তথ্য অহাটো অব্যাহত আছে।

(গ) সমাজ কল্যাণ বিভাগৰ পঞ্জীয়ন বহী মতে তেনে চিঠি পোৱা দেখা নাযায়। সেয়ে ব্যৱস্থা গ্ৰহণৰ প্ৰশ্ন নুঠে।

(ঘ) ছুপাৰ ভাইজাৰ পদ — ৩৪৯ টা।

নিম্নবৰ্গ সহায়কৰ পদ - ৮৯ টা।

চতুৰ্থ শ্ৰেণীৰ পদ - ৮৯ টা।

**শ্ৰীআলী আকবৰ মিঞা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ আগতেও ১ নং প্ৰশ্নৰ উত্তৰ মন্ত্ৰী মহোদয়ৰ পৰা মই দুবাৰ বিচাৰিছো। কো-অৰ্ডিনেচন কমিটিৰ মিটিং প্ৰতি তিনি মাহৰ মূৰে মূৰে পাতিব লাগে। কাৰ্বি আংলং, তিনিচুকীয়া, গোলাঘাট, ধুবুৰী আদি জিলাত মিটিং পতা নাই। যদি মিটিং নাপাতে কাম বিলাক কেনেকৈ হ'ব। মন্ত্ৰীয়ে উত্তৰ দিছে যে মিটিং পাতিবলৈ কোৱা হৈছে। ২০০২ চনতে কমিটি গঠন হৈছে এতিয়ালৈ মিটিং পতা হোৱা নাই। মিটিং নহ'লে আচনিৰ কাম ফলৱতী হ'ব কেনেকৈ?

☆ **শ্ৰীগৌতম ৰয় (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যোৱা বছৰো চিঠিৰ কথা কৈছিল। মই বুজাই দিছো। চিঠি দিয়া হৈছিল, কিন্তু চিঠিত কি ৰহস্য আছিল বুজা নাই, ক্লিয়াৰ কাট হোৱা নাই। আমি ৰাইজৰ স্বাৰ্থতে আমি সকলো সমষ্টিতে কাম কৰি আছো। সমাজ কল্যাণ বিভাগৰ বস্তু সকলোৱে পাইছে। কো-অৰ্ডিনেচনৰ মিটিং কৰাৰ কাৰণে আমি কৈছো। মিটিং যদি হোৱা নাই আকৌ কম। মোৰ নিজৰ জিলা হাইলাকান্দিতে মিটিং হোৱা নাই। তাত মিটিংৰ প্ৰয়োজনো নাই। কাৰণ তাত কাম হৈ আছে থিকমতে। কোনো অভিযোগ নাই। মিটিংৰ কাৰণে ডি. চি আৰু সচিবক কোৱা হৈছে। যদি কিবা চিৰিয়াচ কথা থাকে তেতিয়া হ'লে কওঁক আমি ব্যৱস্থা লম।

**শ্ৰীআলী আকবৰ মিঞা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মিটিং যদি নকৰে তেতিয়াহ'লে এই বিলাক কথা পৰ্য্যালোচনা কৰিব নোৱাৰো ক'ত কি হৈ আছে, বি. ডি. অ'. কাৰ্য্যালয়তেই পোৱা CDPO ৰ কাৰ্য্যালয় কিন্তু তাত CDPO ক নাপায়। মন্ত্ৰী মহোদয় হাইলাকান্দিত মিটিংৰ প্ৰয়োজন নাই কাৰণ আপুনি মন্ত্ৰী তাত আছে— কিন্তু আমাৰ তাত মিটিংৰ প্ৰয়োজন আছে। জিলা বিলাকত মিটিং পতাতো নিশ্চিত কৰক।

☆ **শ্ৰীগৌতম ৰয় (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মিটিং পতাৰ কাৰণে আমি ডি. চি আৰু বিষয়া সকলক কৈছো আচলতে কামহে হ'ব লাগে। য'ত মিটিং হোৱা নাই হ'ব।

---

☆ Speech not corrected

★ শ্ৰীআলী আকবৰ মিঞা ঃ মাননীয় অধ্যক্ষ মহোদয়, যিখন চিঠিৰ কথা কৈছো মই বিধান সভাত দিছো আপোনাৰ পি, এ চহী কৰি ৰাখিছে। এতিয়া চিঠি পোৱা নাই বুলি কৈছে?

মাননীয় অধ্যক্ষ ঃ আপুনি পৰিপূৰক প্ৰশ্নটো কওক, প্ৰশ্ন স্পেচিফিক হ'ব লাগে।

★ শ্ৰীগৌতম ৰয় (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, চিঠি দিব পাৰে কিন্তু পোৱা নাই। কেতিয়াবা কিছুমান চিঠি ডিচপ্লেচ হয়। মিটিং পতা হ'ব।

(Starred Question No. 41 could not be taken up for disposal as the questioner was not present in the House when called for. However, the said question deemed to have been laid on the table of the House with replies thereto.)

Sub : Condition of Veterinary centre.

★ ৪১। Will the Minister of Veterinary & A.H. be pleased to state :

(a) Whether the Government is aware of the fact that the condition of Veterinary Centre at Silbari is very deplorable?

(b) Whether the Government will take urgent steps to improve the condition of the Centre and take it usuable one?

**Shri Gobinda Chandra Langthasa, (Minister of A.H. & Veterinary) replied :**

(a) Yes.

(b) Due to paucity of fund the improvement works could not be take up. But efforts are made to arrange fund either from Flood Damege Repairing of Revenue Department or from Programme of World Bank for such repeirings.

শ্ৰীপানীৰাম ৰাভাই সুধিছে :

★ ৪২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) Road Board আঁচনিৰ অধীনত ২০০১-২০০২, ২০০২-২০০৩, ২০০৩-২০০৪ আৰু ২০০৪-২০০৫ বিত্তীয় বৰ্ষ সমূহত নলবাৰী জিলাৰ N. K. Division লৈ

---

* Speech not corrected

বিত্তীয় বৰ্ষ অনুযায়ী কিমান ধন মুকলি কৰি দিয়া হৈছে?

(খ) উক্ত ধনৰ বিপৰীতে বিত্তীয় বৰ্ষ অনুযায়ী কি কি আঁচনি লোৱা হৈছিল আৰু কিমান টকাকৈ নিৰ্দ্ধাৰণ কৰিছিল?

(গ) উক্ত আঁচনিসমূহ টকা অনুযায়ী ৰূপায়ণ কৰা হ'ল নে? (বতং তথ্য জনাব)

**শ্ৰী মতী অজন্তা নেওগ (গড় কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) Road Board পথ মেৰামতি শিতানত ২০০৪-২০০৫ বিত্তীয় বৰ্ষত N.K.Division লৈ ১২৪.৬৫ লাখ টকা ধাৰ্য্য কৰা হৈছে।

(খ) বিত্তীয় বৰ্ষ ২০০৪-০৫ চনৰ পৰা আৰম্ভ হৈছে আৰু আঁচনিৰ তালিকা সংলগ্ন কৰি দিয়া হৈছে। (See Annexure -II)

(গ) আঁচনি সমূহৰ ৰূপায়ণৰ বাবে নিবিদা গ্ৰহণত প্ৰয়োজনীয় ব্যৱস্থা কৰা হৈছে।

**শ্ৰী পানীৰাম ৰাভা ঃ** - মাননীয় অধ্যক্ষ মহোদয়, গড়কাপ্তানী বিভাগৰ ৰোড বোৰ্ড আছে। এই ৰোড বৰ্ড আঁচনিৰ পৰা প্ৰত্যেক জিলালৈকে টকা অনুমোদন দিয়া হয়। তাত যিবিলাক ৰাস্তা, দলং থাকে তাক মেৰামতিৰ কাৰণে আঁচনি লোৱা হয়। মাননীয়া মন্ত্ৰী মহোদয়াই উত্তৰ দিছে যে নলবাৰী জিলাৰ এন, কে, ডিভিজনত ১২৪.৬৫ লাখ টকা অনুমোদন দিয়া হৈছে আৰু আঁচনি লোৱা হৈছে। তাৎপৰ্য্যপূৰ্ণ কথা যে মোৰ সমষ্টিটো বান-পীড়িত এলেকা। যোৱা বানপানীত কেবাটাও ৰাস্তা, দলং ভাঙিছে। মেৰামতি কৰা হোৱা নাই। গতিকে ৰোড বোৰ্ড আঁচনিৰ অধীনত মেৰামতি কৰিব লাগে। টিহু-হাৰি ভাঙ্গা-আখুৰা-কৈঠালকুছি আগতে মন্ত্ৰী মহোদয়ে লোৱা বুলি কৈছিল। কিন্তু এতিয়ালৈ কৰা হোৱা নাই। উক্ত টকাৰ পৰা বৰমা-ধমধমা-তামুলপুৰ ৰাস্তাটো আছে, এইটো মোৰ সমষ্টিত নপৰে। মোৰ সমষ্টিত এখনো দলং বা এটা ৰাস্তাও হ'ব নালাগে নেকি ? গতিকে মোৰ সমষ্টিত ৰোড বোৰ্ড আঁচনিৰ পৰা টকা আবণ্টন দি ৰাস্তা বনোৱাৰ ব্যৱস্থা কৰিব নেকি?

**★ শ্ৰীমতী অজন্তা নেওঁগ (মন্ত্ৰী) ঃ**- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য পানীৰাম ৰাভাৰ প্ৰশ্নটোৰ উত্তৰ দিয়াৰ আগতে ৰোড বোৰ্ডৰ কথা কবলৈ বিচাৰিছো। যোৱা ২৪/৯/২০০৩ চনত মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ সভাপতিত্বত এই বোৰ্ড গঠন কৰা হৈছিল। ইয়াৰ দায়িত্ব হ'ল পুঁজি গঠন কৰা আৰু ফাণ্ড মেনটেইন কৰা। ওৱৰ্ল্ড বেংকৰ জৰিয়তে ৰাস্তা নিৰ্মাণ কৰে। আৰু সকলো বিলাক ৰিপেয়াৰ কৰিব লাগে। ইয়াৰ বাবে আবণ্টিত পুঁজি দিয়া হয়। যদি ৰাস্তা নষ্ট হয় আৰু সেই বছৰতে যদি

---

✱ Speech not corrected

পৰিকল্পনা বিভাগৰ পৰা পুঁজি পোৱা নহয়, তেতিয়া হ'লে ৰাস্তাৰ কাম কৰিব পৰা নহয়। ইতিমধ্যে ২০ কোটি ৰোড বোৰ্ড জমা দিছিল। তাৰ পৰা বিভিন্ন বিভাগক পুঁজি আবণ্টন দিছে। ইয়াৰ দায়িত্ব দিয়া হৈছিল বিভাগৰ এক্‌জিকিউটিভ ইঞ্জিনিয়াৰ সকলক। ৩১ ডিচেম্বৰত চিঠি দিয়া হৈছিল আৰু তাত লিখা আছিল ৰোড বোৰ্ডৰ অধীনত টেনদাৰ কৰা হ'ব, সেই মতে কাম কৰা হ'ব। ফুটপাথ, ড্ৰেইনৰ মেৰামতিৰ কামৰ বাবে আবণ্টন কৰা হৈছে। আমি ওৱালৰ্ড বেংকৰ আঁচনিৰ কাম কৰিবলৈ নিৰ্দেশ দিছো। জিলাখনত যিখিনি আঁচনিৰ প্ৰয়োজন সেইখিনি কৰিছিল। মাননীয় সদস্যই তেখেতৰ সমষ্টিত ৰোড বোৰ্ডৰ পুঁজিৰ পৰা কাম কৰিবলৈ কৈছে, যদি সম্ভৱ হয় তাৰ বাবে আমি চেষ্টা কৰিম।

**শ্ৰীপানীৰাম ৰাভা ঃ-** মাননীয় অধ্যক্ষ মহোদয়, ৰোড বোৰ্ড আঁচনিত মোৰ সমষ্টি বঞ্চিত হৈছে। মোৰ প্ৰশ্নৰ উত্তৰৰ (ক) ত আছে এন, কে, ডিভিজনলৈ ১২৪.৬৫ লাখ টকা। অনুচ্ছেদ (ক) মুঠ ৮০.৫২ লাখ আৰু ২৯.১৩ লাখ। দুয়োটা যোগ কৰিলে ১ কোটি ৯ লাখ ৬৩ হেজাৰ টকা। দেখা যায় যে ১৫ লাখ টকা আঁচনিত দিয়া নাই। এই টকা বৈ আছে। গতিকে উক্ত টকাখিনি বৰমাত দিব লাগে। যদি এই টকা বৰমাত দিয়া নহয় তেতিয়া হ'লে মই সদন ত্যাগ কৰিম। অধ্যক্ষ মহোদয়, টকাখিনি দিবলৈ আপুনি নিৰ্দেশ দিব লাগে।

★ **শ্ৰীমতী প্ৰমিলাৰাণী ব্ৰহ্ম ঃ-** মাননীয় অধ্যক্ষ মহোদয়, কোন সমষ্টিত বেছি ৰাস্তা ধৰা হৈছে সেইটো কব লাগে। মাননীয় সদস্য পানীৰাম ৰাভা ডাঙৰীয়াই যি ক্ষোভ প্ৰকাশ কৰিছে সেইটো সঁচা কথা। টিহু চ'কৰ পৰা বাগানপাৰা ৰাস্তাটো একেবাৰে বেয়া। তাত আপুনি যাব নোৱাৰে। উত্তৰ পাৰত থকা এলেকা সমূহ উন্নয়ন কৰিবৰ কাৰণে বিশেষ ব্যৱস্থা লব নেকি?

★ **শ্ৰীমতী অজন্তা নেওঁগ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য পানীৰাম ৰাভা ডাঙৰীয়াই যিটো কৈছে আমি নিশ্চয় ব্যৱস্থা কৰিম। গোটেই জিলাতে সমভাৱে কৰাৰ ব্যৱস্থা কৰিম।

★ **শ্ৰীপানীৰাম ৰাভা ঃ** অধ্যক্ষ মহোদয়, ১৫ লাখ টকা বৈ আছে, সেই টকা ক'ত যাব। এই কথাটো কব লাগে।

★ **শ্ৰীমতী অজন্তা নেওঁগ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যি ১৫ লাখ টকা আছে, সেইখিনি দিবলৈ চেষ্টা কৰিম।

---

✱ Speech not corrected

★ ড: ইদ্রিছ আলি ঃ মাননীয় অধ্যক্ষ মহোদয়, টাউন কমিটি যি বিলাক আছে, মিউনিচিপালিটি আছে তাত টকা দিয়া হৈছে। যিবিলাক তাত নপৰে সেইবিলাকক টকা দিয়াৰ ব্যৱস্থা কৰিব নেকি?

★ শ্ৰীমতী অজন্তা নেওঁগ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যৰ কথাটো বিবেচনা কৰা হ'ব।

**Mr. Speaker :** Now, Starred Question No. 43, Hon'ble Member, Shri Utpal Dutta.

## বিষয় : ৰাস্তাঘাট নিৰ্মাণ।

**শ্ৰীউৎপল দত্তই সুধিছে :**

**★ ৪৩। মাননীয় গড় কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

**(ক) গড় কাপ্তানী বিভাগে ৰাজ্যিক পৰিকল্পনা শিতানৰ জৰিয়তে ৰাস্তাঘাট নিৰ্মাণ কৰি থকা কথাটো সঁচানে?**

(খ) ২০০২-২০০৩ আৰু ২০০৩-২০০৪ এই দুটা বছৰত ৰাজ্যিক পৰিকল্পনাৰ জৰিয়তে কোন কোন সংমগুলত কিমান কিমান ধন কি কি ৰাস্তা নিৰ্মাণৰ বাবে আৱণ্টন দিয়া হৈছিল?

(গ) ৰাজ্যিক পৰিকল্পনাৰ অধীনত লক্ষীমপুৰ বিধান সভা সমষ্টিত কি কাৰণত ৰাস্তা নিৰ্মাণৰ বাবে কোনো আঁচনি লোৱা নহ'ল?

(ঘ) ২০০৪-০৫ চনত উত্তৰ লক্ষীমপুৰ গড়কাপ্তানী বিভাগৰ কাৰ্য্যবাহী অভিযন্তাই তেখেতৰ চিঠি নং G/179(AP)/2003-2004/5730 তাং ১২/১২/২০০৪ যোগে দাখিল কৰা আঁচনি সমূহ ৰূপায়ণ কৰিবনে?

**শ্ৰীমতী অজন্তা নেওঁগ (গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) সঁচা।

(খ) ২০০২-০৩ আৰু ২০০৩-২০০৪ বছৰত ৰাজ্যিক পৰিকল্পনাৰ জৰিয়তে আৱণ্টিত ৰাস্তাৰ বিপৰীতে আৱণ্টিত ধনৰ তালিকা অনুবদ্ধ 'ক' আৰু অনুবদ্ধ 'খ' সদনৰ মজিয়াত দাখিল কৰা হ'ল।

(গ) ৰাজ্যিক পৰিকল্পনাৰ অধীনত লক্ষীমপুৰ বিধানসভা সমষ্টিত ৰাস্তা নিৰ্মাণৰ বাবে

* Speech not corrected

কেইবাটাও আঁচনি লোৱা হৈছে। এই আঁচনি সমূহৰ তালিকা অনুবদ্ধ 'গ' ত প্ৰস্তুত কৰি সদনৰ মজিয়াত দাখিল কৰা হ'ল।

(ঘ) আঁচনি পোৱাৰ সময়ত ৰাজ্যিক পৰিকল্পনাৰ ধন নোহোৱাৰ বাবে এই আঁচনি সমূহ অহা বিত্তীয় বৰ্ষত বিবেচনা কৰা হ'ব।

★ শ্ৰী উৎপল দত্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়াই যিবিলাক নাম দিছে সেই বিলাক মোৰ সমষ্টিত নাই। এক নম্বৰতে যিটো দিছে সেইটো নাই। যিবিলাক নাম দিছে সেই বিলাক লক্ষীমপুৰ বিধান সভা সমষ্টিত নাই। যিবিলাকত আবণ্টন দিয়া হৈছে কাম হোৱা নাই, কাম নকৰে। কাম বিলাক হ'ব লাগে। বগীবিল মোৰ নহয়। কাম হ'ব নে নহয় মন্ত্ৰী মহোদয়ে উত্তৰ দিব নেকি।

★ শ্ৰীমতী অজন্তা নেওগ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো এতিয়া মোৰ হাতত নাই। পিচত কব পাৰিম।

★ শ্ৰীউৎপল দত্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, (ঘ) প্ৰশ্নৰ উত্তৰত ষ্টেট প্লেনিঙৰ পৰা কেইটামান ৰাস্তাৰ নাম দিছে। যোৱা তিনিটা বছৰত বিশেষকৈ লক্ষীমপুৰ সমষ্টিত যোৱা তিনি বছৰে এটাও ৰাস্তা ধৰা হোৱা নাই। ঢকুৱাখানা, বিহপুৰীয়া আৰু নাওবৈছাত ধৰিছে। লক্ষীমপুৰ সমষ্টিত এটা ৰাস্তাও ধৰা হোৱা নাই। অহা বছৰ কৰা হ'ব বুলি আশ্বাস দিছে। এই বিষয়ে জনাব নে?

★ শ্ৰীমতী অজন্তা নেওগ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, পৰিকল্পনা বিভাগে প্ৰস্তাৱ দিছে। এই প্ৰস্তাৱ সংশোধন কৰি ২০০৫-০৬ বিত্তীয় বছৰত দিয়াৰ বাবে চেষ্টা কৰিম।

**Mr. Speaker :** Starred Question No. 44, Hon'ble Member, Shri Dilip Kumar Saikia.

**Subject : Repair of roads and bridges damaged by flood.**

**Shri Dilip Kumar Saikia asked :**

★ 44. Will the Minister of P.W.D. be pleased to state :

(a) What was the extent of roads (National Highway, PWD Roads etc.) damaged (in KM) during last flood of 2004 and the total No. of

---

❋ Speech not corrected

R.C.C. and wooden Bridges damaged by the flood in Assam?

(b) What is the estimate of fund requirement for repairing of these damages (both roads and bridges) and the total grant of fund received from the Govt. of India for the purpose?

(c) What is total allocation of fund received by the government of Assam under PMGSY and the name and location of the roads identified by the department under the scheme?

(d) Has the department any special package under the PMGSY for the flood affected backward district of Dhemaji? If so, details thereof?

(e) Has the department taken any action to include the following highly essential roads under PMGSY or any other Centrally sponsored projects on priority basis?

(i) Maskhowa-Dhakuakhana path, (ii) Aisingamathan-Pamua via-Majkhowa, Sisikalghar, Jurkota, Kholihamari including one RCC bridge over Laipulia at Liapuia, (iii) Maridhal Chariali to Subahipather-Besamora-Raiting, (iv) Bordoloni Chariali to Kholihamari (SBG road) including construction of RCC bridge at Kumatia, (v) From NH-52 to Nalbari via Koupatani, (vi) Aisinagamathan to Ghughuadol via Butikur, Nuruathan and replacement of wooden bridges with RCC bridges.

**Smt. Ajanta Neog (Minister of State PWD) replied :** (a) The extent of Roads damaged during last flood of 2004 and the total No. of Roads/ R.C.C. Bridges/ wooden bridges damaged in Assam is hereby given below :

| | | | |
|---|---|---|---|
| (i) | National Highway | = | 790.00 Km. |
| (ii) | State Highway | = | 136.00 Km. |
| (iii) | Major Dist. Road | = | 472.00 Km. |
| (iv) | Rural Road | = | 3896.00 Km. |
| (v) | N.E.C. Road | = | 483.96 Km. |
| | Total affected length | = | 5777.96 Km. |

(vi) Total No. of R.C.C. Bridges damaged = 36 Nos.

(vii) Total No. of Wooden Bridges damaged = 800 Nos.

(b) The estimate for fund requirement for reparing of these damages (both Roads & Bridges) is Rs. 755.34 Crore.

And the total grant/fund received from the Government of India is Rs. 585.26 Lakh for state roads (for National Highways is Rs. 2400.00 Lakh) against requirement of Rs. 24000 Lakh.

(c) Total allocation of fund received by the Government of Assam under PMGSY is Rs. 674.098 Crore.

The name and location of the roads identified by the Department is placed in the table of august house

(1) Annexure - A for the year 2000-2001, 2001-2002

(2) Annexure - B for the year 2003-2004

(3) Annexure - C for the year 2004-2005.

(d) No.

(e) Not yet taken and may be taken up on availability of appropriate fund.

✯ শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়াক মই প্ৰশ্ন কৰিছিলো যে— Waht was the extent of roads (National highway, P.W.D. etc.)। তাৰ উত্তৰত মন্ত্ৰী মহোদয়াই বিভিন্ন ব্ৰেক আপ দিছে। ৰাষ্ট্ৰীয় পথ, কাঠৰ দলং, ৰাজ্যিক পথ, ৰুৰেল ৰোড আদি ৰাস্তা-ঘাটৰ ডেমেজ দেখুৱাইছে। ষ্টেট হাইওৱে ১৩৬ কিঃ মিঃ মেজৰ ডিষ্ট্ৰিক্ট ৰোড ৪৭২ কি: মি: ৰুৰেল ৰোড ৩৮৯৬ কিঃ মিঃ এন ই চিৰ ৪৮৩ আদি কৰি টোটেল ৫৭৭৭.৯৬ কিঃ মিঃ। আকৌ টোটেল আৰ চি চি ব্ৰীজ ডেমেজ ৩৬ খন আৰু কাঠৰ দলং ৮০০ খন। এতিয়া কথা হ'ল মন্ত্ৰী মহোদয়াই কেন্দ্ৰৰ পৰা সৰ্ব্বমুঠ কিমান টকা পালে? মাননীয়া মন্ত্ৰী মহোদয়াই ইতিমধ্যেই কৈছে যে টোটেল ৫৮৫.২৬ লাখ। কিন্তু ষ্টেট ৰোডৰ কাৰণে ৰুৰেল ৰোডৰ কাৰণে ৭৫৫.৩৪ crore পাইছিল। কেন্দ্ৰীয় চৰকাৰৰ পৰা পাইছে ৫৮৫.২৬ লাখ, ইমান টকা পাইছে বুলি কৈছে। এই টকাৰ বাকী টকা বিলাক কলৈ গ'ল? আচলতে মন্ত্ৰী মহোদয়াই সৰ্ব্বমুঠ কিমান টকা পাইছে আৰু কিমান খৰছ কৰিছে সঠিককৈ কলে ভাল পাম। আকৌ

✻ Speech not corrected

পি.এম জি ওৱাই আঁচনিৰ দাখিল কৰা এনেক্সাৰৰ ফিজিকেল টাৰগেট দুখ লগা। ইয়াত দেখা গৈছে কৰবাত কৰবাত শতকৰা শুন্যভাগো কাম হোৱা নাই। কাৰণ তাত দেখুৱাইছে শতকৰা শুন্য ভাগ বুলি।

অধ্যক্ষ মহোদয়, আপোনাৰ ডিব্ৰুগড় জিলা আৰু নাহৰকটীয়াটো শতকৰা শূন্যভাগ দেখুৱাইছে। এতিয়ালৈকে যদি কাম কৰা নাই কেতিয়া কৰিব আৰু গোটেই অসমৰ বহুত ঠাইতে দেখিছোঁ শতকৰা ৩০ ভাগ বা ৪০ ভাগৰ বেছি কতো হোৱা নাই। এপ্ৰিলৰ পৰা বাৰিষা আৰম্ভ হ'বই মন্ত্ৰী মহোদয়াই কাম কেতিয়াৰ পৰা আৰম্ভ কৰিব আমি জানিব বিচাৰিছোঁ। আমি এটা কথা দেখিছোঁ এইবাৰ তিতাবৰ সমষ্টিতে আটাইতকৈ বেছি টকা দিছে, অসমত ১২৬ টা সমষ্টি আছে। অন্য সমষ্টিতকৈ তাত এটামান আঁচনি বেছিকৈ লওক আপত্তি নাই। কিন্তু বাকী কিখিনি সমষ্টিৰ কথাও ভাবিব লাগে।

মাননীয় অধ্যক্ষ ঃ আপুনি চাপ্লিমেণ্টেৰীতো কৰক, কি বিচাৰিছে প্ৰশ্নটো সেইটো কৰক।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ- অধ্যক্ষ মহোদয়, সমবিতৰণ বিচাৰিছোঁ। আমাৰ ধেমাজি জিলা আটাইতকৈ বেছি বানপানী ক্ষতিগ্ৰস্ত জিলা Dhemaji specially flood affected District. হাহাঁকাৰ অৱস্থা। তাতো এটাও স্কীম লোৱা নাই। মই মন্ত্ৰী মহোদয়াক বিশেষভাৱে অনুৰোধ কৰিছোঁ আমাৰ সমষ্টি বিলাকত অলপ টকা ধৰিব। মহিলা মন্ত্ৰী হিচাপে আপুনি বেছি গুৰুত্ব পাব আৰু প্ৰয়োজন হ'লে ধমকি দি দি হ'লেও টকা বেছিকৈ আনি আমাৰ সমষ্টি বিলাকত দিব।

★ শ্ৰীঅজন্তা নেওঁগ ( ৰাজ্যিক মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, শইকীয়া ডাঙৰীয়াই যি খিনি কথা কলে তাৰ লগত মই একমত নহয়। কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা পাইছোঁ ৫৮৫.২৬ লাখ। বানপানীত ক্ষতিগ্ৰস্ত হোৱা ৰাস্তা-ঘাট আদি ৰিপেয়াৰিংৰ কাৰণে। পি এম জি ওৱাই আঁচনি আমাৰ ২০০০ চনৰ পৰা ২০০৭ চনত শেষ হ'ব তাত আমাৰ গাইড লাইন দিয়া আছে আৰু ক্ৰাইটেৰীয়া হৈছে ১ হাজাৰ জনসংখ্যা থকা ঠাইখিনিক ফাষ্ট প্ৰায়ৰিটী, ৫০০ জনসংখ্যা থকাটোত চেকেণ্ড প্ৰায়ৰিটী আৰু ২৫০ জন সংখ্যা থকা ঠাইক থাৰ্ড প্ৰায়ৰিটি দিবলে কোৱা হৈছে। এই বিলাক জিলা পৰিষদৰ যোগেদিহে চিলেক্ট কৰিব লাগিব। ব্লক এৰিয়াৰ আটাইতকৈ ভিতৰুৱা অঞ্চল বিলাকত হাইওৱে কানেক্ট কৰিব পৰা ৰাস্তা বিলাকহে চিলেক্ট কৰিব পাৰিব। এই ক্ষেত্ৰত স্থানীয় বিধায়ক, এম পি আৰু জিলা পৰিষদৰ সদস্য সকলে বহি আলোচনা কৰিহে ৰাস্তা চিলেক্ট কৰিব। তাৰ পিছতহে এই লিষ্ট আমৰ পি ডব্লিউ ডি বিভাগলৈ আহিব। এই বছৰৰ কাৰণে

* Speech not corrected

আমি এলেক'শ্যন দিছোঁ কিন্তু কিছুমান জিলাৰ পৰা এতিয়াও লিষ্ট আহি পোৱা নাই বাবে আমি কৰবাত কৰবাত এল'কেশ্যন দিব পৰা নাই। যদি এতিয়াও কোনোবা জিলাই অৰ্ন্তভুক্ত হ'ব বিচাৰে তেতিয়া হ'লে জিলা পৰিষদৰ যোগেদি এতিয়াও লিষ্ট পঠিয়াব পাৰে। আমি ইতিমধ্যে আমাৰ পি এম জি ওৱাই আঁচনিৰ যোৱা দুবছৰৰ কাম কাজ সম্পূর্ণ কৰিছে। ২০০০-২০০১ চনত ৫৬৩ কিঃ মিঃ ৰাস্তা সম্পূৰ্ণ হৈছে। ২০০২ চনত ১ হাজাৰ ২ শ মান হৈছে। মাননীয় অধ্যক্ষ মহোদয়, যোৱাবাৰ ভয়াবহ বানপানীৰ কাৰণে আমি কাম -কাজ বিলাক সম্পূর্ণ কৰিবলৈ সক্ষম হোৱা নাই। তথাপি কাম চলি আছে আৰু শতকৰা ৪৪ ভাগ সম্পূৰ্ণ হৈছে। আচলতে যি বিলাক ঠাইত আমি ব্লেক টপিঙৰ কাম শেষ কৰিব পৰা নাই বা কৰি শেষ কৰিব পৰা নাই সেই আঁচনি বিলাক আমি সম্পূর্ণ বুলি দেখুৱাব নোৱাৰোঁ। সেয়ে বহু ঠাইত শতকৰা শূন্য ভাগ যদিও দেখুৱা হৈছে আচলতে তাত কাম চলি আছে, কাম একেবাৰে নোহোৱাকৈ থকা নাই। অধ্যক্ষ মহোদয় যিখিনি কাম বাকী আছে অহা ৬ মাহৰ ভিতৰত শেষ কৰিব পাৰিম বুলি ভাবিছোঁ।

✯ শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ ২০০৭ চনত যে শেষ হ'ব আমি জানো তালিকা কেনেকৈ দিব লাগে জানো কিন্তু ২০০১ চনতে আৰম্ভ আঁচনিটোৰ কাম জিৰো পাৰচেণ্ট কেনেকৈ হ'ব পাৰে এই আঁচনি বিলাকৰ ফিজিকেল টাৰ্গেট শতকৰা জিৰো হ'ব নোৱাৰে, মন্ত্ৰী মহোদয়াই নিজে এই পি এম জি ওৱাই আঁচনি বিলাক পৰিদৰ্শন কৰক। আপুনি অসমৰ মন্ত্ৰী অকল গোলাঘাটলৈ গৈ থাকিলেই নহ'ব। ধেমাজী জিলাখন অসমৰ ভিতৰতে পিছপৰা আৰু বানাক্ৰান্ত জিলা আপুনি তালৈ আহক আপোনাক আমি ভালকৈ আদৰিম সিদিনা মন্ত্ৰী দীনেশ গোৱালা গৈছিল মই নাছিলো যদিও তেওঁক গামোছাৰে আদৰণি জনাইছো নৰহৰ কথাটো বেলেগ একেখন দলংকে দুবাৰ আধাৰশিলা স্থাপন কৰা বাবে ৰাইজে বৰ্জন কৰিছে, আপুনি আহক আপোনাক ভালদৰে আদৰিম। পি এম জি ওৱাইৰ কাম বিলাক সকলো ঠাইতে আধৰুৱা, আপুনি আমাকো বিশ্বাসত লওকচোন আমিও ৰাইজৰ প্ৰতিনিধি। আপুনি নিজে উত্তৰত জিৰো পাৰচেণ্ট বুলি উল্লেখ কৰিছে। আনহাতে লাইফুলীয়াৰ যিখন দলং সেইখনৰ কাৰণে বিভাগৰ পৰা কিবা প্ৰাক্‌কালিন বিচাৰিছে নেকি? তেনেকুৱা কিবা প্ৰস্তাৱ গৈছে নেকি?

✯ শ্ৰীমতী অজন্তা নেওঁগ (ৰাজ্যিক মন্ত্ৰী) ঃ এই খবৰটো মাননীয় সদস্য গৰাকীক পাছত জনাব পাৰিম।

---

* Speech not corrected

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ এই বিষয়ে মই আয়ুক্ত গোহাই ডাঙৰীয়ালৈ এখন চিঠি লিখিছিলো নিশ্চয় কিবা ব্যৱস্থা লৈছে আপুনি জনাব। মই মন্ত্ৰী মহোদয়াক পুনৰ অনুৰোধ জনাইছো আপুনি অসমৰ ৰাস্তা বিলাক এবাৰ ঘূৰি আহক বিধান সভাৰ পাছতে আপুনি ওলাওক।

★ শ্ৰীবুবুল দাস ঃ অধ্যক্ষ মহোদয়, পবীতৰা অভয়াৰণ্যলৈ যোৱা যিটো ৰাস্তা সেই ৰাস্তাৰ ওপৰৰ দলংখন ২০০২-২০০৩ চনতেই উটুৱাই নিছে। আমাৰ মুখ্যমন্ত্ৰী মহোদয় ২০০৪ চনত যেতিয়া পৰিয়ালসহ নৱবৰ্ষ পালন কৰিব গৈছিল তেওঁ নাৱেৰে পাৰ হৈছিল, তেতিয়াই তেখেতে তাত আশ্বাস দি আহিছিল যে অতি সোনকালে দলংখনৰ কাম সম্পূৰ্ণ কৰা হ'ব আৰু আজিৰ গড়কাপ্তানি মন্ত্ৰী যেতিয়া পৰ্য্যটন মন্ত্ৰী আছিল তেতিয়া তেখেতে নিজে গড়কাপ্তানি বিভাগক নোট দিছিল দলংখন সোনকালে কৰিব লাগে বুলি ..........।

মাননীয় অধ্যক্ষ ঃ এইটো বেলেগ প্ৰশ্ন।

★ শ্ৰীবুবুল দাস ঃ এই ৰাস্তাটো অতি গুৰুত্বপূৰ্ণ কাৰণ পৰ্য্যটক সকল এই ৰাস্তাৰে অহা-যোৱা কৰে বেলেগ প্ৰশ্ন নাই ইয়াত সকলো দলংৰ কথাসোধা হৈছে। গতিকে এই দলংখন কেতিয়া সম্পূৰ্ণ হ'ব?

★ শ্ৰীমতী অজন্তা নেওগ (ৰাজ্যিক মন্ত্ৰী) ঃ মই মাননীয় সদস্য দাস ডাঙৰীয়াৰ লগত একমত মৰিগাঁওৰ প্ৰায় বিলাক দলঙেই ক্ষতিগ্ৰস্থ হৈছে এইখন আৰ আই দি এফত লোৱা হৈছে সোনকালে সম্পূৰ্ণ হ'ব।

★ শ্ৰীগৌতম ৰয় (ৰাজহ মন্ত্ৰী) ঃ এইখিনিতে মই মাননীয় বিধায়ক সকলক এটা কথা জনাব বিছাৰিছো আমাৰ ৰাজ্যিক মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এফ দি আৰ শিতানত আৰু ১৫ কৌটি টকা মোকলাই দিছে আমি প্ৰতিজন বিধায়কক ২০ লাখ টকা দিম, আপোনালোকে অতি সোনকালে তালিকা দিব। আমাৰ এ জি পি সদস্যসকলৰ কম সংখ্যকৰ তালিকা পাইছো তেওঁলোকৰ সমষ্টিৰ কাম বিলাক আগতে কৰি লৈছে বোধকৰো।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ আমালৈ চিঠি দিব তেতিয়া হ'লে দিব পাৰিম।

★ শ্ৰীগৌতম ৰয় (ৰাজহ মন্ত্ৰী) ঃ চিঠি দিয়া সময় নাই। মুখেৰে ক'লো সোনকালে দিব।

**Mr. Speaker :** Starred Question No. 45, Hon'ble Member, Shri Bimolangshu Roy.

---

✻ Speech not corrected

## Subject : Amount of Central Fund.

**Shri Bimolangshu Roy Asked :**

★ 45. Will the Minister of P.W.D. be pleased to state :

(a) What is the total fund received by the Government from the Central Government for restoration of roads after last devastating flood and how fund have been disbursed district wise?

(b) What is the status of Chief Minister's 'Path Paki Karan Scheme' In respect of L.A. of Silchar and other constituencies when scheme is likely to be commissioned?

(c) What is the status of scheme under "State Road Bd" in respect of L.A. of Silchar and other constituencies? Why work has not yet commenced?

(d) Why the Bridge under RIDF IX "Nutan Kanchanpur" in silchar has not yet been alloted to any contractor inspite of assurance given on the floor of the Assembly?

(e) Is the Govetnment pursing a policy of discrimination with opposition parties constituencies?

(f) Has the Government provided any fund under 'Annual plan in silchar? If not why?

(g) Is the Government aware that Bridges in Chencoorie & Kathal have already been broken due to callous attitude of P.W.D.? Has the Govt. sanctioned provided any fund for construction of the same?

(h) If not why?

(i) Will the Govt. allow satsaugh Bridge in Silchar also to fall down or construct the same urgently.

**Smti. Ajanta Neog (Minsiter of State, P.W.D) replied :**

(a) The total fund received under FDR (CRF) after the last devastating flood is Rs. 585.2626 Lakhs. The district wise allotment of fund is a Annexure No. 1 enclosed. (See

* Speech not corrected

Annexure - III)

(b) Tender for the works under MPNA for all the LACS are received and in the process of allotment of work to contractors. The works started.

(c) Repairs schemes in defferent L.A.C's including Silchar L.A. C. have ben proposed under Assam State Road Board. Necessary N.I.T. are being floated and work will be started soon.

(d) Allotment of work is under process and will be allotted very shortly.

(e) Does not arise.

(f) Yes, Rs. 113.00 Lakhs were provided under Annual plan for 2004-05 under Silchar L.A.C. and the work is under progress.

(g) The Govt. is aware of the conditions of the bridges in Chencoorie & Kathal. The replacement of SPT bridge no.2/1 with R.C.C. file bridge on Chencoorie has been taken up under Annual plan for 2004-05 for Rs. 14.00 Lakhs and work has been alloted to the contractor. In Kathal Road Bridge No. 7/2 is closed for vehicular trafic as it collapsed during last devastating flood. The action for repairing this bridge has already been taken up.

(h) Does not arise.

(i) No. The work is being taken up under NEC. The work is already allotted to contractor.

✯ শ্ৰীবিমলাংশু ৰয় : যোৱা বাৰিষা কালত শিলচৰত একেবাৰে ৪/৫ বাৰ বানপানী হৈ গৈছে। সেই কাৰণে ৰাজহ মন্ত্ৰীয়ে এই মাত্ৰ সমষ্টি ভিত্তিত আৰু ২০ লাখ টকা দিয়া বুলি জনালে ভাল পাইছো। মই এন পি এন এ আঁচনিৰ কথা কৈছিলো। মই মন্ত্ৰী মহোদয়াক লগ ধৰিও কথাখিনি কৈছিলো। এফালে কৈছে টেণ্ডাৰ কল কৰা হৈছে বুলি আৰু আনফালে কাম আৰম্ভ হোৱা বুলি কৈছে। কথাটো বিভ্ৰান্তিকৰ। মোৰ এই প্ৰশ্নটো যোৱা বিধান সভাতো আছিল। একেই উত্তৰ দিছে। টেণ্ডাৰ কল কৰি ৰিটেণ্ডাৰ কিয় কৰিলে?

---

✻ Speech not corrected

**Mr. Speaker : Supplementary please, please speak what additional information you want?**

★ **শ্ৰীবিমলাংশু ৰয় ঃ** মই জানিব বিছাৰিছো কোন ঠিকাদাৰক কেতিয়া এলটমেণ্ট দিছিল? টেণ্ডাৰৰ ঠিক নোহোৱাকৈ ৱৰ্ক কেনেকৈ দিলে আৰু দলংখন যে ভাঙি গৈছে তাৰ কি ব্যৱস্থা লব?

★ **শ্ৰীমতী অজন্তা নেওঁগ (ৰাজ্যিক মন্ত্ৰী) ঃ** পথ পকীকৰণ আঁচনিৰ কাৰণে অকল শিলচৰ বুলিয়ে নহয়, গোটেই অসমতে প্ৰচেচ আৰম্ভ হৈছে, তেখেতৰ সমষ্টিত টেণ্ডাৰাৰ নাছিল কাৰণে ৰিটেণ্ডাৰ কৰা হৈছে। দলংখন নাবাৰ্দৰ আঁচনিৰ অধীনত কাম চলি আছে সোনকালে সম্পূৰ্ণ হব।

★ **শ্ৰীবিমলাংশু ৰয় ঃ** কোন ঠিকাদাৰক কামটো এলট কৰা হৈছে নামটো দিব নেকি?

★ **শ্ৰীমতী অজন্তা নেওঁগ (ৰাজ্যিক মন্ত্ৰী) ঃ** কনচিল কৰা কথা নহয়, কাক এলট কৰা হৈছে পিছত জনাম।

**Mr. Speaker : Starred question No. 46, Hon'ble Member, Shri Gunin Hazarika.**

## বিষয় : পকীপথ নিৰ্মাণ অভিযান।

**শ্ৰীগুনীণ হাজৰিকাই সুধিছে ঃ**

★ ৪৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ মুখ্যমন্ত্ৰী পকী পথ নিৰ্মাণ অভিযান নামৰ এখন আঁচনি আছে নেকি, উক্ত আঁচনি পথ সমূহ কেনেকৈ নিৰ্বাচন কৰে?

(খ) বিধায়ক সকলৰ লগত আলোচনা কৰি প্ৰতি সমষ্টিৰ পাঁচ কিলোমিটাৰ পথ নিৰ্বাচন কৰিবলৈ দিয়া হৈছিল নেকি?

(গ) যদি হৈছিল কলিয়াবৰ সমষ্টিত বিধায়কে নিৰ্বাচন কৰি দিয়া পথ কেইটা কি কি?

(ঘ) সেই পথ কেইটাত কেতিয়াকৈ নিৰ্মাণ কাৰ্য্য আৰম্ভ হ'ব?

★ **শ্ৰীমতী অজন্তা নেওঁগ (গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) অসম চৰকাৰৰ মুখ্যমন্ত্ৰী পকীপথ নিৰ্মাণ অভিযান নামৰ এখন আঁচনি আছে। উক্ত আঁচনিৰ পথ সমূহ প্ৰতি সংমণ্ডলৰ কাৰ্য্যবাহী অভিযন্তাদেৰে সংশ্লিষ্ট

---

✻ Speech not corrected

বিধায়ক/সাংসদ সদস্যৰে সৈতে আলোচনা কৰি নিৰ্বাচন কৰে।

(খ) বিধায়ক/সাংসদ সদস্যৰ লগত আলোচনা কৰি পাঁচ কিঃ মিঃ পথ নিৰ্বাচন কৰিবলৈ দিয়া হৈছিল।

(গ) সংশ্লিষ্ট বিধায়ক আৰু সাংসদৰ লগত আলোচনা মৰ্মে জে, এল, এছ, বি, এ পথৰ উন্নতিকৰণ আৰু কে, এ পথৰ বৰডুবিৰ পৰা চিমনাবস্তিলৈ উন্নিতকৰণৰ বাবে নিৰ্বাচন কৰা হয়।

(ঘ) উক্ত পথ কেইটাৰ বাবে কৰ্মাদেশ প্ৰক্ৰিয়া শেষ হলেই নিৰ্মাণ কাৰ্য্য আৰম্ভ হ'ব।

★ **শ্ৰীগুণীণ হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়াৰ পৰা জানিব বিছাৰিছো যে যিকেইটা ৰাস্তা মই নিৰ্বাচন কৰি দিছিলো সেই কেইটাৰ ইয়াত নাম নাই সেইটো কেনেকৈ হ'ল?

★ **শ্ৰীমতী অজন্তা নেওঁগ (মন্ত্ৰী গড়কাপ্তানী বিভাগ) ঃ** মুখ্য মন্ত্ৰী পথ নিৰ্মাণ আঁচনিৰ বাবে আমি ২/১/২০০৪ চনতে এটা ডাব্লিউ টি মেচেজ প্ৰতি সংমণ্ডললৈ দিছিলো তাত লিখা আছিল in W/T Message submit estimates for construction of one Road of length 5.00 KM or two Roads of length of 2.50 KM in each constituency within 5th Nov/2004 possitively. The Road should be selected in consultation with concerned /MLA/MP on need base basis ............. ।এইটো ক্ৰাইটেৰীয়া দিছিলো। গতিকে চিলেকচন কৰি টেণ্ডাৰৰ কাম আৰম্ভ কৰা হৈছে।

★ **শ্ৰীগুণীন হাজৰিকা ঃ** আপোনালোকে আলোচনা কৰি কৰক। কিন্তু আমাৰ লগত আলোচনাৰ বাবে চাৰ্কোলাৰ দিয়াৰ পাচত গুৰুত্ব নিদি অৱমাননা কৰাৰ কথাটো যে কংগ্ৰেছ গণতান্ত্ৰিক নীতিৰ অৱমাননা কৰা হৈছে।

(সদনত হাহাকাৰ ..........)

**মাননীয় অধ্যক্ষ ঃ** চাপ্লিমেণ্টেৰী সুধিব আছে সোধক।

★ **শ্ৰীমতী অজন্তা নেওঁগ (মন্ত্ৰী) ঃ** মুখ্য মন্ত্ৰীৰ এই পথ নিৰ্মাণ আঁচনি অসমৰ প্ৰত্যেক সমষ্টিৰ দুটাকৈ ৰাস্তাৰ ২ কিলোমিটাৰ পথ মেৰামতিৰ বাবে যোগ্য হয় নে নহয় বিধায়ক সকলৰ লগত আলোচনা মৰ্মে এই ৰাস্তা বিলাক বনাব বিছাৰিছো।

★ **শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰৰ তৰফৰ পৰা যিটো নোটিচ আছে সেইমতে আপোনালোকে কাম কৰিছে। সেই মৰ্মে আপোনালোকে বিধায়ক সকলৰ লগত কনচাল্ট কৰিব বিচাৰিছে। মই যোৰহাটৰ বিধায়ক হিচাবে

---

✻ Speech not corrected

কব বিছাৰিছো এই ডব্লিউ, টি মেচেজ নিশ্চয় যোৰহাটলৈও গৈছে। কিন্তু এই বিষয়ে চৰকাৰৰ ফালৰ পৰা মোক সুধিবলৈ যোৱা নাই। কথাটো হৈছে সকলো মন্ত্ৰীয়ে ডিচক্ৰীপেনচী নকৰে। আমাৰ দিনতো কৰা নাই আপোনালোকৰো নকৰে। এই খিনিতে মই এটা কথা কব বিচাৰিছো আমাৰ সমাজ কল্যান মন্ত্ৰী গৌতম ৰয় ডাঙৰীয়াই অঙ্গনবাদী চেণ্টাৰৰ আধাৰশীলা স্থাপন কৰিবলৈ তেওঁ নিজে য়ায আমাক কেতিয়াও সুবিধাটো নিদিয়ে। এই ক্ষেত্ৰত মই কব বিছাৰিছো আপোনালোকৰ চাৰ্কোলাৰ থাকে সকলো থাকে কিন্তু গুৰুত্ব নাথাকে।

☆ শ্ৰীদীলিপ কুমাৰ শইকীয়া ঃ মুখ্যমন্ত্ৰী পকী পথ নিৰ্মাণ কাৰ্য্যৰ ক্ষেত্ৰত বিষয়া সকলক নিৰ্দেশ দিব লাগে যাতে বিধায়ক সকলৰ লগত আলোচনা কৰি বিধায়ক সকলে দিয়া ৰাস্তা বিলাক নিৰ্মাণ কাৰ্য্য আৰম্ভ কৰিব লাগে।

শ্ৰীমতী অজন্তা নেওঁগ (মন্ত্ৰী) ঃ টেণ্ডাৰ কল কৰা হৈছে। অতি সোনকালে কামবিলাক আৰম্ভ কৰা হ'ব।

☆ শ্ৰীগৌতম ৰয় ঃ গোস্বামী ডাঙৰীয়াই যিটো কথা কৈছে যোৰহাটলৈ গলেতেখেত উপস্থিত থাকিলে আধাৰশিলা তেখেতেই স্থাপন কৰিব।

☆ শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি জানো মাননীয় মন্ত্ৰী গৌতম ৰয় দেৰ ধন্যবাদৰ পাত্ৰ তেখেত তেনেকুৱা নহয়। তেখেতৰ কথাত আমি ভাল পাইছো।

☆ শ্ৰীগৌতম ৰয় (মন্ত্ৰী) ঃ এইটো কালচাৰ আমি আপোনালোকৰ পৰাই পাইছো। আমি গণতান্ত্ৰিক নীতিক কেতিয়াও উলাই নকৰো। ডিচক্ৰীপেনচী আমাৰ নাই।

**Mr. Seapker : Now, starred Question No. 47, Hon'ble Member, Shri Hemanta Talukdar.**

## বিষয় : খোৱা পানীৰ অভাৱ।

শ্ৰীহেমন্ত তালুকদাৰে সুধিছে :

☆ ৪৭। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) পশ্চিম গুৱাহাটী সমষ্টিৰ চহৰ অঞ্চলৰ লাল গণেশ ওদালবাক্ৰা ৱাৰ্ড নং ১৬ আমবাৰী গণেশপাৰা বিষ্ণুপুৰ ৱাৰ্ড নং ২০ আৰু দুৰ্গা সৰোবৰ ভূতনাথ (শান্তিপুৰ-মধ্যম-পশ্চিম-টিলা মথুৰা নগৰ আৰু আদিংগিৰি পাহাৰীয়া অঞ্চল) নামনী

✻ Speech not corrected

কামাখ্যা, নিলাচলপুৰ আদি বিভিন্ন ঠাইত খোৱাপানীৰ অভাৱত মানুহে জীয়াতু ভুগি থকাটো চৰকাৰৰ অৱগতনে?

(খ) যদি অৱগত অতি সোণকালে উক্ত ঠাই সমূহৰ ৰাইজৰ বৃহত্তৰ স্বাৰ্থত খোৱা পানী আঁচনিৰ ব্যৱস্থা কৰিবনে?

(গ) যদি কৰে কেতিয়া কাৰ্য্যকৰী কৰিব?

★ শ্ৰীদীনেশ প্ৰসাদ গোৱালা (মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী বিভাগ)য়ে উত্তৰ দিছে ঃ

(ক) চৰকাৰ এই সমস্যা সম্বন্ধে অৱগত।

(খ) কিন্তু যিহেতু উল্লেখিত অঞ্চল সমূহ নগৰ অঞ্চলৰ অধীনত পৰে, এই অঞ্চল সমূহত পানী যোগানৰ দায়িত্ব জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ওপৰত ন্যাস্ত নহয়। এই অঞ্চল সমূহলৈ পানী যোগানৰ দায়িত্ব নগৰ উন্নয়ন আৰু পয় প্ৰণালী (Assam Urban Water Supply & Sewwrage Board) বিভাগ আৰু গুৱাহাটী পৌৰ নিমগৰ অধীনৰ অন্তৰ্গত।

(গ) প্ৰশ্ন নুঠে।

★ শ্ৰীহেমন্ত তালুকদাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ পশ্চিম গুৱাহাটী সমষ্টিৰ চহৰ অঞ্চল অতি পিচপৰা। চহৰ যদিও গাঁও এৰিয়াতে পৰে। প্ৰশ্নত উল্লেখ কৰা ৬ (ছয়) খন ঠাইত খোৱা পানীৰ অভাৱত মানুহে হাহাকাৰ কৰিছে। উক্ত ঠাই সমূহৰ ৰাইজৰ বৃহত্তৰ স্বাৰ্থত খোৱা পানী আঁচনিৰ ব্যৱস্থা কৰিব লাগে। কোনে খোৱা পানীৰ যোগান ধৰে সেইটো মই নাজানো। এই এজন সৰু বিধায়ক। পানী যোগান নগৰ উন্নয়ন বিভাগে ধৰে নে গুৱাহাটী পৌৰ নিগমে ধৰে সেইটো মই নাজানো। মোৰ সমষ্টিৰ কিছুমান অঞ্চলত দমকল আৰু কুঁৱাৰ পানী শুকাই গৈছে। গতিকে যি কোনো প্ৰক্ৰিয়াৰে খোৱা পানী যোগান ধৰাৰ ব্যৱস্থা কৰিব লাগে।

★ শ্ৰীদীনেশ প্ৰসাদ গোৱালা (মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী বিভাগ ) ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নত উল্লেখিত অঞ্চলসমূহ যিহেতু নগৰ অঞ্চলৰ অধীনত পৰে, ইয়াত খোৱা পানীৰ যোগানৰ দায়িত্ব "গুৱহাটী পৌৰ নিগম" আৰু অসম নগৰ পানী যোগান আৰু পয় প্ৰণালী পৰিষদৰ অধীনত পৰে।

কিন্তু লালগণেশ অঞ্চলৰ কাষৰ শ্ৰীনগৰ এলাকাটো যিহেতু আগতে গুৱাহাটী পৌৰ নিগমৰ বাহিৰত আছিল, সেই অনুসাৰে "শ্ৰীনগৰ পানী যোগান আঁচনিখন" প্ৰস্তুত কৰা হৈছিল আৰু ২০০৩-০৪ চনত ইয়াৰ অনুমোদনো পোৱা গৈছিল। এই আঁচনিখনে ৪ (চাৰি) টা চুবা ক্ৰমে— (১) শ্ৰীনগৰ, (২) আহমেদ নগৰ,

---

❋ Speech not corrected

(৩) পুলিচ কলনি আৰু (৪) মুছলিম চুবাক সামৰি গৈছে আৰু ই প্ৰায় ২৩৬০ জন ব্যক্তিক খোৱাপানী যোগানৰ সু-ব্যৱস্থা কৰিব। অৱশ্যে উক্ত অঞ্চল সমূহ বৰ্তমানে বৃহত্তৰ গুৱাহাটী এলাকাৰ ভিতৰত পৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, উক্ত স্থানত চেণ্ট্ৰেল গ্ৰেণ্ড ওৱাটাৰ বোৰ্ডৰ দ্বাৰা এটি গভীৰ নদী নাদটোক সামৰি লৈ উক্ত আঁচনিখন প্ৰস্তুত কৰা হৈছিল। বৰ্তমানে এই আঁচনিৰ কাম চলি আছে আৰু বিত্তীয় বৰ্ষত আঁচনিখনৰ জৰিয়তে খোৱা পানীৰ যোগান ধৰাৰ ব্যৱস্থা কৰা হব।

★ **শ্ৰীহেমন্ত তালুকদাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আগতে পানী নোহোৱা অঞ্চলবিলাকত পৌৰ নিগমৰ গাড়ীৰে পানীৰ যোগান ধৰিছিল। এতিয়া যিবিলাক অঞ্চলত খোৱা পানী নাই সেই বিলাকত পানী যোগানৰ বাবে কি ব্যৱস্থা হাতত লৈছে? এতিয়া খোৱা পানীৰ কাৰণে হাহাকাৰ কৰা হৈছে, কিছুদিনৰ পিছত ইমান পানী হ'ব সেই পানী বাধা দিব লাগিব। এই বিষয়ে মই নগৰ উন্নয়ন মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** নগৰ উন্নয়ন মন্ত্ৰীক প্ৰশ্ন কৰিলেহে তেখেতে উত্তৰ দিব। বেলেগ বিভাগৰ মন্ত্ৰীক সুধিলে উত্তৰটো কেনেকৈ দিব?

★ **শ্ৰীহেমন্ত তালুকদাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, পানীয়ে হৈছে মানুহৰ জীৱন।

**মাননীয় অধ্যক্ষ ঃ** যিটো প্ৰশ্ন যাক সোধা হয় তেওঁহে উত্তৰ দিব।

★ **শ্ৰীপানীৰাম ৰাভা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসমত খোৱা পানী যোগান ধৰাৰ কাৰণে নতুনকৈ আঁচনি এখন ওলাইছে। এই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা লৈছে?

★ **শ্ৰীদীনেশ প্ৰসাদ গোৱালা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, খোৱা পানীৰ আঁচনিখন প্ৰত্যেক সমষ্টিৰ বিধায়কৰ জৰিয়তে দমকল আৰু কুঁৱা ঠায়ে ঠায়ে দিবৰ বাবে সকলো বিধায়ককে আহ্বান জনাইছো। তেখেত সকলৰ প্ৰস্তাৱমতে দমকল আৰু কুঁৱা দিব পৰা যায়।

★ **শ্ৰীপানীৰাম ৰাভা ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই আঁচনিখন ২০০৪-০৫ চনৰ বিত্তীয় বৰ্ষত দিয়া হ'ব নে নহয় মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

★ **শ্ৰীদীনেশ প্ৰসাদ গোৱালা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০০৫ চনৰ চেপ্তেম্বৰ মাহৰ ভিতৰত সম্পূৰ্ণ কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

★ **শ্ৰীহেমন্ত তালুকদাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই আঁচনিখন নগৰ আৰু গাঁও এলেকাকো সামৰি লব নেকি?

---

* Speech not corrected

★ শ্ৰীদীনেশ প্ৰসাদ গোৱালা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই আঁচনিখন ভিতৰুৱা নগৰ এৰেকেলাইহে পাব।

**Mr. Seapker :** Starred Question No . 48, Hon'ble Member, Shri Pabindra Deka.

**বিষয় : অঙ্গনবাদী কৰ্মীৰ পাৰিতোষিক।**

শ্ৰীপবিন্দ্ৰ ডেকাই সুধিছে:

★ ৪৮। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) ৰাজ্যখনৰ অঙ্গনবাদী কৰ্মী (Worker) আৰু সহায়কাৰী (Helper) সকলক নিয়মিত ভাৱে পাৰিতোষিক (Honorarium) দি থকা হৈ আছেনে?

(খ) কিমান সংখ্যক অঙ্গনবাদী কৰ্মীয়ে যোৱা ৬ মাহ ধৰি (Honorarium) পোৱা নাই? (Honorarium) নোপোৱাৰ অভিযোগ সঁচানে?

(গ) যদি সঁচা, ইয়াৰ কাৰণ কি?

(ঘ) ৰাজ্যখনত কিমানটা অঙ্গনবাদী কেন্দ্ৰ আছে আৰু ইয়াত কাম কৰি থকা কৰ্মী আৰু সহায়কাৰীৰ সংখ্যা কিমান?

(ঙ) যোৱা বিত্তীয় আৰু চলিত বিত্তীয় বছৰ দুটাত ৰাজ্যখনৰ কিমানটা অঙ্গনবাদী কেন্দ্ৰৰ গৃহ নিৰ্মাণ কৰা হ'ল? এনেভাৱে গৃহ নিৰ্মাণ কৰাৰ বাবে চৰকাৰে কিমান টকা খৰছ কৰিলে?

★ শ্ৰীগৌতম ৰয়(সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়।

(খ) সত্য নহয়।

(গ) প্ৰশ্ন নুঠে।

(ঘ) ২৫৪১৬ টা, কৰ্মী ২৫৪১৬ গৰাকী আৰু ২৫৪১৬ গৰাকী সহায়িকা।

(ঙ) যোৱা বিত্তীয় বৰ্ষত আৰু চলিত বিত্তীয় বৰ্ষত ৩৩১৩ টা অঙ্গনবাদী কেন্দ্ৰ নিৰ্মাণ কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ পৰা অঙ্গনবাদী কেন্দ্ৰ নিৰ্মাণৰ বাবদ ৪১৪১.৫০ (এক চল্লিশ কোটি, একচল্লিশ লাখ পঞ্চাঁশ হাজাৰ টকা বৰ্তমানলৈকে আদায় দিয়া হৈছে।

★ শ্ৰীপবিন্দ্ৰ ডেকা ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা বিত্তীয় বৰ্ষত আৰু চলিত বিত্তীয় বৰ্ষত যিকেইটা অঙ্গনবাদী কেন্দ্ৰ নিৰ্মাণ কৰা হৈছে সেইকেইটা কেন্দ্ৰ নিৰ্মাণৰ

---

★ Speech not corrected

বাবদ কেন্দ্ৰ চৰকাৰৰপৰা একচল্লিশ কৌটি, একচল্লিশ লাখ পঞ্চাশ হাজাৰ টকা দিয়া বুলি উত্তৰত কৈছে। আৰু দিবলৈ বাকী আছে নেকি?

★ শ্ৰীগৌতম ৰয় (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, পাবলগীয়া বাকী থকা টকা আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আনিছে পৰবৰ্তী মাহত ভাগ ভাগ কৰি পঠোৱা হ'ব।

★ শ্ৰীপবিন্দ্ৰ ডেকা ঃ মাননীয় অধ্যক্ষ মহোদয়, গোটেই ৰাজ্যখনতে নতুনকৈ অঙ্গনবাদী কেন্দ্ৰ স্থাপন কৰিব নেকি? যদি কৰে কিমান কৰিব অনুগ্ৰহ কৰি জনাবনে?

★ শ্ৰীগৌতম ৰয় (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, নতুন চেণ্টাৰ খোলা হ'ব। কেন্দ্ৰীয় চৰকাৰে ৪ হেজাৰ ৫ শ দিছে। আপোনালোকে পাব।

★ শ্ৰীপবিন্দ্ৰ ডেকা ঃ মাননীয় অধ্যক্ষ মহোদয়, কিমান চেণ্টাৰ খুলিব খুজিছে?

★ শ্ৰীগৌতম ৰয় (মন্ত্ৰী) ঃ এই বিষয়ে মই আপোনালোকক আগতে কৈছো।

★ শ্ৰীপানীৰাম ৰাভা ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যখনত নতুনকৈ কিমানটা অঙ্গনবাদী কেন্দ্ৰ খুলিব? আৰু কি ভিত্তিত বিতৰণ কৰিব।

★ শ্ৰীগৌতম ৰয় (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ত আমি বহুত পৰিয়ালৰ পৰা চিঠি পাইছো। আমাক চেক্ৰেটাৰীয়ে কৈছে ডিৰেক্টৰে প্ৰত্যেক জিলাৰ পৰা তালিকা সংগ্ৰহ কৰিব। এইটোৰ কাৰণে আমাক দিল্লীয়ে ৪ হেজাৰ ৫ শ টা দিছে।

★ শ্ৰীএটোৱা মুণ্ডা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য ডেকা ডাঙৰীয়াই সোধা প্ৰশ্নৰ উপৰিও মই কেইটামান পৰিপূৰক প্ৰশ্ন কৰিব খুজিছো। সমগ্ৰ অসমত অঙ্গনবাদী কেন্দ্ৰ নিৰ্মাণৰ বাবদ কেন্দ্ৰীয় চৰকাৰে ৪ হেজাৰ ১৪১ কৌটি টকা ৰিলিজ কৰি দিছে। এতিয়ালৈকে কিমানটা কেন্দ্ৰ অসম্পূৰ্ণ হৈ ৰ'ল?

দ্বিতীয়তে, আই চি ডি এচ যিবিলাক ব্লকত হোৱা ২০০৪-০৫ চনৰ ভিতৰত আই, চি ডি এচ প্ৰজেক্ট কৰিব নেকি?

★ শ্ৰীগৌতম ৰয় (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, কিছুমান ঘৰ এতিয়াও অসম্পূৰ্ণ হৈ আছে। আমি নিৰ্দেশ দিছো অহা এপ্ৰিল মাহৰ ভিতৰত সম্পূৰ্ণ কৰিবৰ কাৰণে। যাৰ ঘৰ দৰকাৰ তাকহে দিয়া হ'ব।

দ্বিতীয়তে আই চি ডি এচ প্ৰজেক্ট ৩০ টা ব্লকত দিবলৈ বাকী আছে। কাৰণ তালিকাখন আহি পোৱাহি নাই আহিলে দিয়া হ'ব।

★ শ্ৰীএটোৱা মুণ্ডা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, বাগানবিলাকত এনেকুৱা আঁচনি নাই নেকি? বাগানবিলাকত প্ৰয়োজন নহয় বুলিয়ে ধৰা নহয় নেকি? আচলতে বাগানবিলাকতো প্ৰয়োজন হয়।

---

❋ Speech not corrected

**Mr. Seapker :** Starred Question No . 49, Hon'ble Member, Shri Rajib Lochan Pegu :

## বিষয় : দৰিয়া ডুবিৰ দলং।

**শ্ৰীৰাজীৱলোচন পেগুৱে সুধিছে :**

☆ ৪৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) মাজুলীৰ দৰিয়া ডুবিৰ ওপৰত হ'বলগীয়া R.C.C দলংখন কেতিয়া নিৰ্মাণ কৰা হ'ব?

(খ) যদি নিৰ্মাণ কৰা নহয় তাৰ কাৰণ কি?

**শ্ৰীমতী অজন্তা নেওঁগ (গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) দলংখনৰ নিৰ্মাণ কাম সোনকালে আৰম্ভ কৰিব পৰা যাব বুলি আশা কৰা গৈছে।

(খ) দলংখনৰ নিৰ্মাণৰ দায়িত্ব দিয়া ঠিকাদাৰ কোম্পানীটোৱে নিৰ্মাণৰ বাবে নিবিদাত নিৰ্ধাৰিত ধনতকৈ অধিক ধন বিচৰা বাবে কামটো আৰম্ভ হোৱাত পলম হৈছে।

☆ **শ্ৰীৰাজীৱ লোচন পেগু ঃ** মাননীয় অধ্যক্ষ মহোদয়, (ক) প্ৰশ্ন উত্তৰত দলংখন সোনকালে নিৰ্মাণ কৰিব পৰা যাব বুলি কৈছে। (খ) প্ৰশ্নৰ উত্তৰত দলংখনৰ নিৰ্মাণৰ দায়িত্ব দিয়া ঠিকাদাৰ কোম্পানীটোৱে নিৰ্দ্ধাৰিত ধনতকৈ অধিক ধন বিচৰা বাবে কামটো আৰম্ভ কৰিব পৰা নাই বুলি কৈছে। মাননীয় অধ্যক্ষ মহোদয়, ৰাস্তাঘাট নিৰ্মাণ কৰিলে ৰাইজে বেয়া নাপায়। বাৰিষা আহিলে দৰিয়া ডুবিত প্ৰায় ৮ মাহ তাত নাও চলিব। মাজুলীৰ দৰিয়াডুবি খনৰওপৰত এখন আৰ চি চি দলং নিৰ্মাণ কৰা হব বুলি কোৱা আজি বহুত বছৰ হ'ল। দলংখন কেতিয়া নিৰ্মাণ কৰিব মাননীয় মন্ত্ৰী মহোদয়ে আমাক প্ৰতিশ্ৰুতি দিব নেকি?

☆ **শ্ৰীমতী অজন্তা নেওঁগ (ৰাজ্যিক মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাজুলীৰ দৰিয়া ডুবি নদীৰ ওপৰত দলং নিৰ্মাণ কৰিবলগীয়া ঠাইখিনি চাবলৈ মই নিজেই গৈছিলো। দলং এখন নিৰ্মাণ কৰিবৰ কাৰণে নিবিদা আহ্বান কৰা হৈছিল। নিবিদাত যিমান ধন ধৰা হৈছিল পিচত কোম্পানীটোৱে অধিক ধন বিছাৰিছিল। প্ৰথমতে ৪০ শতাংশ আছিল পিছত তেওঁলোকে ৪৭ শতাংশ বিছাৰিছে। ইমানখিনি টকা দিয়াটো আমাৰ পক্ষে সম্ভৱ নহয়। নাবাৰ্দৰ পৰা টকা বিচাৰিছো। টকাখিনি পালে আমি নিৰ্মাণ কাৰ্য্য আৰম্ভ কৰিম।

**Mr. Seapker :** Now, Question Hour is over.

---

✻ Speech not corrected

**(Starred Question Nos. 50 to 59 could not be taken up for disposal as the Question Hour was over. However, the said Questions deemed to have been laid on the talbe of the House with replies thereto.)**

## বিষয় : নগাঁও অসামৰিক চিকিৎসালয়

**শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে :**

★ ৫০ । মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) নগাঁও অসামৰিক চিকিৎসালয়ত বৰ্তমান কিমানজন ৰোগী ৰখাৰ ব্যৱস্থা আছে।

(খ) উক্ত চিকিৎসালয়খন মহখুলীত নিৰ্মিত নতুন ভৱনলৈ স্থানান্তৰ কৰাৰ আঁচনি চৰকাৰে গ্ৰহণ কৰিছে নেকি ?

(গ) যদিহে এনে আঁচনি গ্ৰহণ কৰিছে কেতিয়া কাৰ্য্যকৰী কৰা হ'ব ?

★ ডা : ভূমিধৰ বৰ্মণ (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) নগাঁও অসামৰিক চিকিৎসালয়ত বৰ্তমান ২০০ জন ৰোগী ৰখাৰ ব্যৱস্থা আছে।

(খ) হয়, কৰিছে।

(গ) চলিত ২০০৫ চনৰ ভিতৰতে উক্ত চিকিৎসালয়খন নতুন ভৱনলৈ স্থানান্তৰ কৰাৰ বাবে যাৱতীয় ব্যৱস্থা লৈ থকা হৈছে।

## Subject : Allocation of various commodities.

**Shri Parimal Suklabaidya replied ঃ**

★ 51. Will the Minister of Social Welfare be pleased to state :

(a) What were the allocations of cash/kinds/Food Grains etc. received & utilized by Social Welfare Department of Cachar District during the year 2002/3 & 2003/04? (Give details)

(b) Please furnish yearwise allocation of various commodities/ Food

grains etc. Child Development Project Office wise and Anganwadi Centre wise of Cachar District?

**Shri Gautam Roy ( Minsiter, Social Welfare) replied :**

(a) Allocation in kind and food grains is placed at Annexure 'A' & 'B'. (See Annexure - IV)

(b) Details At Annexure 'A' & 'B'.

## বিষয় : দুগ্ধ প্ৰকল্প

**শ্ৰীসৰ্বানন্দ চৌধুৰীয়ে সুধিছে :**

**★ ৫২ । মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

(ক) ভৱানীপুৰ সমষ্টিৰ গলিয়া গাঁওত ২০০২ চনতে স্থাপন কৰা দুগ্ধ প্ৰকল্প এতিয়াও সম্পূৰ্ণ নোহোৱাৰ কাৰণ কি? বিগত বিধান সভাত কৰা প্ৰশ্নৰ উত্তৰত দিয়া আশ্বাস অনুসৰি এইটো সম্পূৰ্ণ কৰাৰ কিবা ব্যৱস্থা লোৱা হৈছে নে? যদি হোৱা নাই কেতিয়াকৈ হ'ব?

(খ) ভৱানীপুৰত অৱস্থিত Vety. Dispensary খনৰ অৱস্থা যে অতি দুখ লগা হৈছে এইটো চৰকাৰৰ অৱগতনে? Doctor আৰু কৰ্মচাৰীসকলৰ Quarter বোৰৰ বসবাসৰ উপযোগী কৰাৰ কিবা ব্যৱস্থা লবনে?

**শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা (পশুপালন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) সময়মতে আৰু আশা কৰা মতে ভাৰত চৰকাৰৰ পৰা পাবলগীয়া ১০ (দহ) শতাংশ ধন নোপোৱাত ইং ২০০৪ চনৰ ডিচেম্বৰ মাহৰ ভিতৰত এই প্ৰকল্পটিৰ কাম সম্পূৰ্ণ কৰিব পৰা নগ'ল। চলিত বছৰৰ ছয় মাহৰ ভিতৰত ভাৰত চৰকাৰৰ পৰা পোৱা ধনেৰে প্ৰকল্পটিৰ আধৰুৱা কামখিনি সম্পূৰ্ণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

(খ) ১৯৯৭ - ৯৮ ইং বৰ্ষত পুণঃনিৰ্মাণ কৰি উলিওৱা ভৱানীপুৰ পশুচিকিৎসালয় গৃহ অৱস্থা মেৰামতি শিতানত পুজিৰ অভাৱত বেয়াৰ ফাললৈ যোৱা চৰকাৰৰ দৃষ্টি গোচৰ হৈছে। পুজিৰ আবণ্টন সাপেক্ষে এই কাম হাতত লোৱা হ'ব।

## বিষয় : গেষ্ট্ৰ এন্টাৰটাইটিছ ৰোগ।

শ্ৰীৰাজু চাহুয়ে সুধিছে :

☆ ৫৩। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমৰ বিভিন্ন চাহ বাগিছা সমূহত গেষ্ট্ৰো এন্টাৰটাইটিছ ৰোগত বহুতো শ্ৰমিকৰ মৃত্যু হোৱা আৰু চাহ বাগিছা অঞ্চলত ই এক মহামাৰী ৰূপ ধাৰণ কৰাটোৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, তেনেহল ইয়াক প্ৰতিৰোধৰ বাবে চৰকাৰে কি ধৰণৰ পৰিকল্পনা হাতত লৈছে?

**ডাঃ ভূমিধৰ বৰ্মন (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) অসমৰ বিভিন্ন চাহ বাগিছাত গেষ্ট্ৰ এন্টাৰটাইটিছ ৰোগত কিছু সংখ্যক শ্ৰমিকৰ মৃত্যু হোৱাটো চৰকাৰ অৱগত। কিন্তু ই মহামাৰী ৰূপ ধাৰণ কৰাটো সঁচা নহয়।

(খ) The plantation Labour Act 1951 আৰু ইয়াৰ অধীনত প্ৰণয়ন কৰা The Assam Plantation Labour Rule, 1956 ৰ মতে চাহ বাগিছা সমূহৰ শ্ৰমিক আৰুতেওঁলোকৰ পৰিয়ালৰ লোকৰ চিকিৎসাৰ দায়িত্বৰ মালিক কতৃপক্ষৰ যদিও চৰকাৰে এই বিষয়ে অতি সচেতন। যেতিয়াই ৰাজ্য চৰকাৰে এনেকুৱা ৰোগৰ উপদ্ৰৱৰ খবৰ পায়, ততালিকে জৰুৰী কালীন ব্যৱস্থা লোৱা হয়।

## Subject : Construction of Boleswar Bridge.

**Shri Kali Ranjan Deb Asked :**

☆ **54.** Will the Minister of P.W.D. be pleased to state :

(a) Whether Govt. is aware about the fact that construction of Boleswar Bridge in Katigarah constituency remained in a half done condition for about last 5/6 years?

(b) Is it also a fact that due to non-completion of construction of that bridge, BSF & other paramilitary forces cannot cross the river Boleswar with their vehicles to reach to International Border for

keeping vigil over International Border?

(c) Considering its importance and urgency, will the Government take immediate and urgent step to complete the construcion work of that bridge within June, 2005?

**Smt. Ajanta Neog (Minister State P.W.D.) replied :**

(a) Yes,

(b) Yes, the BSF & Para Military forces cannot cross the river Boleswar with their vehicels through this bridge.

(c) Yes, the Govt. has taken up steps to complete the construction work of the bridge before June, 2005.

## Subject : Water Supply Scheme.

**Dr. Tara Prasad Das Asked :**

★ 55. Will the Minister of PHE be pleased to state :

(a) How many water supply schemes in Assam are lying damaged and non Functioning due to last year flood?

(b) How many of them are in Barpeta District?

(c) What step has the Government taken for the restoration of the schemes?

(d) Has the Government released any fund for then restoration of the flood damaged water supply schemes in Barpeta District? If not, when the fund will be made available to Barpeta District?

**Shri Dinesh Prasad Goala (Minister , PHE Department) replied:**

(a) 150 (one hundred fifty) nos. of P.W.S. Schemes are lying damaged and non-functioning till date, out of total 737 Nos. of P.W.S. Schemes which were affected by the last year flood.

(b) 14 Nos. of P.W.S Schemes are lying damaged and non-functioning out of 15 Nos. of affected schems in Barpeta District.

(c) The Department has taken up schemes amounting to Rs. 181.00 lakh for restoration of flood damaged water supply schemes and another scheme for Rs. 602.00 lakh is under process of Administrative Approval.

(d) Yes, Rs. 0.15 lakh for relief and restoration work and another Rs. 7.35 lakh being provided under the Scheme mentioned at serial 'C' above.

## বিষয় : Population Control Act. 2000.

ড০ জয়নাথ শৰ্মাই সুধিছে :

★ ৫৬। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) Population Control Act. 2000 (Act. No.- 25 of 2000) ৰ অধীনত বিবাহিত সকলৰ বাবে কি কি সুবিধা আছে?

(খ) উক্ত আইনৰ অধীনত অসমৰ কোন কোন জিলাত কিমান সংখ্যক পৰিয়ালে সুবিধা পাইছে?

ডাঃ ভূমিধৰ বৰ্মন (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী) উত্তৰ দিছে ঃ

(ক) Population Control Act. 2000 সম্পৰ্কে ৰাজ্য চৰকাৰ অৱগত নহয়।

(খ) প্ৰশ্ন নুঠে।

## বিষয় : ৰাস্তাৰ কাম।

শ্ৰীআলী আকবৰ মিঞাই সুধিছে :

★ ৫৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ধুবুৰী জিলাৰ নয়াহাট-সাপটগ্ৰাম ৰাস্তাৰ কাম কোন আঁচনিৰ অধীনত কিমান টকা মঞ্জুৰীৰে কৰি থকা হৈছে?

(খ) কামটো কৰিবলৈ ঠিকাদাৰক অৰ্ডাৰ দিয়া হ'ল কোন দিন, আৰু কামৰ শুভাৰম্ভ কৰা হ'ল কোন দিন? (ঠিকাদাৰক দিয়া অৰ্ডাৰৰ কপি দিব)

(গ) ধুবুৰী জিলাত Plan Money আৰু CRF, FDR ৰ অধীনত ২০০২-২০০৩ ৰ পৰা চলিত মাহলৈ কোন কোন ৰাস্তাৰ কাম কিমান কিমান টকা মঞ্জুৰী দি কৰা

হ'ল আৰু কৰি থকা হৈছে? (বিধান সভা সমষ্টি ভিত্তিক তথ্য দিব)।

(ঘ) Plan money, CRF, FDR ৰ অধীনত জিলাখনত চলিত আৰু অহা বছৰ কোন, কোন ৰাস্তাৰ কাম কৰা হ'ব বা কৰাৰ প্ৰস্তুতি লোৱা হৈছে? (সমষ্টি ভিত্তিক তথ্য দিব)।

**শ্ৰীমতী অজন্তা নেওঁগ (গড়াকাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে :**

(ক) প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত ধুবুৰী জিলাৰ বৰকন্দা (নয়াহাট) সাপটগ্ৰাম ৰাস্তাৰ কাম ২,৪২,০০,০০০.০০ টকা মঞ্জুৰীৰে হাতত লোৱা হৈছে।

(খ) ইং ৩১/১২/২০০৪ তাৰিখে দিয়া অৰ্ডাৰ মৰ্মে ঠিকাদাৰে কাম আৰম্ভ কৰে। অৰ্ডাৰৰ প্ৰতিলিপি সংলগ্ন কৰা হ'ল। (See Annexure - VIII)

(গ) ধুবুৰী জিলাত CRF ৰ অধীনত ২০০২-০৩ৰ পৰা চলিত মাহলৈ কোনো ৰাস্তাৰ কামৰ আৱণ্টন পোৱা হোৱা নাই। ধুবুৰী জিলাত Plan শিতানত ১১ টা আৰু FDR শিতানত ৮টা ৰাষ্টাৰ কাম হাতত লোৱা হৈছে। বিতং তথ্য Annexure - A & B ত সন্নিবিষ্ট কৰা হ'ল। (See Annexure - V)

(ঘ) CRF ৰ অধীনত বিলাসীপাৰা পূৱ সমষ্টিৰ অন্তৰ্গত বিলাসীপাৰা ফকিৰাগ্ৰাম পথটো উন্নতি কৰণৰ কাৰণে প্ৰাক্কলন সংশ্লিষ্ট বিভাগলৈ প্ৰেৰণৰ বাবে পঠিওৱা হৈছে। Plan money (সমষ্টি ভিত্তিক) তথ্য Annexure - A ত সন্নিবিষ্ট কৰা হ'ল। (See Annexure - VI) চলিত বছৰত (ইং ২০০৪-০৫) প্ৰাকৃতিক দুৰ্যোগ সাহাৰ্য্য পুঁজি (CRF) শিতানত এতিয়ালৈ সৰ্বমুঠ ৩৪ টা ৰাস্তাৰ প্ৰাক্কলন প্ৰস্তুতি কৰি সংশ্লিষ্ট্য কৰ্তৃপক্ষৰ অনুমোদনৰ বাবে প্ৰেৰণ কৰা হৈছে। ৰাস্তাৰ নামবোৰ প্ৰাককলন ধনৰ সৈতে সমষ্টিগত ভাবে Annexure - C ত সন্নিবিষ্ট কৰা হ'ল। প্ৰশাসনিক অনুমোদন ও আৱশ্যকীয় ধনৰ আৱণ্টন সাপেক্ষে ৰাস্তাবোৰৰ মেৰামতিৰ কাম সোনকালে লোৱা হ'ব। (See Annexure - VII)

**বিষয় : অঙ্গনবাদী কেন্দ্ৰ।**

**শ্ৰীউৎপল দত্তই সুধিছে :**

**★ ৫৮। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

(ক) লখিমপুৰ জিলাৰ তেলাহী উন্নয়ণ খণ্ডত সৰ্বমুঠ কিমানটা অঙ্গনবাদী কেন্দ্ৰ আছে ?

(খ) এই অঙ্গনবাদী কেন্দ্ৰ সমূহৰ গৃহ নিৰ্মাণৰ আঁচনি আছেনে ? এতিয়ালৈকে সৰ্বমুঠ কিমানটা গৃহ নিৰ্মাণ কৰিলে ?

(গ) বৈ যোৱা অঙ্গনবাদী কেন্দ্ৰ সমূহৰ স্থায়ী গৃহ কিমান বছৰৰ ভিতৰত নিৰ্মাণ কৰিব ?

(ঘ) এই কেন্দ্ৰ সমূহৰ পৰিচালিকা আৰু সহায়িকা নিযুক্তি দিয়া হৈছে নেকি ?

(ঙ) যদি দিয়া হৈছে এওঁলোকে নিযুক্তি পোৱাৰ পৰা বেতন আদায় পাইছেনে ? যদি পোৱা নাই তেন্তে তেওঁলোকৰ সম্পূৰ্ণ বেতন আদায় দিয়াৰ ব্যৱস্থা কৰিবনে ?

**শ্ৰীগৌতম ৰয় (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী) যে উত্তৰ দিছে :**

(ক) ৬৬টা

(খ) আছে, ৭টা গৃহ নিৰ্ম্মাণ কৰা হৈছে আৰু ২টা কেন্দ্ৰত নিৰ্ম্মাণৰ কাম চলি আছে।

(গ) পুঁজি সাপেক্ষে গৃহ নিৰ্ম্মাণৰ কাম পৰ্য্যায়ক্ৰমে হাতত লোৱা হ'ব।

(ঘ) হৈছে।

(ঙ) বেতন আদায় পাইছে।

## Subject : Recognition of Medical Departments.

**Shri Bimolangshu Roy asked :**

★ **59.** Will the Minister of Health & Family welfare be pleased to state :

(a) What positive steps so far taken by the Govt. to meet the M.C.I. requirement of S.M.C as members of the M.C.I. are visiting S.M.C. on 15th February , 2005 for considering recognition of depertment like opthalmology. Gynaecology. Ent. Surgery, Medicine etc. ?

(b) Whether the staff deficiency have been met ? Why post of Associate professor in Cardiology department of S.M.C. is not filled up through Dr. P.C. Sarma is entitled for the same ? Has Govt. filled up 27 posts of teachers staff which are lying vacant in S.M.C. as disclosed in last session of the Assembly ? If not why ?

(c) How many posts of surveillance worker / ANM/GNM are lying vacant in the state and since how long ? Has the Govt. any

proposal for filling up these posts ? If so, when ?

(d) Is the Govt. aware that number of gynaecological paticuts in Siva Sundari Nariseksha Ashram in respect of birth ratio is higher than S. M.C. H. as revealed from the report of joint Director (Health), Cachar ? If so, why Iaparoscopy machine is not provided to them ? Will the Government provide one ? If so, when ?

(e) What is the total fund received by the Government from the Central Government on account of AIDS programme in last 4 years and how funds has been utilised ? (furnish) the details head wise and district wise)

**Dr. Bhumidhar Barman (Minister , Health & Family Welfare Deptt. ) replied :**

(a) The Inspector from Medical council of India (MCI) visited silchar Medical College to conduct Inspection on recognition of the post graduate degree in opthalmology, obst & Gynaecology and Surgery. The State Govt. has taken steps to meet the requirement of staff, important instrument, equipment etc. in term of Medical council of India (MCI) norms.

(b) Yes, It has been partially met Dr. P.C. Sarma himself has been holding the post of Associated professor of Cardiology and has now been promoted to the post of professor. The vacant posts of teaching staff have been partially filled up. At present only 7 (seven) number of posts of teaching staff are ling vacant.

(c) 585 Nos, surviellance worker 160 Nos. GNM and 345 Nos. of ANM posts are lying vacant since 11.4.2002. The matter of appointment in respect of GNM & ANM could not be taken up due to court cases in Hon'ble Gauhati High court.

(d) Sivasundari Nariseksha Ashram is a private organisation. The state is not in a position for providing Leproscopy Machine to private organisation. However, Govt. will ensure sterilisation programme in the locality.

(e) The total fund received from the Central Government on account of AIDS Programme in last 4 yeas furnished below :

| | | |
|---|---|---|
| 2000 - 2001 | - | Rs. 355.00 Lakhs. |
| 2001-2002 | - | Rs. 435.15 Lakhs. |
| 2002-2003 | - | Rs. 738.65 Lakhs. |
| 2003-2004 | - | Rs. 514.50 Lakhs. |

The detailed expenditure componentwise shown in Annexure - II, III , IV & V (See Annexure - IX)

Fund allocation to the Districts in different programmes shown in Annexure - VI, VII, VIII (see Annexure - X)

## Subject : Road Under N.E.C.

**Shri Kripa Nath Mallah asked :**

★ 24. Will the Minister of P.W.D. be pleased to state :

(a) Whether Govt. is aware that there is strong demand of the public to include the following roads for improvement under NEC Programme as additional Scheme of 10th five Year Plan ?

i) Inter-state road from Dallabcherra to Damchorra (Assam Tripura) under Silchar NEC Division.

ii) Bazarghat Baruala Dholibeel R. K. Nagar Balugang Lallabazar Road having economic importance.

(b) If so, whether necessary survey works have been conducted for preparation of estimate ?

(c) If not, will the Govt. take immediate measures to submit detail project report of the above mentioned 2 (two) Roads to the NEC ?

(d) In the mean time has the Govt. submitted any estimate relating to the above mentioned roads to the NEC Sectt., Shillong ?

(e) If so, what is the estimated cost ? whether necessary sanction

has been received ? ( please place a copy of forwarding letter of the Govt. to the NEC on the Table of the House.

**Smti Ajanta Neog (Minister of State, P.W.D.) replied**

(a) Yes.

(b) is being conducted.

(c) Does not arise.

(d) Yes.

(e) Estimated Cost is Rs. 32'22 Lakhs.

However, sanction is not yet received. (A copy of forwarding letter to the NEC placed below). (See Annexure - XI)

## বিষয় : উপ-কেন্দ্ৰৰ ঘৰদুৱাৰ।

**শ্ৰীদিলদাৰ ৰেজ্জাই সুধিছে :**

★ ২৫। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ৰাজ্যখনৰ চৰ অঞ্চলৰ বেছিভাগ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ উপকেন্দ্ৰৰ ঘৰ দুৱাৰ নথকাৰ বিষয়ে চৰকাৰ অৱগতনে ?

(খ) জনসংখ্যা নিয়ন্ত্ৰণ আৰু স্বাস্থ্য পৰিসেৱা উন্নীতকৰণৰ বাবে চৰ অঞ্চলৰ পৰিয়াল কল্যাণ উপকেন্দ্ৰ সমূহৰ ঘৰ দুৱাৰ অগ্ৰাধিকাৰ ভিত্তিত নিৰ্ম্মাণ কৰাৰ ব্যৱস্থা কৰিবনে ?

(গ) উক্ত আঁচনি ২০০৫-২০০৬ আৰ্থিক বছৰৰ ভিতৰত ৰূপায়ণ কৰা হ'বনে ?

**ডাঃ ভূমিধৰ বৰ্মন (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) হয়, অৱগত।

(খ) প্ৰয়োজনীয় পুজি সংগ্ৰহৰ বাবে ব্যৱস্থা লোৱা হৈছে।

(গ) পুজি সাপেক্ষে এই আঁচনি ২০০৫-০৬ বিত্তীয় বৰ্ষত ৰূপায়িত কৰা হ'ব।

## বিষয় : টকাৰ পৰিমাণ

**শ্ৰীজগদীশ ভূঞাই সুধিছে :**

২৬। **মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

(ক) ২০০১ চনৰ মাৰ্চ মাহৰ পৰা ২০০৫ চনৰ জুন মাহলৈ সমাজ কল্যাণ বিভাগে কেন্দ্ৰৰ পৰা বিভিন্ন আঁচনিৰ বাবে মুঠ কিমান টকা লাভ কৰিছে ? (বছৰ ভিত্তিত তালিকা দিব।)

(খ) ২০০৩ চনৰ মাৰ্চ মাহৰ পৰা ২০০৫ চনৰ জুন মাহলৈ বিভাগে কোন কোন আঁচনিৰ বাবে কিমান কিমান টকা ব্যয় কৰিছে ?

(গ) ২০০৩ চনৰ মাৰ্চ মাহৰ পৰা ২০০৫ চনৰ জুন মাহলৈ বিভাগে কি কি সামগ্ৰী কিমান কিমান মূল্যত কোন কোন প্ৰতিষ্ঠানৰ পৰা ক্ৰয় কৰিছে ?

(ঘ) ২০০১ চনৰ পৰা ২০০৫ চনলৈ বিভাগে মুঠ কিমান চাউল ক্ৰয় কৰিছে ? কোন বছৰত কিমান মূল্যত ক্ৰয় কৰিছে ? (বছৰ ভিত্তিত জনাব)

(ঙ) উক্ত চাউল সমূহ কোন কোন জিলাত কিমান পৰিমাণৰ যোগান ধৰা হৈছে? ( জিলা আৰু বছৰ ভিত্তিত জনাব)

(চ) অসমত এতিয়ালৈকে মুঠ কিমান অঙ্গনবাদী কেন্দ্ৰ নিৰ্মাণ কৰা হ'ল ? কোন কোন জিলাত কিমান কিমান কৰা হ'ল ? কিমান কেন্দ্ৰ সম্পূৰ্ণ হ'ল ( জিলা ভিত্তিত কেন্দ্ৰ সমূহৰ নাম দিব)

(ছ) এই অঙ্গনবাদী কেন্দ্ৰ সমূহ নিৰ্মাণৰ বাবে প্ৰতিটো কেন্দ্ৰৰ বাবে কিমান টকাকৈ কেন্দ্ৰীয় চৰকাৰে ধাৰ্য্য কৰি দিছে?

**শ্ৰীগৌতম ৰয় (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :**

(ক) উত্তৰ তালিকা 'ক' ত দিয়া হৈছে। (See Annexure - XII)

(খ) ,, ,,

(গ) ,, ,,

(ঘ) জিলা ভিত্তিত তথ্য বিচৰা হৈছে।

(ঙ) ,, ,,

(চ) ৩৩১৩ টা। জিলা ভিত্তিত তথ্য বিচৰা হৈছে।

(ছ) ১.২৫ লাখ টকাকৈ।

## Subject : Supply of potable drinking water.

**Shri Dilip Kumar Saikia asked :**

27. Will the Minister of Public Health Engineering be pleased to state :

(a) Total number of functional and defunct water supply scheme of the PHE department in Assam ?

(b) Has the department taken up new schemes for supply of drinking water during the last 4 years ? If so, details thereof.

(c) Has the department taken up any definite measures to ensure supply of drinking water to the ever increasing population of Guwahati city ? If so, details thereof ?

(d) How the department is gearing up to meet the drinking water requirement for the National Games, 2005 ?

(e) What action the department has so far taken to mitigate / control the problem of excess fluoride and arsenic content in drinking water in certain areas of Assam ?

**Shri Dinesh Prasad Goala (Minister, P.H.E. Deptt) replied :**

(a) The numbers of functional and defunct Rural Water supply schemes of the PHE Deptt. is shown below :-

(i) Functional - 2725 Nos.

(ii) Defunct - 619 Nos.

(b) Yes, details of new Water Supply scheme taken up during last 4 years under different programmes are at Annexure - I. (See Annexure - XIII)

(c) Not concerned with PHE Department.

(d) Yes, to provide the drinking water to the main Venues of Sarusajai and Bhetapara, a piped Water Suply Scheme of capacity 3 MLD with source from river Brahmaputra is being implemented.

In other two venues of Tepasia (Sonapur) and Amingaon, the requirement is small, the work is in progress.

(e) Immediately, after testing of water samples from floride endemic areas, alternative sources based on surface source, Ring Well etc. were identified for domestic use and sufficient awareness, training through house to house campaign were taken up in a affected areas to mitigate the ill effect of floride. Besides this, floride removal domestic filters are also distributed.

As regards Arsenic more than 3000 samples are sent to Scientific institution at Kolkata through UNICEF due to non availability of arsenic testing facility in the state, the result of which is expected to be received by the month of March, 2005.

A comprehensive Plan will then be drawn for Arsenic imitation for the entire state.

## Subject : Vacant posts of Doctors.

**Shri Gunin Hazarika asked :**

28. Will the Minister of Health & Family Welfare be pleased to state :

(a) Number of C. H. C. , P. H.C. and state Dispensaries having no Doctors in Kaliabor Constituency ?

(b) What steps Governent has taken to fill up the posts ?

(c) Will the Government take adequate steps to fill up the post before on set of raining season ?

**Dr. Bhumidhar Barman (Minister, Health & F. W. Department) replied:**

(a) Mini PHC - 2 Nos. Naltali MPHC due to transfer.
Kuthori MPHC and Panigeon S/D study leave.
State Dispensary - 1 No.

(b) & (c) Steps are being taken up fillup the vacant post of Doctor in respect of Naltali MPHC. The remaining vacant posts of Doctors can'ot be filled up as the Doctors concerned are on study leave. However , Joint Director of Health Services, Nagaon has been directed to make necessary arrangement for look after

the patients by way of deploying Doctors from the nearby Health Institutions.

## বিষয় : পথ পকীকৰণ।

**শ্ৰীপবিন্দ্ৰ ডেকাই সুধিছে :**

**২৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

(ক) ২০০১ চনৰ পৰা ২০০৪ চনলৈ ৰাজ্যখনৰ কিমান কিলোমিটাৰ পথ পকীকৰণ কৰা হ'ল?

(খ) এনে পকীকৰণ কি কি আঁচনিৰ অধীনত কৰা হৈছে ?

(গ) এনে ভাবে পকীকৰণ কৰাত কিমান টকা ব্যয় কৰা হৈছে ?

**শ্ৰীমতী অজন্তা নেওগ (গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :**

(ক) ২০০১ চনৰ পৰা ২০০৪ চনলৈ ৰাজ্যখনত বিভিন্ন শিতানৰ জৰিয়তে সৰ্বমুঠ ১৮৯০.১৯৬ কি: মি: পথ পকী কৰণ কৰা হৈছে।

(খ) এনে পকীকৰণ নিম্নলিখিত আঁচনিৰ জৰিয়তে সম্পন্ন কৰা হৈছে -

১/ এ.আৰ. আই. এ. এছ. পি

২/ চি. আৰ. এফ. (Morte'tt)

৩/ এন. এল. চি. পি. আৰ

৪/ আন্তঃৰাজ্যিক সংযোগীকৰণ

৫/ প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনা

৬/ বাৰ্ষিক পৰিকল্পনা আৰু

৭/ উত্তৰ-পূৰ্ব পৰিষদ।

(গ) এনেভাৱে পকীকৰণ কৰাত সৰ্ব্বমুঠ ৪৬১২৮.১৭ লাখ টকা ব্যয় হয়।

## বিষয় : মঞ্জুৰী পোৱা টকাৰ পৰিমাণ।

**শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে :**

**৩০। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:**

(ক) স্বাস্থ্য বিভাগে কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা বিভাগৰ বিভিন্ন শিতানলৈ ২০০১-০২, ২০০২-০৩, ২০০৩-০৪ আৰু ২০০৪-০৫ বিত্তীয় বৰ্ষত সৰ্বমুঠ কিমান

টকাৰ মঞ্জুৰী পাইছে ? (প্ৰতিটো শিতানৰ বিপৰীতে পেয়ক টকাৰ পৰিমাণ বেলেগে কৰি দেখুৱাব)

(খ) উক্ত মঞ্জুৰীৰ বিপৰীতে ৰাজ্য চৰকাৰে কেনে ধৰণৰ আঁচনি গ্ৰহণ কৰিছে ? (সবিশেষ জিলা ভিত্তিত জনাব)

(গ) 'পালচ পলিঅ' দিৱসৰ প্ৰচাৰৰ বাবে উক্ত বিত্তীয় বৰ্ষ কেইটাত সৰ্বমুঠ কিমান টকা খৰছ কৰা হ'ল ?

**ডাঃ ভূমিধৰ বৰ্মন ( স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :**

(ক) স্বাস্থ্য বিভাগে কেন্দ্ৰীয় চৰকাৰৰ পৰা বিভিন্ন শিতানলৈ ২০০১-০২ পৰা ২০০৪-০৫ লৈ তলত দিয়া ধৰণে আঁচনি সমূহে টকা মঞ্জুৰী পাইছে।

অসম স্বাস্থ্যসেৱা (সাধাৰণ) (লাখৰ হিচাবত)

| আঁচনিৰ নাম | ২০০১-০২ | ২০০২-০৩ | ২০০৩-০৪ | ২০০৪-০৫ |
|---|---|---|---|---|
| ১) মেলেৰিয়া নিৰ্মুল আঁচনি | ৮১৯.০৭ লাখ | ৯১৮.৪৯ | ৬৬৭.৭০ | ৫৬৬.৫৭ |
| ২) যক্ষ্মা নিৰ্মূল আঁচনি | '৩৫ | ১৮৫'২১ | ৩৭৮'০০ | ৪৩০'০০ |
| ৩) কুষ্ঠৰোগ নিবাৰণী আঁচনি | ১০৬'৪১ | ৫৫'২০ | ৮০'০০ | - |
| ৪) অন্ধতা নিয়ন্ত্ৰণ আঁচনি | - | - | ৬০'০০ | ৯'০০ |
| | ৯২৫'৮৩ | ১১৫৮'৯০ | ১১৮৫'৭০ | ১০০৫'৫৭ |

(খ) উক্ত আঁচনি সমূহৰ বিপৰীতে ৰাজ্য চৰকাৰে তলত দিয়া ধৰণে আঁচনি গ্ৰহণ কৰিছে।

(১) মেলেৰিয়া নিৰ্মূল আঁচনি (ক) IEC (Information Education and Communication) ইয়াৰ জৰিয়তে ৰাইজক মেলেৰিয়া সম্বন্ধে সজাগ কৰি তোলা আৰু ৰাইজৰ লগত সততে যোগাযোগ ৰখা।

(খ) প্ৰশিক্ষণ - মেলেৰিয়া সম্পৰ্কে F.T.D./D.D.C. ৰ কৰ্মকৰ্তা সকলক মাজে সময়ে প্ৰশিক্ষণ দিয়া হয় -

(গ) কাৰ্যকৰী আঁচনি সমূহ DDT ছটিওৱাৰ বাবে দল নিৰ্বাচন কৰি DDT ছটিওৱা হয় আৰু লগতে ম্যালাঠিয়ান দৰৱ মহৰ উৎপাদন ৰোধৰ বাবে ধোৱা হিচাবে ব্যৱহাৰ কৰা হয় ?

(ঘ) মহৰ কণী ধংসৰ বাবে গাপি মাছ নলা নৰ্দ্দমা সমূহত মেলি দিয়া হয়।

(ঙ) প্ৰতিখন জিলাতে জৰীপ কৰ্মী () ৰ দ্বাৰা তেজৰ নমুনা সংগ্ৰহ কৰি পৰীক্ষাৰগাৰত পৰীক্ষা কৰা হয়।

(চ) প্ৰতি বছৰে ইং জুন মাহটো মেলেৰিয়া মাহ হিচাবে পালন কৰা হয়। এই

মাহত ৰাইজৰ সজাগতাৰ বাবে বেনাৰ, প্ৰচাৰ পত্ৰিকা তথা দূৰদৰ্শন, ৰেডিও, বাতৰি কাকত আদিত প্ৰচাৰ মাধ্যমৰ যোগেদিপ্ৰচাৰ কৰা হয়। ঠায়ে ঠায়ে মেলেৰীয়া শিবিৰ পাতি সভা সমিতি পতা হয়।

(ছ) প্ৰতিখন জিলাতে আঠুৱা ক্ৰয় কৰি তাত ঔষধ মিহলাই ৰাইজৰ মাজত ঔষধযুক্ত আঠুৱা বিতৰণ কৰা হয়। আঠুৱাত বছৰি ঔষধ দুবাৰ দিয়া হয়।

**যক্ষ্মা নিৰ্মূল আঁচনি :** কেন্দ্ৰীয় চৰকাৰে ধাৰ্য্য কৰা টকাৰে নতুনকৈ সংশোধিত ৰাষ্ট্ৰীয় জিলা যক্ষ্মা কেন্দ্ৰবোৰৰ কাৰণে T. B. Unit স্থাপন কৰা হৈছে। মাইক্ৰোস্কোপ কেন্দ্ৰ স্থাপন কৰা হৈছে আৰু কিছুমান Direct Observation Treatment Centre খোলা হৈছে। লগতে জিলা ভিত্তিত যক্ষ্মা বেমাৰ নিৰ্মূল ৰ কাৰনে প্ৰচাৰ অভিযান কৰা হৈছে। যেনে Block, Public Meeting, Flock Media, Print Media আৰু Out door Publicity কৰা হয় লগতে কৰ্মচাৰী বোৰৰ কাৰণে বেতনৰ ব্যৱস্থা কৰা হয়।

(i) T. B. Unit - 61 Nos

(2) Microscopy centre - 314 Nos

(3) DOT Centres - 4789 Nos.

(৩) কুষ্ঠ ৰোগ নিবাৰণী আঁচনি : কুষ্ঠ নিবাৰণী মঞ্জুৰীৰ বিপৰীতে পোৱা টকা সমূহৰ জিলা ভিত্তিত ৰূপায়ণ কৰা আঁচনি সমূহৰ তালিকা তলত দিয়া হ'ল।

(ক) সংশোধিত কুষ্ঠ নিবাৰণী আঁচনি।

(খ) সকলো চৰকাৰী ও বেচৰকাৰী চিকিৎসালয়ত কুষ্ঠ ৰোগৰ বিনামূলীয়া বহু ঔষধীয়া চিকিৎসা ব্যৱস্থা লোৱা হৈছে।

(গ) সকলো চিকিৎসক আৰু স্বাস্থ্য কৰ্মীক কুষ্ঠ ৰোগৰ ৩ দিনীয়া প্ৰশিক্ষণ দিয়া হৈছে।

(ঘ) কুষ্ঠ ৰোগৰ বিষয়ে সকলো জিলাতে কুষ্ঠ নিবাৰণী সজাগতা অভিযান চলোৱা হৈছে।

(ঙ) সকলো জিলাৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ সমূহত বিকলাঙ্গ প্ৰতিৰোধৰ শিবিৰ পতা হৈছে।

(চ) দুৰ্গম অঞ্চলত কুষ্ঠৰোগৰ বিশেষ অভিযান (Sapel) চলোৱা হৈছে।

(ছ) কুষ্ঠৰোগী সকলৰ কাৰণে জিলা ভিত্তিত বিভিন্ন ধৰণৰ কল্যাণমূলক আঁচনি গ্ৰহণ কৰা হৈছে।

(৪) (ক) অন্ধতা নিয়ন্ত্ৰণ আঁচনি ঃ উক্ত আঁচনি সমূহৰ ভিতৰত চকু চিকিৎসাৰ গৃহ নিৰ্মাণ আঁচনিত অসম চৰকাৰে মুকলি কৰি দিয়া মুঠ ধনৰ চৰকাৰী বিধি অনুসৰি ৩৬.০০ লাখ টকাৰ আঁচনি গ্ৰহণ কৰি ব্যৱস্থা লোৱা হৈছে।

(খ) জিলা অন্ধতা নিবাৰণী সমিতিৰ ৪৫.০০ লাখ টকা জিলা অন্ধতা নিবাৰণী সমিতি সমূহলৈ আঁচনি ৰূপায়ণৰ বাবে বিহীত ব্যৱস্থাৰ বাবে প্ৰেৰণ কৰা হৈছে।

(গ) School Eye Screening আঁচনিৰ ৯.০০ লাখ টকা জিলা অন্ধতা নিবাৰণী সমিতি সমূহলৈ এই আঁচনিৰ ধন আৱণ্টনৰ প্ৰক্ৰিয়া চলি আছে।

<u>অসম স্বাস্থ্য সেৱা (পৰিয়াল কল্যাণ)</u> <u>(লাখ টকাৰ হিচাবত)</u>

| আঁচনিৰ নাম | ২০০১-০২ | ২০০২-০৩ | ২০০৩-০৪ | ২০০৪-০৫ |
|---|---|---|---|---|
| পৰিয়াল কল্যাণ আঁচনি (সাধাৰণ) | ৯৭১৯-৪৭ | ১১৬৪৭.৭২ | ৭৬৯৩.৭৪ | ৫০০৯.৪০ |
| RCH | ৯২৩.৪০ | ১৫৬.২৪ | ৭৪২.১৪ | ৬৩৯.৯২ |
| Europeon | ১৩০.০০ | ৫০.০০ | ৬১০.০০ | ১৩৫০.০০ |
| Commission | ৩০৯.২৫ | ৩১২.৮৯ | ৭৩৭.২৪ | ৬৮৮.৩৭ |
| Pulse Polio Immunisation | | | | |
| | ১১০৮২.১২ | ১২১৬৬.৮৫ | ৯৭৮৩.১২ | ৭৬৮৭.৬৯ |

পৰিয়াল কল্যাণ আঁচনিৰ অন্তৰ্গত অনুদানৰ টকা দা-দৰমহা ভ্ৰমণ বানচ, কাৰ্য্যালয় খৰচ, ঘৰ ভাড়া সাহাৰ্য্য মঞ্জুৰী, গাড়ী খৰচ, বন্ধ্যাকৰণৰ ক্ষতিপূৰণ ইত্যাদি কামৰ বাবে খৰচ কৰা হয়।

ইয়াৰ ওপৰি RCH ৰ বিপৰীতে পোৱা অনুদানৰ টকা অতিৰিক্ত ANM, Laboratory Techn. আৰু Consultant সকলৰ দৰমহাৰ বাবদ খৰচ কৰা হয়। N.G.O. বিলাকৰ বিভিন্ন স্বাস্থ্য সেৱা আঁচনি ৰূপায়নৰ বাবে খৰচ কৰা হয়।

Europeon Commission ৰ বিপৰীতে পোৱা চৰকাৰী অনুদান তলত দিয়া ধৰণে খৰচ কৰা হৈছে।

(১) অসম ভিত্তিত FRU সৱলীকৰণ।

(২) District Action Plan ৰূপায়ন কৰা।

(৩) গুৱাহাটী মহানগৰী স্বাস্থ্য সেৱা উন্নতিৰ ব্যৱস্থা কৰা।

(৪) স্বাস্থ্য কৰ্মীৰ প্ৰশিক্ষণ/ঔষধ পাতি বিতৰণৰ বাবে অসম ভিত্তিত সৱলীকৰণৰ ব্যৱস্থা কৰা ইত্যাদি।

(গ) পালচ্ পলিঅ দিৱসৰ প্ৰচাৰৰ বাবে ২০০১ ৰ পৰা ২০০৫ লৈ এতিয়ালৈকে সৰ্বমুঠ ৫,৬৪,৫১,২৫৩.০০ (পাচ কোটি চৌষষ্ঠি লাখ একাৱন্ন হেজাৰ

দুশ তেপন্ন টকা)।

চিকিৎসা শিক্ষা শিতানত পোৱা ধনৰ বিৰৰণ

| | | | |
|---|---|---|---|
| (১) অসম চিকিৎসা মহাবিদ্যলয়ৰ ডিব্ৰুগড়ৰ উন্নয়ন | ২০০২-০৩<br>২০০৩-০৪ | ৪০১.০০ | লাখ |
| (২) অসম চিকিৎসা মহাবিদ্যালয়, ডিব্ৰুগড় ৰোগ চিনাক্তকৰণ উন্নতি সাধনৰ বাবে | ২০০১-০২ | ১৫০.০০ | লাখ |
| (৩) চিকিৎসালয়ৰ আৱৰ্জনা নিষ্কাষন (তিনিওখন মহাবিদ্যালয়ৰ বাবে) | ২০০১-২০০২ | ৯০.০০ | লাখ |
| (৪) আয়ুৰ্বেদিক চিকিৎসালয় উন্নয়নৰ বাবদ | ২০০২-২০০৩<br>২০০৩-০৪<br>২০০৪-০৫ | ৩৪৪.৬৫ | লাখ |

এইদৰে নিয়ন্ত্ৰণ আঁচনি ৰূপায়নৰ বাবদ পোৱা ধনৰ বিৰৰণ

| | | |
|---|---|---|
| ২০০১-০২ | ৪৩৫.১৫ | লাখ |
| ২০০২-০৩ | ৭৩৮.৬৫ | লাখ |
| ২০০৩-০৪ | ৫১৪.৫০ | লাখ |

## বিষয় : বিশুদ্ধ খোৱাপানী যোগান আঁচনি।

**শ্ৰী পানীৰাম ৰাভাই সুধিছে :**

**৩১। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

(ক) বিশুদ্ধ খোৱাপানী যোগানৰ আঁচনি অসমত বৰ্ত্তমান কিমানটা আছে?

(খ) উক্ত আঁচনি সমূহৰ কিমানটা আঁচনি বৰ্ত্তমান বন্ধ হৈ আছে।

(গ) বৰমা সমষ্টিত উক্ত আঁচনি সমূহ বৰ্ত্তমানে বন্ধ হৈ আছে নেকি আৰু যদি আছে কি কি আঁচনি কি কাৰণত বন্ধ হৈ আছে? (আঁচনিৰ নাম সহ জনাব)

(ঘ) উক্ত বন্ধ হৈ থকা আঁচনি সমূহ জনস্বাৰ্থৰ খাটিৰত অতি সোনকালে কাৰ্য্যক্ষম কৰাৰ ব্যৱস্থা কৰিবনে?

**শ্ৰীদীনেশ প্ৰসাদ গোৱালা (মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী বিভাগ ) য়ে উত্তৰ দিছে :**

(ক) বৰ্ত্তমানলৈ অসমত ১৮৮ টা পাইপ পানী যোগানৰ আঁচনি আৰু ২০৭৬৫৫ টা Spot Source আঁচনি আছে।

(খ) বৰ্ত্তমানলৈ অসমত ৬১৯ টা পাইপ পানী যোগান আঁচনি বন্ধ হৈ আছে আৰু ২৭,৬৫০ টা Spot Source আঁচনি বন্ধ হৈ আছে।

(গ) বৰমা সমষ্টিৰ অন্তৰ্গত ২০ টা সম্পূৰ্ণ হোৱা পাইপ পানী যোগান আঁচনিৰ বিপৰীতে বৰ্ত্তমান ১০ টা আঁচনি বন্ধ হৈ আছে আৰু ১৮২৯ টা Spot source আঁচনিৰ বিপৰীতে ২৪৭ টা বন্ধ হৈ আছে। আঁচনিৰ নাম আৰু বন্ধ হৈ থকাৰ কাৰণ Annexure ত দিয়া হ'ল। (See Annexure - XIV)

(ঘ) প্ৰয়োজনীয় পুঁজি সাপেক্ষে পৰ্য্যায়ক্ৰমে কাৰ্য্যক্ষম কৰাৰ ব্যৱস্থা লোৱা হব।

## বিষয় : কাঠৰ দলংৰ অৱস্থা।

**শ্ৰীগুনীণ হাজৰিকাই সুধিছে :**

**৩২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

(ক) কলিয়াবৰ সমষ্টিত কেইখন কাঠৰ দলং জৰাজীৰ্ণ অথবা গধুৰ গাড়ীৰ যাতায়তৰ অনুপযোগী দলং আছে?

(খ) এই দলং সমূহ কেতিয়া যাতায়তৰ উপযোগী কৰি তোলাৰ ব্যৱস্থা কৰিব?

(গ) কুৰৱীটোল শিলঘাট পথৰ RCC দলং খনৰ Approach ৰাস্তাকেইটা উপৰ্য্যোপৰি বিধান সভাত আশ্বাস দিয়াৰ পাচতো সম্পূৰ্ণ নোহোৱাৰ কাৰণ কি? বৰ্ত্তমান চৰকাৰৰ কাৰ্য্যকালত এই দলং যাতায়তৰ বাবে মুকলি হ'বনে?

**শ্ৰীমতী অজন্তা নেওঁগ (গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :**

(ক) কলিয়াবৰ সমষ্টিত মুঠ ২৬ খন কাঠৰ দলং জৰাজীৰ্ণ অথবা গধুৰ গাড়ীৰ যাতায়তৰ অনুপযোগী দলং আছে।

(খ) প্ৰয়োজনীয় পুঁজিৰ আৱণ্টণ পালে এই দলং সমূহ মেৰামতি কৰি যাতায়তৰ উপযোগী কৰি তোলা হ'ব।

(গ) কামটোৰ বাবে আৱশ্যকীয় প্ৰশাসনিক মঞ্জুৰী নোপোৱাৰ বাবে কামটো সম্পূৰ্ণ কৰিব পৰা হোৱা নাই। ২০০৫ চনৰ ভিতৰত যাতায়তৰ বাবে পথটো মুকলি কৰিব পৰা যাব বুলি আশা কৰা হৈছে।

## বিষয় : পানী যোগান আঁচনি।

**শ্ৰীউৎপল দত্তই সুধিছে :**

**৩৩। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

(ক) জনস্বাস্থ্য কাৰিকৰী বিভাগৰ লক্ষীমপুৰ সংমণ্ডলত সৰ্বমুঠ পানী যোগান আঁচনি কিমান ? বিহপুৰীয়া নাওবৈচা, লক্ষীমপুৰ আৰু ঢকুৱাখানা সমষ্টিৰ অন্তৰ্গত পানী যোগান আঁচনি কিমান ? (তালিকা সহ জনাব)

(খ) উক্ত সমষ্টি সমূহৰ পানী যোগান আঁচনি সমূহ কাৰ্য্যক্ষম হৈ আছে নে ?

(গ) লক্ষীমপুৰ সমষ্টিৰ বন্ধ হৈ থকা আঁচনি সমূহ কিমান দিনৰ ভিতৰত কাৰ্য্যক্ষম হৈ উঠিব ?

(ঘ) যোৱা তিনি বছৰ আৰু ছয়মাহত কেন্দ্ৰীয় চৰকাৰৰ আবণ্টিত ধনেৰে লক্ষীমপুৰ সমষ্টিত কিমানটা নতুন পানী যোগান আঁচনি লোৱা হৈছে ?

(ঙ)যদি লোৱা হোৱা নাই তেন্তে তাৰ কাৰণ কি ?

(চ) আগন্তুক বৰ্ষত লক্ষীমপুৰ সমষ্টিত নতুন পানী যোগান আঁচনি লব নেকি ?

**শ্ৰীদীনেশ প্ৰসাদ গোৱালা (মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী বিভাগ ) য়ে উত্তৰ দিছে :**

(ক) জনস্বাস্থ্য কাৰিকৰী বিভাগৰ লক্ষীমপুৰ সংমণ্ডলৰ অধীনত মুঠ ৮৯ টা পানী যোগান আঁচনি আছে। বিহপুৰীয়া, নাওবৈছা, লক্ষীমপুৰ আৰু ঢকুৱাখানা সমষ্টিৰ আঁচনি সমূহৰ তালিকা Annexure I ত দিয়া হল। (See Annexure XV)

(খ) সমষ্টি ভিত্তিক কাৰ্য্যক্ষম হৈ থকা আৰু বন্ধ হৈ থকা আঁচনিৰ তালিকা তলত উল্লেখ কৰা হ'ল—

| সমষ্টিৰ নাম | মুঠ আঁচনি | কাৰ্য্যক্ষম | বন্ধ হৈ থকা | মন্তব্য |
|---|---|---|---|---|
| লক্ষীমপুৰ | ২৬টা | ২৩ টা | ১টা | ২টাৰ কাম আৰম্ভ কৰা হ'ব |
| নাওবৈচা | ২০টা | ১৯টা | ১ টা | ——— |
| বিহপুৰীয়া | ২৯ টা | ২৭ টা | ১ টা | ১ টাৰ কাম চলি আছে |
| ঢকুৱাখানা | ১৪ টা | ১১টা | ২টা | ১ টাৰ কাম চলি আছে |
| | ৮৯টা | ৮০টা | ৫টা | ৪টা |

(গ) প্ৰয়োজনীয় পুঁজি আবণ্টন সাপেক্ষে বন্ধ হৈ থকা আঁচনি কাৰ্য্যক্ষম কৰাৰ ব্যৱস্থা লোৱা হব।

(ঘ) যোৱা তিনি বছৰ আৰু ছয়মাহত কেন্দ্ৰীয় চৰকাৰৰ আবণ্টিত ধনেৰে লক্ষীমপুৰ সমষ্টিত নতুন পানী যোগান আঁচনি লোৱা হোৱা নাই যদিও

(১) পি, এম, জি, ৱাই আঁচনিৰ অধীনত ৰঙাজান পানী যোগান নামৰ নতুন আঁচনি লোৱা হৈছে।

(২) কেন্দ্ৰীয় চৰকাৰৰ ARP আঁচনিৰ অধীনত ১৫০ টা চিঙ্গুৰ হেণ্ড পাম্প, ৯০ টা তাৰা হেণ্ডপাম্প আৰু ৯০ টা পকী কুৱা আঁচনি লোৱা হৈছে।

(৩) প্ৰধানমন্ত্ৰী ঘোষিত আঁচনিৰ অধিনত ২২৫ টা চিঙ্গুৰ হেণ্ড পাম্প লোৱা হৈছে।

(ঙ) ১৯৯৪-১৯৯৫ চনৰ বিভাগীয় জৰীপ মতে A.R.P. ৰ অধীনত বিধিমতে নপৰে বাবে নতুন পাইপ পানী যোগান আঁচনি লোৱা হোৱা নাই যদিও ওপৰত 'ঘ'ত উল্লেখ কৰা মতে বাকী আঁচনি লোৱা হৈছে।

(চ) আগন্তুক বৰ্ষত লক্ষীমপুৰ সমষ্টিত বিভাগীয় নতুন জৰীপ মতে বিধি অনুযায়ী কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন ক্ৰমে নতুন পানী যোগান আঁচনি লোৱাৰ বাবে বিবেচনা কৰা হ'ব।

## MISCELLANEOUS

☆ **শ্ৰীদিলীপ কুমাৰ শইকীয়া** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি বি বৰুৱা কলেজখনত জুই লাগি ভষ্মীভূত হয়। এইটো এটা অতি দুখৰ বিষয়। আমিও এই দুখৰ সমভাগী হৈ সদনত এটা প্ৰস্তাৱ গ্ৰহণ কৰা ভাল হব।

☆ **শ্ৰীগুনীণ হাজৰিকা** ঃ অধ্যক্ষ মহোদয়, শিক্ষা মন্ত্ৰীয়ে এই বিষয়ত এটা ষ্টেটমেণ্ট দিব লাগে কেনেকৈ কলেজখন জলিল আৰু কেনেকৈ পুণৰ বনাব পৰা হব।

☆ **ডাঃ ভূমিধৰ বৰ্মণ (উচ্চ শিক্ষা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি সন্ধ্যা প্ৰায় ৬.৩০ বজাত ৬১ বছৰ পুৰণি বিমলা প্ৰসাদ ডাঙৰীয়াৰ দিনতে স্থাপন কৰা ৬১ বছৰীয়া পুৰণি এই কলেজখনত জুইলগাত গোটেইবোৰ ঘৰ পুৰি নষ্ট হৈ গৈছে। কেৱল কেমেষ্ট্ৰি চেকচনৰ ঘৰটো বাচি গৈছে। কিন্তু নথি পত্ৰ আৰু কিছুমান বস্তু জ্বলিছে। সেইটোও জ্বলাহলে এটা বৰ সাংঘাটিক ঘটনা হৈ গলহেঁতেন। নতুনকৈ বনোৱা ঘৰ কেইটামান বাচিছে। এই সম্পৰ্কত মই কওঁ যে এই ঘটনাৰ ফলত পুৰণি নথি-পত্ৰ আৰু পৰীক্ষাৰ প্ৰশ্ন কাকত যিবিলাক আছিল সেইবিলাক নষ্ট হৈ গৈছে। আজিৰ কাৰণে কটন কলেজত পৰীক্ষা লববৈলে দিয়া হৈছে। তাৰ পিচত কি কৰিব পৰা হয় চোৱা যাওক।

---

✻ Speech not corrected

# Zero Hour Matter

I have received as many as 11 Zero Hour Notices for today from the following Hon' Members.

1. Shri Ginindra Kr. Barua,
2. Shri Bubul Das,
3. Shri Gunin Hazarika,
4. Shri Girindra Kr. Barua,
5. Shri Prafulla Kr. Mahanta,
6. Shri Jagadish Bhuyan,
7. Shri Joseph Toppo,
8. Shri Hitendra Nath Goswami,
9. Shri Dilip Kr. Saikia,
10. Shri Bubul Das,
11. Shri Pabindra Deka,

I have selected three Zeor Hour Notices for discussion as per rules.

1. I now, call upon the Hon' Member, Shri Girindra Kr. Barua to raise his 'Zero Hour Motion which was published in the Amar Asom dated 03-03-2005 under the caption -" অন্তহীন সমস্যাৰে ভাৰাক্ৰান্ত গুৱাহাটী বিশ্ববিদ্যালয় অসমীয়া বিভাগত ১৬ জন শিক্ষকৰ দায়িত্ব পালন কৰিছে ৭ জনে।

“ বিশ্ববিদ্যালখনৰ বিত্তীয় কেলেংকাৰী তদন্ত আৰম্ভ কৰিছে চি বি আয়ে” আজি সময় কম, মুখ্য মন্ত্ৰীকো উত্তৰ দিবলৈ এঘণ্টা মান সময় লাগিব। গতিকে আপোনালোকে চমুকৈ কব।

**শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটী বিশ্ব বিদ্যালয়ত ১৯৫৭ চনৰ পৰাই এই বিদ্যালয়খনত বিত্তীয় কেলেংকাৰী হৈ আহিছে। দুৰ্ভাগ্যজনক কথা যে এই বিশ্ব বিদ্যালয়ত বৰ্ত্তমান চি বি আয়ে প্ৰৱেশ কৰিছে আৰু কেলেংকাৰী তদন্ত কৰিবলৈ আগবাঢ়িছে। বিষয়টো অতি গুৰুত্বপূৰ্ণ। এই ক্ষেত্ৰত চৰকাৰে এটা গুৰুত্বপূৰ্ণ পদক্ষেপ লব বুলি আশা কৰিছোঁ।

যোৱাকালি কৃষি বিশ্ববিদ্যালয়ৰ কথা ইয়াত আলোচনা কৰা হৈছে বিশ্ববিদ্যালয় সমূহ বা মহা বিদ্যালয় সমূহত সায়ত্ব শাসন আছে। তেওঁলোকৰ নিজা যিখিনি উপাৰ্জন হয় সেয়া তেওঁলোকৰ নিজা গতিৰ দ্বাৰা পৰিচালিত হয়। অলপতে চৰকাৰে দুখন বিশ্ব বিদ্যালয়ক এক কৌটি টকা অনুদান দিছে। সেইবাৰে যিহেতু আমি আৰ্থিক অনুদান দিওঁ, গতিকে চৰকাৰে হস্তক্ষেপ কৰাৰ অধিকাৰ থকা উচিত। সেই কাৰণে উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই কৈছে যে বিত্তীয় কেলেংকাৰী হোৱাত চি বি আয়ে তদন্ত কৰিছিল। কিন্তু চি বি আয়ে তদন্ত কৰিলে কথাটো নোলাব। গতিকে ৰাজ্য চৰকাৰে বিষয়টোৰ ওপৰত গুৰুত্ব দিব লাগে। বিত্তৰ ওপৰতে বিশ্ব বিদ্যালয় আৰু শিক্ষকৰ উন্নতি নিৰ্ভৰ কৰিছে। মই আশা কৰিছোঁ চৰকাৰে নিজা ববীয়াকৈ বিষয়টো বিচাৰ কৰিব।

অধ্যক্ষ মহোদয়, যোৱা কালিৰ আমাৰ অসম কাকতত ওলাইছে যে বাণীকান্ত কাকতিৰ দিনতে স্থাপন হোৱা এই বিশ্ব বিদ্যালয় খনত ৭ জন অসমীয়া বিভাগত কাম কৰিছিল। তেনে এখন বিশ্ব বিদ্যালয়ত হোৱা এনে বিশ্ব বিদ্যালয়ত বৰ্ত্তমান প্ৰয়োজনীয় শিক্ষক নাই। প্ৰয়োজনীয় শিক্ষক নিযুক্তি দিবলৈ বিশ্ব বিদ্যালয় অক্ষম। ইয়াতকৈ দুৰ্ভাগ্যজনক বিষয় নাই।

অধ্যক্ষ মহোদয়, চৰকাৰে বিত্ত কেলেঙ্কাৰীৰ বিষয়ে নিজাববীয়াকৈ তদন্ত কৰিব লাগে।

কেলেংকাৰীৰ বিষয়ে ইয়াত আলোচনা কৰিব বুলি আশা কৰিলো।

অধ্যক্ষ মহোদয়, সময়ৰ প্ৰতি লক্ষ্য ৰাখি চমু কৰিছো। গুৱাহাটী বিশ্ব বিদ্যালয়ৰ একজিকিউটিভ কাউন্সিলৰ এনে দুই/এজন চৰকাৰৰ মনোনীত সদস্য আছে যি কেইজন একেৰাহে ওঠৰ বিশ বছৰ একেৰাহে সদস্য হৈ আছে। এওঁলোকে বিশ্ব বিদ্যালয়ৰ দুৰ্নীতিত অৰিহণা যোগাইছে আৰু বিত্তীয় কেলেংকাৰীত জড়িত হৈ পৰিছে। এই বিলাক দিশৰ প্ৰতি চৰকাৰে চিন্তা কৰিব বুলি আশা কৰিলো। সময় কম, গতিকে দীঘলীয়া নকৰোঁ। কিন্তু গুৱাহাটী বিশ্ব বিদ্যালয়ৰ একজিষ্টিং কাউন্সিলৰ যি কেইজন মনোনীত সদস্য বিত্ত কেলেংকাৰীত বিশেষ ভাৱে জড়িত হৈ পৰিছে সেই সকলক সাল সলনি কৰিব লাগে, একেৰাহে ২৮ বছৰ সদস্য হৈ থকাৰ উদাহৰণ আছে। এই বিলাক কথা চৰকাৰে চিন্তা কৰিব বুলি আশা ৰাখিছোঁ।

ধন্যবাদ

☆ ডাঃ ভূমিধৰ বৰ্মন (স্বাস্থ্য তথা শিক্ষামন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহাশয়, ইং ০৩/০৩/২০০৫ তাৰিখে "আমাৰ অসম" নামৰ দৈনিক কাকতত প্ৰকাশিত "অন্তহীন সমস্যাৰে ভাৰাক্ৰান্ত গুৱাহাটী বিশ্ব বিদ্যালয় অসমীয়া বিভাগৰ ১৬ জন শিক্ষকৰ দায়িত্ব পালন কৰিছে ৭ জনে।" শীৰ্ষক বাতৰিটো চৰকাৰৰ দৃষ্টিগোচৰ হৈছে।

বাতৰিত প্ৰকাশিত অভিযোগ সমূহ সত্যৰ ওপৰত প্ৰতিষ্ঠিত নহয়। অসমীয়া বিভাগত মুঠ ১৫ টা মঞ্জুৰীকৃত পদ আছে। ইয়াৰ ভিতৰত ৮ জন শিক্ষকে নিয়মিত ভাৱে পাঠদান কৰি আছে। বাকী থকা ৭ টা খালীপদ পূৰণাৰ্থে ইতিমধ্যে বিজ্ঞাপন দিয়া হৈছে আৰু সাক্ষাৎকাৰৰ দিনও ধাৰ্য্য কৰা হৈছে। অহা ১৪/০৩/২০০৫ ইং তাৰিখে সাক্ষাৎকাৰৰ বাবে ইতিমধ্যে জাননী জাৰি কৰা হৈছে। অসমীয়া বিভাগৰ শৈক্ষিক দিশৰ প্ৰতি লক্ষ্য ৰাখি বিশ্ব বিদ্যালয় কতৃপক্ষই এজন অতিথি শিক্ষক (Guest Lecturer) আৰু ছয়জন অংশকালীন (Part time) শিক্ষক নিয়োগ কৰিছে। সেয়ে শিক্ষকৰ অভাৱত অসমীয়া বিভাগত পাঠদান কাৰ্য্যৰ ব্যাঘাত জন্মাৰ প্ৰশ্ন নুঠে।

গুৱাহাটী বিশ্ব বিদ্যালয়ৰ উন্নয়নমূলক কামৰ বাবে চৰকাৰৰ পৰা ২০০৩-২০০৪ বিত্তীয় বৰ্ষত ১৫০.০০ লাখকৈ টকা দিয়া হৈছে। চলিত বিত্তীয় বৰ্ষত এই অনুদান ২০০.০০ লাখ টকালৈ বৃদ্ধি কৰি আদায় দিয়াৰ ব্যৱস্থা কৰা হৈছে। সেয়ে বিশ্ববিদ্যালয় ভৱনৰ শোচনীয় অৱস্থা হোৱাৰ কোনো যুক্তি থাকিব নালাগে।

মাননীয় সদস্যজনে আজিৰ এই সদনত বৰ গুৰুত্বপূৰ্ণ প্ৰশ্ন অৱতাৰণা কৰিছে তাৰ কাৰণে মই তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো আৰু গোটেই বিষয়টো তদন্ত কৰাৰ বাবে মই তেখেতক প্ৰতিশ্ৰুতি দিছো। অধ্যক্ষ মহাশয় শিক্ষানুষ্ঠানৰ দৰে এটা পৱিত্ৰ অনুষ্ঠানত এনেকুৱা হবলৈ আমি দিব নোৱাৰো গতিকে এই বিষয়ে মই এটা তদন্ত কৰি বিহিত ব্যৱস্থা লোৱাৰ ব্যৱস্থা হাতত লম।

**Mr. Seapker :** I now call upon the Hon'ble Member, Shri Bubul Das to raise his Zero Hour Motion which was published in 'The Asomia' Pratidin dated 03-03-2005 under the caption "চৰকাৰৰ পৃষ্ঠপোষকতাতে কোটি কোটি টকাৰ কৰ ফাঁকি চি ফৰ্ম জালিয়াতিৰ নায়কক সুৰক্ষা দিছে বিত্ত বিভাগে।"

☆ শ্ৰীবুবুল দাস ঃ মাননীয় অধ্যক্ষ মহাশয়, যোৱা, ২ মাৰ্চ ২০০৫ তাৰিখৰ অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশিত বাতৰিটোৱে গোটেই ৰাজ্যখনকে জোকাৰি গৈছে।

---

* Speech not corrected

চৰকাৰৰ পৃষ্ঠপোষকতাত কোটি কোটি টকাৰ কৰ ফাকি চি ফৰ্ম জালিয়তিৰ নায়কক সুৰক্ষা দিছে বিত্ত বিভাগে। আমাৰ বিত্ত বিভাগটোৱে ৰাজ্যখনৰ বহুদিশ নিৰ্ভৰ কৰে। তাৰ উপৰিও এই বিত্ত বিভাগটোৱে এখন ৰাজ্যৰ প্ৰত্যেকটো দিশ চোৱা চিতা কৰে। তেনে ক্ষেত্ৰত এই বিভাগটোৱে যি ধৰণে কাম-কাজ কৰিবলৈ লৈছে তেনে নহ'লে আমাৰ ৰাজ্যখনৰ কাৰণে অতি দুৰ্ভাগ্যজনক। অধ্যক্ষ মহাশয়, য'ত নেকি কোটি কোটি টকাৰ কাৰণে ঘাইকৈ মুখ্যমন্ত্ৰীক জগৰীয়া কৰা হৈছে। তেনে ক্ষেত্ৰত মই এই পবিত্ৰ সদনত মাননীয় মুখ্যমন্ত্ৰী মহাশয়ৰ পৰা এটা স্পষ্টীকৰণ বিচাৰিছো আৰু গোটেই বিষয়টো ৰাজ্যখনৰ স্বচ্ছ আৰু নিকা প্ৰশাসনৰ লগত জড়িত হৈ আছে। অধ্যক্ষ মহাশয়, মই এই বিষয়টো অতি গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰি আজিৰ এই বিধান সভাত এটা মাননীয় মুখ্যমন্ত্ৰী মহাশয়ৰ পৰা এটা বিবৃতি বিচাৰিছো। অসমৰ বিভিন্ন কাকতে-পত্ৰে এইটো কথা ওলাই পৰিছে যে কোটি কোটি টকাৰ জালিয়াতিৰে বিত্ত বিভাগক আঘাত হানিছে। আমাৰ ৰাজ্যখনৰ উন্নয়নমূলক কাম-কাজৰ লগত এই বিত্ত বিভাগটোৱে গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে। এষাৰ কথা আছে চাৰ, সেই ৰামো নাই আৰু অযোধ্যাও আজি নাই। এই বিষয়টোৱে ঘাইকৈ মুখ্যমন্ত্ৰী মহাশয়কে জগৰীয়া কৰা হৈছে। স্বচ্ছ নিকা প্ৰশাসনৰ যদি এইটোৱে নমুনা হয় তেনেহলে আমাৰ ৰাজ্যখনৰ উন্নয়নমূলক কামৰ বাবে হেঙাৰ স্বৰূপ হৈ ৰব। **(Hon'ble Member, Sarbashri Bubul Das, Hitendra Nath Goswami and Shri Girindra Kumar Baruah of AGP staged walk out in protest.)**

✯ **শ্ৰীহিমন্ত বিশ্ব শৰ্মা (ৰাজ্যিক মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহাশয়, কোটি কোটি টকাৰ জালিয়াতিৰে পেপাৰত যিটো কথা ওলাইছে আৰু মাননীয় সদস্যজনে যিটো প্ৰশ্ন অৱতাৰণা কৰিছে আৰু উত্তৰ দিবলৈ নাপাওতেই অসম গণ পৰিষদৰ বিধায়কসকলে সদন কক্ষ ত্যাগ কৰি যোৱাটোৱে কি সূচাইছে সেইটো আপোনালোকে নিশ্চয় উপলব্ধি কৰিছে। অধ্যক্ষ মহাশয়, যিটো ঘটনা অসম গণ পৰিষদ চৰকাৰৰ দিনৰ পৰাই আৰম্ভ হৈছিল আৰু উত্তৰ দিব নাপাওতেই তেওঁলোকে আজি সদন কক্ষ ত্যাগ কৰাটো অতি দুৰ্ভাগ্যজনক কাৰণ হয়তো এই বৃহৎ কেলেংকাৰীত তেওঁলোকো জড়িত আছিল। অধ্যক্ষ মহশয়, আজিৰ এই পবিত্ৰ সদনত মই জনাবলৈ পাই সুখী হৈছো যে এই চি ফৰ্ম জালিয়াতিৰ পোহৰলৈ অহাৰ পিছত আমাৰ বিত্ত বিভাগৰ দ্বাৰা তদন্ত কৰি প্ৰায় ১৬ কোটি টকা সংগ্ৰহ কৰিবলৈ বাধ্য হৈছো। এই চি ফৰ্ম জালিয়াতিৰ বিষয়টোৱে যোৱা

✱ Speech not corrected

বিধানসভাতো ওলাইছিল আৰু তেতিয়াৰ পৰাই এই বিষয়ত মই আৰু বিত্ত বিভাগৰ কৰ্মচাৰীৰ দূৰদৰ্শিতাৰ কাৰণে আমি লাভবান হৈছো। অধ্যক্ষ মহাশয়, এই জালিয়াতিৰ কাৰণে পাঞ্জাব, হাৰিয়ানা আদি ঠাইৰ ব্যৱসায়িক গোষ্ঠী জড়িত থকাৰ প্ৰমাণ পোৱা গৈছে আৰু তাক ক্ষীপ্ৰ কৰি আগুৱাই নি সেই জালিয়াতি ধৰা পেলাবলৈ বিত্ত বিভাগটোৰে সক্ষম হৈছে। মাননীয় অধ্যক্ষ মহাশয়, দুই তিনিটা প্ৰতিষ্ঠানে ইতিমধ্যে উচ্চ ন্যায়ালয়ৰ কাষ চাপিছে আৰু তাক ৰোধ কৰাৰ বাবে আমাৰ বিত্ত বিভাগটোৰে অহৰহ চেষ্টা অব্যাহত ৰাখিছে। চি ফৰ্মৰ জালিয়াতিৰ এইটো আজিৰ ঘটনা নহয় চাৰ। এইটো বহু পুৰণা আৰু আমাৰ চৰকাৰে এই ক্ষেত্ৰত এটা দৃঢ় পদক্ষেপ লৈ আগবাঢ়িছে যাৰ ফলত আমাৰ ৰাজ্যখনে ১৬ কোটি টকাৰ ৰাজহ সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে। অধ্যক্ষ মহাশয়, এনেকুৱা বৃহৎ কেলেংকাৰীত কোন কোন জড়িত থাকিব পাৰে আৰু কোন কোন থাকিব নোৱাৰে আজিৰ সদনত থকা মাননীয় সদস্যসকলে নিশ্চয় উপলব্ধি কৰিব পাৰিছে। মাননীয় অধ্যক্ষ মহাশয়, আপোনালোকক জনাবলৈ পাই সুখী হৈছো যে বিত্ত বিভাগত এটা ট্ৰাৰ্চ ফৰ্চ গঠন কৰা হৈছে। এই ট্ৰাৰ্চ ফৰ্চৰ গঠনৰ দ্বাৰা বিত্ত বিভাগৰ ক'ত ক'ত কি দৰে কেলেংকাৰী হৈ আছে সকলো বিলাক ধৰা পৰিব।

**Mr. Seapker :** I now, call upon the Hon'ble Member, Shri Hitendra Nath Goswami & Shri Dilip Kumar Saikia to raise their Zeor Hour Motion which was published in 'The Sentinel' dt. 01-03-05 under the caption : "State Exchequer drained Mafia holds way in Margherita Coal Belt."

They are not present.

## Call Attentioned Notice

**Mr. Seapker :** Now, Item No. 2. Shri Dilip Kr. Saikia to call the attention of the Minister Home, under Rules 54 of the Rules of Procedure and conduct of bussiness in Assam Legislative Assembly to the news item appearing in the 'Pratidin' dt. 13th Feb. '05 under the caption– "এবছৰত কাছাৰত ৫৩৮ মহিলা অপহৃত-শিলচৰত সুনন্দাৰ জাকজমকীয়া বৰ্ষপূৰ্তি।"

He is absent.

## Matter Under Rule 301

**Mr. Seapker :** Now, item No.3. Shri Rameswar Teli to draw the attention of the Minister, Mines & Minerals by raising the matter under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Lesgislative Assembly to the news item appearing in the 'Pratidin' dt. 19-02-05 under the caption: "মাৰ্ঘেৰিটাত ১২ টা অবৈধ কয়লা ডিপো জব্দ - গ্ৰেপ্তাৰৰ আশংকাত ভীত সন্ত্ৰস্ত কয়লা ব্যৱসায়ী।"

He is absent.

## DEBATE ON THE MOTION OF THANKS ON THE GOVERNOR'S ADDRESS

**Mr. Seapker :** Now, Item No. 4. Debate on the Motion of Thanks on the Governor's Address. Hon'ble Member, Shri Premodhar Bora.

* **শ্ৰীপ্ৰেমধৰ বৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত বিতৰ্ক চলি আছে। মই মাননীয় সদনৰ বেছি সময় নলও মাত্ৰ কেইমিনিটমানতে চমুকৈ কম।

(ভইচ ঃ মই সুবিধা কৰি দিছো কাৰণে পাব আপুনি)

আমাৰ ৰাজ্যপালৰ ভাষণ গতানুগতিক সাংবিধানিক ব্যৱস্থাত তেখেতে ভাষণ প্ৰদান কৰা কৰণে নিশ্চয় ধন্যবাদৰ পাত্ৰ। চল্লিশ পৃষ্ঠাৰ ভাষণ এখন প্ৰায় ডেৰ ঘণ্টা সময় থিয় হৈ পঢ়ি দিয়াৰ কাৰণে ধন্যবাদ। আমি আতিথ্য পৰায়ণ মানুহ। আমাৰ অসমৰ বেলিকা এই আতিথ্য পৰায়ণতাৰ এটা ঐতিহ্য আছে। অসমীয়া মানুহ আতিথ্য পৰায়ণ হিচাপে আমাৰ ফালৰ পৰা তেখেতক ধন্যবাদ জনাইছো। আমাৰ অসমৰ মূল সদস্য হিচাপে নিবনুৱা সমস্যা ভয়াবহ হৈ পৰিছে। আমি আজি চাৰি বছৰে চৰকাৰী কাৰ্য্যসমূহৰ ওপৰত চোকা নজৰ ৰাখিছো মাননীয় মুখ্যমন্ত্ৰী গগৈ ডাঙৰীয়াৰ মন্ত্ৰীসভাৰ বিভিন্ন কাম কাজৰ ওপৰত। অৱশ্যে আগৰ ওঠৰ বছৰ ধৰি প্ৰশাসনৰ যিটো ডিকনাইন ট্ৰেড সেইয়া মাত্ৰ চাৰি বছৰতে সংশোধন কৰা সম্ভৱ নহয়। ১৯৮৩ চনৰ পৰা এইটো চলিছে। আমি সকলোৱে সেই চৰকাৰক অবৈধ চৰকাৰ বুলি কৈছিলো। তাৰ পিচত যিবিলাক চৰকাৰ হ'ল তেতিয়া সিমান নষ্ট হোৱা নাছিল। সেই সময়ছোৱাত

---

* Speech not corrected

ৰাজনৈতিক নেতৃত্বৰ বহুখিনি ভুলৰ কাৰণে প্ৰায় বাইশ কোটি টকা বাজেট বহিৰ্ভূত খৰচ কৰিছিল। মাত্ৰ চাৰি বছৰতে আগৰ ওঠৰ বছৰৰ কথা বিলাক সম্পূৰ্ণ ভাবে শুদ্ধ কৰা সম্ভৱ নহয়। তথাপি হোহোকা পিচলা কৰি চলি আছে। কিছু ক্ষেত্ৰত দৃঢ়পদক্ষেপ লবলগীয়া হৈছে। কোনো কোনো ক্ষেত্ৰত ভাল হৈছে যদিও কোনো কোনো ক্ষেত্ৰত অলপ অধোন্নতিও দেখা গৈছে। যিবিলাক ভাল কাম হৈছে সেই বিলাক ভাল বুলিয়েই কব লাগিব। নোহোৱা বিলাক নোহোৱা বুলিয়েই কব লাগিব। কিন্তু আমাৰ ইয়াত যেতিয়া এজিপি চৰকাৰ আছিল তেতিয়া কেন্দ্ৰত থকা এন ডি এ চৰকাৰৰ লগত এটা বুজাবুজিৰ চুক্তি কৰিছিল আৰু সেই চুক্তিৰ কাৰণেই বহুত চৰকাৰী চাকৰিয়াল অৱসৰ পোৱাৰ পিচতো সেই পদ বিলাক পূৰণ কৰিব পৰা হোৱা নাই। হাইস্কুল, প্ৰাথমিক স্কুল, মজলীয়া বিদ্যালয়, মহাবিদ্যালয় সমূহত যথেষ্ট সংখ্যক পদ খালি হৈ আছে। আনুমানিক প্ৰায় ত্ৰিশ হাজাৰ আগৰ দৰমহা পোৱা পদেই খালি হৈ পৰি আছে। তাৰ উপৰিও পোন্ধৰ হাজাৰ প্ৰায় শিক্ষক-শিক্ষয়িত্ৰীৰ পদ খালি হৈ আছে। আগৰ চৰকাৰৰ দৰমহা পোৱা প্ৰায় পঞ্চল্লিশ হাজাৰ লোক কম হৈ আছে। আজি দৰমহা আৰু পেঞ্চন নোহোৱা পৰিস্থিতিৰ উদ্ভৱ হৈছে। ঋণৰ বোজা কমি আহিছে। এইটো সঁচা কথা। কিন্তু পঞ্চল্লিশ হাজাৰ কৰ্মচাৰী নোহোৱা হৈছে। আজি চাৰি বছৰ ধৰি কৰ্মচাৰী সংকোচন নীতি চলি আছে। সেই কাৰণে ৰাজ্যখনৰ শাসন ভাৰ চলোৱা দল মত নিৰ্বিশেষে সেই সময়ত কেন্দ্ৰীয় চৰকাৰৰ লগত যিখন বুজা-বুজিৰ চুক্তি কৰিছিল সেই এম ও ইউ চুক্তিখন মাননীয় তৰুণ গগৈ ডাঙৰীয়াৰ মন্ত্ৰী সভাই উঠাই লবলৈ প্ৰস্তাৱ কৰিব লাগে। তেতিয়াহে আমাৰ নিবনুৱা সকলৰ মাজৰ পৰা খালি হৈ থকা আগৰ চৰকাৰৰ দিনত দৰমহা পাই থকা পঞ্চল্লিশ হাজৰ পদৰ দ্বাৰা নতুন প্ৰজন্মই কৰ্মসংস্থাপন পাব। দ্বিতীয় কথা হ'ল এই সকল লোক শিক্ষাৰ লগত জড়িত। খেতিয়ক সকলে খেতি কাৰ্য্য চলাই আছে। স্ব স্ব ক্ষেত্ৰত সকলোৱে কাম কৰিব লাগে। কিন্তু আমাৰ যোৱা ২২, ২৩, ২৪, ২৮ বছৰ ধৰি বহুত ভেন্সাৰ স্কুল এতিয়াও ভেন্সাৰ হৈয়েই আছে। এই বিলাক চৰকাৰীকৰণ কৰা হ'লে কেইহাজাৰমান শিক্ষকৰ পদ নিয়মীয়া হব বুলি আশা কৰিব পাৰি। চৰকাৰে বিধান সভাত এইটো সৰ্বসন্মত প্ৰস্তাৱ লোৱাৰ মই পক্ষপাতী। এইটো চৰকাৰৰ ওচৰত অনুৰোধ ৰাখিলো। কোনো ৰকমে দিন ভিক্ষা প্ৰাণ ৰক্ষা কৰাৰ কাৰণে তেওঁলোকক সুবিধা দিব লাগে। দহ কোটি টকাৰ পৰা কলেজ এখন লোৱাৰ টকাৰে অন্ততঃ দহখন ভেন্সাৰ স্কুল লব পৰা হ'ব। হাইস্কুল এখন আৰু এম ই স্কুল চাৰিখন লব পৰা হব। এনেকুৱা পিৰামিড নীতি গ্ৰহণ কৰিব লাগে। অন্ততঃ শিক্ষা

বিভাগৰ ক্ষেত্ৰত। এই ভেন্সাৰ স্কুল বিলাকৰ কাৰণে গোটেই অসমতে সমস্যাৰ সৃষ্টি হৈছে। বহুতো বিদ্ৰোহী সংগঠনৰ গাঁৱে ভূঞে আৱিৰ্ভাৱ হৈছে। এই বিলাক কামৰ কাৰণে বেছি পইচাৰ প্ৰয়োজন নাই। বুনিয়াদী আঁচনি দিব পাৰিছে। বাজেট এক্সচেচ হৈছে ভাল হৈছে। ৰাজ্যখনৰ পৰিস্থিতিও কিছু স্বচ্চল হৈছে। সেই কাৰণে প্ৰাইমাৰী ইডুকেশ্বনৰ ওপৰত গুৰুত্ব দিব লাগে। মই আৰু বেছি কথা কৈ আমনি দিব বিচৰা নাই। নিযুক্তিৰ ক্ষেত্ৰত অলপ সুবিধা কৰিব লাগে। প্ৰাথমিক স্কুলৰ শিক্ষাকে মূল হিচাপে ধৰা হয় কাৰণেই গুৰিৰে পৰা কাম হাতত লবলৈ ব্যৱস্থা লব লাগে। ৰিটায়াৰ হোৱা লোকসকলৰ ঠাইত নতুন লোক নিয়োগ কৰাৰ ব্যৱস্থা লব লাগে। এই বছৰ যদি শতকৰা পঞ্চাশ ভাগ লোৱা হয় অহা বছৰৰ কাৰনে পঞ্চাশ ভাগ লব পৰা হ'ব। তেতিয়া ভাল হব। নিবনুৱা সকলৰ কাৰণে এটা পৰামৰ্শ দিব মই আগবঢ়াব খোজো নিবনুৱা যুবক সকলৰ কাৰণে মই এটা পৰামৰ্শ দিব বিচাৰিছো। সেইটো হ'ল আমাৰ অসমত সমবায় বিভাগৰ অধীনত বহুতো মাৰ্কেটিং চোচাইটি পৰি আছে আৰু বহুত বিল্ডিং ঘৰ আছে সেই বিলাকত নিবনুৱা যুৱক সকলক ইনক্লুড কৰি কৰ্ম সংস্থান দিব পাৰিলে ভাল হব। অসম এন. ই, চি ৰ এখন বিশেষ ৰাজ্য। আমাৰ অসমৰ ৰাজ্যপাল জন হৈছে এন, ই, চি ৰ অধ্যক্ষ। অধ্যক্ষ মহোদয়, মই আজি আপোনাৰ জৰিয়তে ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰণ কৰাৰ কাৰণে তাৰ ওপৰত কেইখনমান দলং নিৰ্মাণ কৰাৰ অনুৰোধ কৰিছো। এই দলং বিলাক নিৰ্মাণ কৰিলে তাৰ গাইড বান্ধ বিলাকে ইৰোচন বন্ধ কৰিব। আমাৰ যিবিলাক চুবুৰীয়া ৰাজ্য আছে এসময়ত সেই ৰাজ্য বিলাক অসমৰ আছিল আৰু ৰাজ্য বিলাক ভাগ হোৱাৰ পিছত মিজোৰাম, নগালেণ্ড আদি সেই ৰাজ্য বিলাকৰ উপনদী বিলাকৰ পৰা পানী অসমৰ ব্ৰহ্মপুত্ৰ আৰু বৰাকত পৰিছে। গতিকে ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত কেইখন মান দলং দিলে যিবিলাক ঠাইত সেই দলং বিলাক নিৰ্মাণ কৰা হয় সেই ঠাই বিলাকত ইৰোচন বন্ধ হব। গতিকে ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰণ কৰাৰ কাৰণে এন, ই চি ৰ ফালৰ পৰা দৃঢ় পদক্ষেপ লোৱাৰ কাৰণে মই আপোনাৰ জৰিয়তে অনুৰোধ জনাইছো। আজি ডিব্ৰুগড় ভোমোৰাগুৰি দলং নিৰ্মাণ কৰা হৈছে সেইটো ভাল কথা। মাজুলি আৰু যোৰহাটক সংযোগ কৰি আৰু এখন দলং নিৰ্মাণ কৰিলে মাজুলি গড়াখহনীয়াৰ পৰা ৰক্ষা পৰিব। ভোমোৰাগুৰি আৰু দলগাঁওৰ মাজত এখন দলং নিৰ্মাণ কৰিলে পৰ্য্যটনৰ বিকাশ হোৱাৰ লগতে বেহা বাণিজ্যৰ ক্ষেত্ৰত সফলতা লাভ কৰিব পাৰিব। ঠিক তেনেদৰে নৰনাৰায়ণ সেতু আৰু শৰাইঘাটৰ মাজত বঙ্গাইগাঁওতএখন দলং নিৰ্মাণ কৰিলে সেই ঠাইৰ গড়াখহনীয়া ৰোধ

হ'ব। এখন দলং নিৰ্মাণ কৰিবলৈ ১৫০০ কোটি টকা লাগে। দলং নিৰ্মাণৰ কাৰণে যিখিনি টকাৰ প্ৰয়োজন সেইখিনি টকা ফৰেইন এজেন্সিৰ পৰাও আনিব পাৰে। তাৰ কাৰণে ইউ, এন, অ ৰ ওচৰতো প্ৰস্তাৱ দিব পাৰে। গতিকে এনেকুৱা ধৰণৰ পৰিকল্পনা বিলাক হাতত লব লাগে। আমি ব্ৰহ্মপুত্ৰ নৈখন গুছাব নোৱাৰো। বিধান সভাত প্ৰস্তাৱ ললেই ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰণ কৰিব পৰা নাযায় আৰু বানপানীৰ সমস্যা সমাধান নহয়। আমি সস্তীয়া ৰাজনীতি কৰি প্ৰস্তাৱ লৈ থাকিলেই নহ'ব। এই ক্ষেত্ৰত আমি আন্তৰ্জাতিক কথাতোও চাব লাগিব। চীন, বাংলাদেশ আৰু ভাৰতবৰ্ষ অসমক জড়িত কৰি এই ক্ষেত্ৰত ইউ, এন, অ ৰপৰা প্ৰস্তাৱ দিব পাৰে। সেই কাৰণে আমাৰ অসম খন বানপানী আৰু গড়াখহনীয়াৰ পৰা ৰক্ষা কৰিব লাগিলে কেইখনমান দলং নিৰ্মাণ কৰিব লাগিব। কেইখনমান দলং নিৰ্মাণ কৰিলে বানপানী আৰু গড়াখহনীয়াৰ পৰা আমাৰ অসমখন ৰক্ষা পৰিব। এইটো মই প্ৰস্তাৱ দিছো। অলপতে আমাৰ মাননীয় মুখ্যমন্ত্ৰী, মাননীয় মন্ত্ৰী ভৰত চন্দ্ৰ নৰহ আৰু হিমন্ত বিশ্ব শৰ্মা লক্ষীমপুৰত অনুস্থিত হোৱা গণ অভিৱৰ্তনত উপস্থিত আছিল। সেই গণ অভিৱৰ্তনত জাতি বৰ্ণ, ধৰ্ম নিৰ্বিশেষে বিভিন্ন সম্প্ৰদায়ৰ বহুত মানুহ উপস্থিত আছিল। সেই গণ অভিবৰ্তনত লক্ষীমপুৰ, মাজুলি আৰু যোৰহাটৰ কাৰণে পেকেজ দাবী কৰিছে। বানবিধস্ত অঞ্চল লক্ষীমপুৰ, ধেমাজি, মাজুলি, লক্ষীমপুৰ আৰু যোৰহাট গণ অভিবৰ্তনত কেইটামান গঠন মূলক প্ৰস্তাৱ লোৱা হৈছিল। সেই প্ৰস্তাৱ বিলাক আমাৰ ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে বিবেচনা কৰিলে আমাৰ পিচ পৰা বানবিধস্ত জিলা কেইখনৰ উন্নতি হব। এই কথাখিনি ৰাজ্যপালৰ ভাষণত অংশগ্ৰহণ কৰি মই উল্লেখ কৰিছো। মইআৰু দীঘলীয়া নকৰো। এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Seapker :** Now, Hon'ble Member, Shri Ranjit Dutta.

**শ্ৰীৰণজিৎ দত্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণ ইয়াত পাঠ কৰা হ'ল আৰু ৰাজ্যপালৰ ভাষণত আইন শৃঙ্খলাৰ উন্নতি হৈছে বুলি লিখিছে। যোৱাকালি আমাৰ শাসক দলৰ বিধায়ক হেমন্ত তালুকদাৰ ডাঙৰীয়াই ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱত কৈছিল আমাৰ চৰকাৰৰ দিনত উন্নয়ন মূলক কাম হৈছে। চৰকাৰে উন্নয়নৰ ঢোলহে বজাইছে। কিন্তু সেই ঢোলৰ লগত কোনো নাচনি নাই আৰু কোনো পেপাও নাই। অকল ঢোলহে বজাইছে। আইন শৃঙ্খলাৰ উন্নতি হৈছে বুলি কৈছে। অসমত কিমানখিনি আইন শৃঙ্খলাৰ উন্নতি হৈছে আমি সকলোৱে গম পাইছো। ২৬ জানুৱাৰী আৰু ১৫ আগষ্ট এই দুটা দিনত অসমৰ

চৌদিশে আমি বোমা বিস্ফোৰণ হোৱাৰ কথা শুনিবলৈ পাইছো আৰু দেখিবলৈ পাইছো। যোৱা ২৬ জানুৱাৰীৰ দিনাখন ৰাজ্যপাল আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ উপস্থিতিতেই জৰ্জ খেল পথাৰত বোমা বিস্ফোৰণ হৈছিল। জানুৱাৰী মাহত একেলেঠাৰিয়ে ধুবুৰীৰ পৰা শদিয়ালৈ বোমা বিস্ফোৰণ হৈছে। গতিকে ইয়াত কিমানখিনি উন্নতি হৈছে অসমৰ ৰাইজে গম পাইছে। আজিৰ 'আজি' বাতৰি কাকতখনত 'সোণাপুৰৰ ধাবাত তিনিজন গ্ৰাহক, চেকেণ্ড শ্ব চিনেমা চাইছে ৬ জনে' এই শীৰ্ষক বাতৰি এটা প্ৰকাশ পাইছে। আজিৰ পৰা দুমাহ মান আগতে কংগ্ৰেছৰ শাসন কালত ৰাজ্যৰ আইন শৃঙ্খলাজনিত পৰিস্থিতিৰ কথা উঠিলেই মুখ্যমন্ত্ৰী গগৈয়ে পোনছাতেই সোনাপুৰৰ ধাবা আৰু মহানগৰীৰ ছবি গৃহলৈ আঙুলি টোৱাইছিল। কিন্তু আজি সোনাপুৰৰ ধাবাত কোনোও ৰাতি ভাত খাবলৈ নাযায়, চিনেমা হলত কোনেও ফাৰ্ষ্ট শ্ব, চেকেণ্ড শ্ব চাবলৈ নেযায়। মুখ্যমন্ত্ৰী মহোদয়ে দুমাহ মান আগতে চেকেণ্ড শ্ব চিনেমা চাবলৈ যোৱাৰ কথাও কৈছে। কিন্তু এতিয়া চেকেণ্ড শ্ব চোৱাতো চোৱাতো দূৰৰ কথা মেটিনী শ্ব চাবলৈও দৰ্শক নেযায়।

মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ ৰাজ্যখনৰ কিমান উন্নয়ন হৈছে আমি দেখা পাইছো। মাননীয় মুখ্যমন্ত্ৰীক ধন্যবাদ জনাইছো যে তেখেতে নগালেণ্ডক ১ ইঞ্চি মাটিও এৰি নিদিও বুলি কৈছে। মই এটা কথা সুধিব বিচাৰিছো যোৱা ৫ মাৰ্চত বিহালী সমষ্টিত বগীজুলি অসম অৰুণাচলৰ বৰ্ডাৰ। ইয়াতেই বৰো, কাৰ্বি, চাওতালী আদি জনজাতীয় লোকসকল বসবাস কৰে। তেওঁলোকৰ ঘৰ জ্বলাই দিয়া হৈছে। সৰ্ব শিক্ষাৰ স্কুলঘৰ জ্বলাই দিয়া হৈছে। বেদখলকাৰীক উচ্ছেদ কৰা কাৰণে আমি ভাল পাইছো। কিন্তু প্ৰশাসনে আমাৰ মানুহখিনিক কিয় ইভিকচন কৰিলে। তালৈ যাওতে কলে যে কাৰ ঘৰ ভাঙিব লাগে কাৰ ঘৰ ভাঙিছে। বেদখলকাৰীৰ ঘৰ ভাঙিব লাগে আমাৰ ঘৰ কিয় ভাঙিছে। আমাৰ অসমৰ বাতৰিত ওলাইছে তাত অৰুনাচলৰ বাঙ্কাৰ আৰু পুলিচ চকী স্থাপন কৰিছে। অসম অৰুনাচলৰ সীমাৰ ১০ কিলোমিটাৰ ভিতৰত সোমাই অসমৰ মাটিত তেওঁলোকে বসবাস কৰিছে। অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে কিয় ভয় খাইছে। আমাৰ খিলঞ্জীয়া মানুহৰ ঘৰ জ্বলাই দিয়া হ'ল। অসম চৰকাৰৰ এয়ে আইন শৃঙ্খলা পৰিস্থিতি। যোৱা ৩ অক্টোবৰত বিহালী সমষ্টিৰ গেলাপুখুৰীত তিনিজনৰ মৃত্যু হৈছিল। তালৈ মাননীয় গৃহ মন্ত্ৰী ডাঙৰীয়াও গৈছিল। ময়ো

আছিলো। মাননীয় মন্ত্ৰীয়ে ৪৫ দিনৰ ভিতৰত ২/৩ লাখ টকালৈ ক্ষতিগ্ৰস্ত সকলক দিয়াৰ কথা কৈছিল। কিন্তু সেই টকা আজিলৈকে দিয়া হোৱা নাই। গৃহ মন্ত্ৰীয়ে ঘোষণা কৰিছিল টকা দিম বুলি। এতিয়া মই মুখ্য মন্ত্ৰীক অনুৰোধ কৰিব বিচৰিছো যাতে উক্ত ঘোষণা কৰা টকাতো সোনকালে ৰিলিজ কৰাৰ ব্যৱস্থা কৰে। অসম অৰুণাচল সীমান্তৰ কথা যোৱা বিধান সভাতো কৈছিলো। অসমৰ মানুহ তালৈ অৰুণাচললৈ গলে টেক্স লয়। অৰুণাচলৰ পুলিচে আমাৰ মানুহক ধৰি কয় আপোনালোক ক'ত আছে। আমাৰ মানুহে কয় আমি অসমত আছো। আমাৰ মানুহে সেই বিলাক কথা কলে অৰুণাচলৰ পুলিচে মাৰপিত কৰে।

অধ্যক্ষ মহোদয়, ১ ইঞ্চি মাটিও যদি আমি এৰি নিদিও তেন্তে এই ক্ষেত্ৰত পদক্ষেপ লব লাগে। সীমান্ত এলেকাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে বহুটো টকা দিছে। কিন্তু কাম কি হৈছে। দুৰ্নীতি ইমান হৈছে যে কাম একো হোৱা নাই। টিভিত দেখুৱাইছে মন্ত্ৰীয়ে কৈছে বিভিন্ন আঁচনিত উপকৃত হৈছে। এটা কথাত উপকৃত হৈছে। কোনোবাই চাইকেল এৰি মটৰ চাইকেল লৈছে। এইবোৰ ব্যক্তিগত উন্নতি সামগ্ৰীক উন্নতি নহয়। আৰু এটা কথা এটা ৰাস্তা পঞ্চায়তেও ধৰে আৰু জিলা পৰিষদেও ধৰে। (ভইচ আমাৰ সমষ্টিত হোৱা নাই) আপোনালোকৰ সমষ্টিত নহব পাৰে মোৰ সমষ্টিত হৈছে। ডি, চি, পিডি য়ে অভিযোগ কৰিছে। কোনেও কাৰো কথা নুশুনে। বাননিয়ন্ত্ৰণ বিভাগৰ এটা কব বিচাৰিছো। মাননায় মন্ত্ৰী মহোদয় আছে। তেখেতক এটা অনুৰোধ কৰিব বিচাৰিছো মোৰ সমষ্টি গাংমৌথান বান প্ৰতিৰোধৰ কাৰণে ১ কোটি ৭০ লাখ টকা ধাৰ্য্য কৰা হৈছিল। তাত টেণ্ডাৰ কল হৈছে। কিন্তু ১ কোটি কাৰি ৯০ লাখ টকাহে দিছে। মই এটা কথা বিশেষ ভাৱে অনুৰোধ কৰিব বিচাৰিছো যে বিহালী সমষ্টিত শঙ্কৰদেৱৰ গাংমৌ থান আছে। সেই থানখন ৰক্ষা কৰাৰ কাৰণে ১ কোটি ৭০ লাখ টকা দিবৰ কাৰণে টানি অনুৰোধ কৰিছো। শেষত ৰাজ্যপাল মহোদয়ৰ ভাষণত সন্তুষ্ট নহয় আৰু তাৰ বিৰোধিতা কৰি মোৰ ভাষণ সামৰিছো।

**Mr. Seapker :** Now, Smti. Pramila Rani Brahma.

*** শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম ঃ মাননীয়** অধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণৰ ওপৰত মই কিছু বক্তব্য ৰাখিব বিচাৰিছো। মই সমালোচনা কৰো নে নকৰো সেইটো মই কব নোৱাৰো। নাইবা সমৰ্থনো নকৰো। ৰাজ্যপাল ডাঙৰীয়াই অসমত আইন শৃঙ্খলাৰ উন্নতি হোৱা বুলি কৈছে। মই এই কথাটো একেবাৰে সমৰ্থন নকৰাকৈ নাথাকো। বিৰোধী সদস্য সকলে কৈছে আইন শৃঙ্খলা উন্নত

* Speech not corrected

হোৱা নাই। এই ক্ষেত্ৰত আমি এটা কথা স্বীকাৰ কৰিব লাগিব যে আগৰ চৰকাৰৰ দিনৰ পৰিস্থিতি এতিয়া নাই। কিন্তু একেবাৰে নোহোৱাও নহয়, দুই এটা ঘটনা ঘটিছে। যোৱা আগষ্ট মাহত ধেমাজীত বোমা বিস্ফোৰণ হৈছিল এইটো এটা আইন শৃঙ্খলাজনিত ঘটনা, সকলোৱে স্বীকাৰ কৰিব লাগিব। এই ঘটনাত যিসকল দোষী তেওঁলোকক শাস্তি দিয়ক। এইটো এটা নিদৰ্শন হওঁক, চৰকাৰৰ আদৰ্শ হওঁক। পিচৰ চৰকাৰেও যাতে সেই আদৰ্শ লয়। বড়ো ভাষাত এটা কথা আছে .......... ইয়াৰ মানে আনৰ কাৰণে বেয়া হলেও আমাৰ কাৰণে ভাল। এ, জি, পি, দলৰ সদস্য সকলে বেয়া পাব নেলাগে। তেওঁলোকৰ লগতো আমি আছিলো। তেওঁলোকে চৰকাৰ গঠন কৰিছিল। আমি বিৰোধীতা কৰা নাছিলো। এতিয়া কংগ্ৰেছ দলে চৰকাৰ গঠন কৰিছে, আমি সমৰ্থনো কৰা নাই বা বিৰোধীতাও কৰা নাই। এ, জি, পি, চৰকাৰৰ দিনত বি, এ, চি, ৰ কাৰণে বাজেট দিছিল ২৬.৩০ কৌটি টকা। কিন্তু এই টকা গ্ৰেণ্ট এইড হিচাবেহে আৱণ্টন দিছিল। সেই টকা ৰিলিজ কৰি নিদিলে। পাচ বছৰ ধৰি টকা নাপালো। এই চৰকাৰৰ দিনত আমি টকা পাইছো, যিমান বিছাৰিছিলো সিমান পোৱা নাই। আমি ৮৪ কৌটি টকা বিচাৰিছিলো, কিন্তু ৫৪ কৌটি টকাহে আৱণ্টন দিছিল। এই টকাৰে বি, টি, এ, ডি ৰ কাম হৈছে। এনে ধৰণৰ যদি নিষ্ঠাবান চৰকাৰ থাকিলেহেঁতেন আমাৰ বড়ো সকলে আন্দোলন নকৰিলেহেঁতেন। আৰু আইন শৃঙ্খলা পৰিস্থিতি সৃষ্টি নকৰিলেহেঁতেন। আমি সকলোৱে একেলগে থকাটো বিচাৰো। যদি কোনোবা দলে বড়োসকলৰ অন্যায় কৰে তেতিয়া হলে নিশ্চয় আঁতৰি যাব লাগিব। বি, টি, এ, ডি, এলেকাত কাম কৰিবলৈ দিছে। তেনেকুৱা তিনিটা অটনোমাচ কাউন্সিল আছে। টিৱা, মিছিং আৰু ৰাভা হাজং এই তিনিটাৰ বাবে ধন আৱণ্টন কৰা হয়। আৰু সেই এলেকাত টকা ৰিলিজ কৰা হয়। এই চৰকাৰক মই সমৰ্থন কৰা নাই। আমি পইচা বিছাৰিছিলো, আগৰ মুখ্যমন্ত্ৰী মহোদয়ে অলপ পইচা আৱণ্টন দিছিল। কিন্তু সময় মতে পইচা নিনিয়াৰ কাৰণে প্লেন কাট হৈছিল, লেপচ পৰিছিল। পিচৰ চৰকাৰৰ দিনতো মই বিৰোধী দলত বহি থাকো। বৰ্তমান চৰকাৰৰ দিনত টকা বিচাৰোতে মাননীয় মুখ্যমন্ত্ৰী গগৈ ডাঙৰীয়াই কলে যে বি, এ, চি, ৰ টকাটো বাজেটৰ টকা নহয়। এইটো গ্ৰেণ্ট ইন এইডৰ টকা, সেয়ে এই টকা প্লেন কাট নহয়। মোক আশ্বাস দিছিল, আপোনালোকৰ এৰিয়াৰ টকা পাব। কিন্তু আমি সেই এৰিয়াৰ টকা পোৱা নাই। এতিয়ালৈকে ডেৰ কৌটিতকৈও বেছি আছে। সেই কাৰণে মই এই চৰকাৰক অনুৰোধ জনাওঁ আগৰ চৰকাৰৰ

এৰিয়াৰটকা যদি মুকলি কৰি দিয়ে তেতিয়া হ'লে এই চৰকাৰ আকৌ আহিব। এ, জি, পি দলে যি সমালোচনা কৰিছে তাৰ পৰা ভালখিনি গ্ৰহণ কৰিব লাগে আৰু শিকনি লবলৈ অনুৰোধ জনালোঁ। আমি ভাল পাইছো, আপোনালোকৰ চৰকাৰে আমাক একৰ্ড কৰি দিছে। ৩৮ টা বিভাগ হেণ্ডওভাৰ কৰিছে। টকাও মোকলাই দিছে। কিন্তু দুৰ্ভাগ্যজনক কথা যে তাত কাম কৰিবলৈ বিষয়া নাই। অফিচাৰ পোষ্টিং কৰিব লাগে। পোষ্ট ক্ৰিয়েট কৰিব লাগে। ধন কাৰ্য্যকৰী কৰিব লাগে। কিন্তু বি, টি, ডি, এ এলেকাত যি বিষয়া দিয়ে তেওঁৰ পাৱাৰ ট্ৰেন্সফাৰ কৰে। কৰ্মচাৰীৰ পোষ্ট ক্ৰিয়েট কৰাৰ ব্যৱস্থা কৰক। যিজনে বি, টি, ডি, এ এলেকাত পোষ্টিং হৈছে সেইজনে ইয়াৰো মেইন দায়িত্বত আছে। তেওঁক চাৰ্জ দিয়া হৈছে যদিও বহিবলৈ ঠাই নাই। শিক্ষা বিভাগৰ কাৰণে বিল্ডিং নিৰ্মাণ কৰা হৈছে। ফোল ফ্লেজেড অফিচাৰ নহেল বহুত অসুবিধা হয়। তাত এডিশ্বনেল ডাইৰেক্টৰ দিয়া হৈছে যদিও তেওঁ ইপিনে আকেট ইন্‌সপেক্টৰ অব কলেজৰ দায়িত্বত আছে। তাত অফিচ নাই, ষ্টাফ নাই সেই কাৰণে ইয়াতে থাকি কাম কৰে। আমি লগ ধৰি কৈছিলো যে আপুনি তাত কাম কৰিব লাগে, তেতিয়া তেখেতে কৈছিল যে বি, টি, এ,ডি,য়ে পাঠ্রা নিদিয়ে। বি, টি, এ, ডি, ৰ আন্দাৰ চেক্ৰেটাৰীয়ে বাৰে বাৰে চিঠি লিখি আছে। পোষ্ট ক্ৰিয়েট কৰি নিযুক্তি দিবৰ কাৰণে লিখি আছে। ইৰিগেশ্বন, পি, ডব্লিউ, ডি ফ্লাড কন্ট্ৰোল আদি এতিয়াও বি, টি, এ, ডি এলেকাত কাৰ্য্যকৰী হোৱা নাই। ইয়াত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বহি আছে আৰু মোৰ কথা শুনি আছে। সেয়ে মই তেখেতক অনুৰোধ জনাইছো যে বি, টি, এ, ডি এলেকাত কাৰ্য্যালয়ত বিষয়া, কৰ্মচাৰী নিয়োগ কৰাৰ ব্যৱস্থা কৰে। অসমত তিনিটা কাউন্সিল মিছিং, ৰাভা হাজং আৰু টিৱা। আগৰ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ দিনতে সেই কাউন্সিল বিলাকৰ লগত চুক্তি হৈছিল। তাত যাতে সকলোৱে সমমৰ্য্যদা পাব পাৰে তাৰ কাৰণে কৰিছিল। মিছিং অট'নোমাচ কাউন্সিল মিছিং সকলৰ বাবে, ৰাভা, হাজং অট'নোমাচ কাউন্সিল ৰাভা হাজংৰ বাবে আৰু টিৱা অট'নোমাচ কাউন্সিল টিৱা সকলৰ বাবে দিয়া হৈছে যাতে সকলোৱে এনজয় কৰিব পাৰে।

মাননীয় অধ্যক্ষ মহোদয়, তেতিয়া অধ্যক্ষ আছিল মাননীয় গণেশ কুটুম ডাঙৰীয়া। তেখেতৰ প্ৰচেষ্টাতে এই এমেণ্ডমেণ্ট হৈছিল। তিৱা অট'নমাচ কাউন্সিল আৰু ৰাভা অট'নমাচ কাউন্সিল আৰু মিচিং অট'নমাচ কাউন্সিল আদি কৰা হৈছিল। বহুতো বড়ো মানুহ ৰাভা এলেকাত বহুদিন ধৰি বসবাস কৰি আহিছে। গতিকে যাতে এই মানুহ খিনিয়েও তাত মান মৰ্য্যদা সহকাৰে তাত

থাকিব পাৰে তাৰ কাৰণে চৰকাৰৰ লগত আলোচনা চলি আছে। আপোনালোকৰ চৰকাৰৰ দিনতে সেয়ে এই সংশোধনী যাতে কৰিব পাৰে তাৰ বাবে মই জনাইছোঁ। আলোচনাৰ সময়ত আমাৰ নেতাসকলক বাৰে বাৰে আপোনালোকৰ ফালৰ পৰা আস্বাস দি থকা হৈছে সংশোধনী হ'ব বুলি সেয়ে এই সংশোধনীটো আপোনালোকৰ চৰকাৰৰ দিনতে কৰিবলৈ মই বিশেষ ভাৱে অনুৰোধ কৰিছোঁ। অধ্যক্ষ মহোদয়, মোৰ কথা কবলগীয়া আছিল আপুনি বন্ধ কৰিবলৈ কৈছে কিন্তু বহুত কথা থাকি গল। সেয়ে মই চৰকাৰক আমাৰ মানুহৰ, আমাৰ ৰাজ্যৰ গুৰুত্বপূৰ্ণ সমস্যা বিলাকৰ প্ৰতি বিশেষ মনোযোগ দিবৰ কাৰণে অনুৰোধ জনাই সামৰণি মাৰিলোঁ।

**Mr. Seapker :** Now, Hon'ble Member, Shri Jagadish Bhuyan.

**শ্ৰীজগদীশ ভূঞা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণ ৰ ওপৰত চলি থকা বিতৰ্কত দেখা গৈছে যে শাসকীয় দলৰ মাননীয় সদস্যসকলে তেখেত সকলৰ বক্তব্যত চৰকাৰৰ কাম-কাজৰ বিশ্লেষণ কৰাতকৈ অসম গণ পৰিষদ দলক ১৯৮৫ চনৰ পৰাই পষ্টমৰ্টেম কৰাতহে ব্যস্ত আছে। মাননীয় সদস্য ডাঃ ইদ্ৰিছ আলি ডাঙৰীয়াকে ধৰি প্ৰায় সমূহ মাননীয় সদস্যই এই পষ্টমৰ্টেম কৰি আছে। আপোনালোকে অসম গণ পৰিষদৰ পষ্টমৰ্টেম ৮৫ চনৰ পৰাই কৰিব লাগিব তাৰ আগত গণ পৰিষদৰ জন্ম হোৱাই নাছিল। কিন্তু আমি যদি আপোনালোকৰ পষ্ট মৰ্টেম কৰিব বিচাৰো আমি ১৯৫০ চনৰপৰাই কংগ্ৰেছৰ পষ্টমৰ্টেম কৰিব পাৰো, আৰু তেতিয়া আমাক ৮০ মিনিট নহয় ৮০ দিন লাগিব।

মাননীয় অধ্যক্ষ মহোদয়, শাসকীয় কংগ্ৰেছ দলৰ সদস্যসকলে অসম গণ পৰিষদৰ ১০ বছৰীয়া চৰকাৰৰ কাৰ্যকালৰ পৰীক্ষা আৰু বিশ্লেষণ কৰাৰ প্ৰাকমূহুৰ্তত কংগ্ৰেছে শাসন কৰা ৪৫ বছৰীয়া কাৰ্যকালৰ পৰীক্ষা আৰু বিশ্লেষণ কৰা উচিত। ভাৰতবৰ্ষৰ ৰাজনৈতিক বুৰঞ্জীত দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰৰ বীজ প্ৰথম কংগ্ৰেছেই ৰোপণ কৰিছিল আৰু স্বাধীনোত্তৰ ভাৰতবৰ্ষত এই সুদীৰ্ঘকাল দুৰ্নীতি আৰু কুকৰ্মৰ এক দিঘলীয়া কলংকিত অধ্যায়ৰ বোজা আপোনালোকে বহন কৰি আছে।

১৯৫৪-৫৫ চন ভাৰতবৰ্ষৰ প্ৰধান মন্ত্ৰী আছিল পণ্ডিত নেহৰু আৰু কৃষ্ণ মেনন আছিল প্ৰতিৰক্ষা মন্ত্ৰী। প্ৰতিৰক্ষাৰ জীপগাড়ী ক্ৰয় কৰোতে এক বৃহৎ কেলেংকাৰী সংঘটিত হৈছিল আৰু প্ৰতিৰক্ষা মন্ত্ৰী কৃষ্ণ মেননে পদত্যাগ কৰিব লগা হৈছিল। সেইয়া ১৯৫৪-৫৫ চনৰ কথা তেতিয়াৰ পৰাই কংগ্ৰেছে ভাৰত

বৰ্ষৰ ৰাজনৈতিক ব্যৱস্থাত দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰৰ বীজ ৰোপণ কৰিছিল আৰু কংগ্ৰেছৰ পৃষ্ঠপোষকাতত কলুষিত হৈছিল ভাৰতবৰ্ষৰ ৰাজনৈতিক পৰিবেশ। তাৰ পিছত ১৯৬২ চনত, প্ৰতিৰক্ষা বিভাগে নিম্ন মানৰ অস্ত্ৰ ক্ৰয় কৰা বিষয়টো পোহৰলৈ আহিল। ভাৰত-চীন যুদ্ধৰ সময়ত আৰু ভাৰতবৰ্ষই নিৰ্লজ্জ ভাবে চীনৰ হাতত পৰাজয় কৰিছিল। তাৰ পিছত ১৯৮৪-৮৯ চনত বফৰ্চ স্কেম, ৯১-৯৬ চনৰ পূৰ্বৰ সকলো অভিলেখ ভংগ কৰি সেই সময়ৰ প্ৰধানমন্ত্ৰী নৰসিংহ ৰাও আৰু গৃহমন্ত্ৰী বুটা সিং দুৰ্ণীতিত জড়িত হল আৰু পৰবৰ্ত্তী পৰ্যায়ত দুয়োজন গ্ৰেপ্তাৰ হব লগীয়া হ'ল। এইয়া কংগ্ৰেছৰ ইতিহাস অধ্যক্ষ মহোদয়। আৰু কিমান স্কেম শুনিব - চিকিউৰিটি স্কেম, ইউৰিয়া স্কেম, চুগাৰ স্কেম, টেলিকম স্কেম, হাৱালা স্কেম এই সকলো বিলাক কংগ্ৰেছৰ দিনত সংঘটিত হৈছিল আৰু এই কংগ্ৰেছে দুৰ্ণীতিৰ কথা কয়। গণতন্ত্ৰৰ কথা কয় কংগ্ৰেছে, অধ্যক্ষ মহোদয় ১৯৭৫ চনত প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীৰ পৃষ্ঠপোষকতাত জাৰি কৰা জৰুৰীকালিন ব্যৱস্থাৰ ঘোষণাৰে আৰম্ভ কৰা গণতন্ত্ৰৰ হত্যাযজ্ঞ যোৱাকালি ঝাৰখণ্ডলৈ কংগ্ৰেছে চলাই আছে।

অধ্যক্ষ মহোদয়, এতিয়া আহো অসমলৈ, বৃহত্তৰ বৰ অসমখন সাতখন ৰাজ্যত খণ্ড-বিখণ্ড কৰিলে কংগ্ৰেছেই। মাননীয় শাসক দলৰ সদস্য সকলে ১৯৮৫ চনৰ পৰা ৯০ চনৰ কালছোৱাৰ কথা কলে, কিন্তু আচৰিত কথা ৯১ চনৰ পৰা ৯৬ চনৰ কথা নকলে। ৮৫-৯০ সময়ছোৱা মনত থাকিল কিন্তু ৯১-৯৬ সময়ছোৱা পাহৰিলে, মই আপোনালোকৰ Memory Recharge কৰি দিব লৈছো। ৯৬ চনত আমি যেতিয়া চৰকাৰ গঠন কৰিছিলো ভাৰতবৰ্ষত কতো কেতিয়াও নোহোৱা ঘটনা সংঘটিত হৈছিল। আমি দায়িত্বভাৰ লোৱাৰ লগে লগে ৰাজ্যৰ মুখ্য সচিব, গৃহ সচিব, বিত্ত সচিব, ডি , জি, পি, আইন শৃংখলাৰ দায়িত্বত থকা আই, জি, পি, য়ে অসম এৰি পলায়ন কৰিছিল। কাৰণ তেওঁলোকক কংগ্ৰেছে দলীয় সদস্য হিচাপে ব্যৱহাৰ কৰিছিল। ভাৰতবৰ্ষত এনে উদাহৰণ কতোৱেই নাই। আপোনালোকৰ সেই কাৰ্যকালত সেই সময়ৰ চৰকাৰৰ কেইবাজনো জ্যেষ্ঠ মন্ত্ৰীয়ে একাধিকবাৰ দিল্লীত কংগ্ৰেছ হাইকমাণ্ডক সেই সময়ৰ কংগ্ৰেছৰ গুণ্ডাৰাজৰ বিৰুদ্ধে স্মাৰক পত্ৰ দিছিল —আপোনালোকে পাহৰি গল নেকি? আপোনালোকে কিয় পাহৰি গল যে আপোনালোকৰ চৰকাৰৰ দিনতেই টায়াৰ টিউবেৰে কেইবাজনো যুৱকক ৰাজপথত জ্বলাই দিয়া হৈছিল, কিয় পাহৰি গল ডাঙৰীত হত্যা কৰা ৫জন যুবকৰ কথা। কিয় পাহৰি গল কংগ্ৰেছৰ শাসনকালত হোৱা পঙ্কা ৰাজাবাৰীৰ হত্যা কাণ্ডৰ কথা।

অধ্যক্ষ মহোদয়, এতিয়া আহো আমাৰ দুটা কাৰ্য্যকালৰ সময়লৈ। ১৯৫২ চনত পঞ্চ বাৰ্ষিক পৰিকল্পনা আৰম্ভ হৈছিল। ৫২ চনৰ পৰা ৮৫ চনলৈ মাত্ৰ দুবছৰ বাদ দি এই সুদীৰ্ঘ কাল দিল্লীতো কংগ্ৰেছ চৰকাৰ অসমতো কংগ্ৰেছ চৰকাৰ আছিল। এই সুদীৰ্ঘ সময় কেন্দ্ৰৰ পৰা অহা পৰিকল্পনাৰ ধন ৭০ শতাংশ ঋণ হিচাপে আনি অসমখনক আপোনালোকে ঋণগ্ৰস্থ কৰি তুলিলে, আমি প্ৰথমবাৰ দায়িত্ব ভাৰ লৈয়েই ৯০ শতাংশ অনুদান আৰু মাত্ৰ ১০ শতাংশ হে ঋণৰ ব্যৱস্থা কৰা হ'ল। অসম গণ পৰিষদৰ শাসনকালতেই তেলৰ ৰয়েল্টি ৬৩ টকাৰ পৰা ৩৯২ টকা কৰা হ'ল। আমাৰ দিনতেই অসমৰ আৰ্থ সামাজিক বুনিয়াদ সবল ভাবে গঢ়ি তুলিছিলো। কংগ্ৰেছৰ সুদীৰ্ঘ শাসন কালত হোৱা ৰিফাইনেৰী সমূহৰ মুঠ শোধন ক্ষমতাতকৈ অসম গণ পৰিষদৰ দিনত নিৰ্মিত নুমলিগড় ৰিফাইনেৰীৰ শোধন ক্ষমতা বেছি। ৮০০ শ্বহীদৰ তেজৰ বিনিময়ত পাইছো। আন্দোলন আমি কৰিছিলো অসমৰ জনগণে কৰিছিল, কংগ্ৰেছে অসম আন্দোলনৰ বিৰোধীতা কৰিছিল। ব্ৰহ্মপুত্ৰৰ ওপৰত এখন দলং আছিল এতিয়া ৪ ৰ্থ খন দলং হৈ আছে, বগী বিলৰ দলং অসম গণ পৰিষদে অনা, সেই দলংৰ কাৰণে এইবাৰ কেন্দ্ৰৰ কংগ্ৰেছ চৰকাৰে মাত্ৰ ১২ কৌটি টকাহে ধাৰ্য কৰিছে। কংগ্ৰেছে গ্ৰামাঞ্চালৰ উন্নয়নৰ কথা কয়, কিন্তু অমসৰ ২৩০ টা ব্লক EAS ব্লক অসম গণ পৰিষদৰ শাসন কালতহে কৰা হ'ল, যাৰ ফলত গ্ৰামোন্নয়ন শিতানত পূৰ্বৰ ২ লাখ/৩ লাখ টকাৰ ঠাইত এতিয়া ৫০ লাখ ১ কৌটি টকা প্ৰতিটো ব্লকলৈ আহে এইয়াও অসম গণ পৰিষদৰ কৃতিত্ব। আপোনালোকেতো দিল্লী, দিশপুৰত নিজৰ চৰকাৰ থকা স্বত্বেও একো গুৰুত্বপূৰ্ণ কাম কৰিব পৰা নাই। অসম গণ পৰিষদ চৰকাৰৰ দিনতেই ৬১০০ কৌটি টকাৰ বিশেষ পেকেজ অসমলৈ অনা হৈছিল, সকলো বিভাগৰ ১০ শতাংশ অসম আৰু উত্তৰ পূৰ্বাঞ্চলৰ আৱণ্টন কৰোৱা হৈছিল, যাৰ ফলত Doner বিভাগ সৃষ্টি হ'ল, এই সকলোবোৰ অসম গণ পৰিষদৰ কৃতিত্ব নহয় নে? যাৰ ফলত আপোনালোকৰ মন্ত্ৰী সকলে ৰঙা লাইট জ্বলাই দপ দপাই ঘুৰি ফুৰিব পাৰিছে। আজি আমাৰ প্ৰধান মন্ত্ৰী বুলি আমি গৌৰৱ কৰো, কিয় আপোনালোকে নিজৰ চৰকাৰ আৰু নিজৰ প্ৰধান মন্ত্ৰীৰ পৰা উল্লেখযোগ্য একো আদায় কৰিব পৰা নাই। ইতিহাসত স্থান পাব পৰা সকলোবোৰ উল্লেখযোগ্য সফল কাম অসম গণ পৰিষদ চৰকাৰৰ দিনতে কৰা হ'ল। Domestic airport ক International air port লৈ আমি উন্নীত কৰিলো। কেন্দ্ৰীয় বিশ্ব বিদ্যালয় আমি স্থাপন কৰিলো। I.I.T. আমি স্থাপন কৰিলো। অসমৰ আৰ্থ-সামাজিক বুনিয়াদ সুদৃঢ় কৰা এই সকলোবোৰ কাম অসম গণ পৰিষদ চৰকাৰৰ

দিনতে কৰা হ'ল। উদ্যোগখণ্ডত যিমান বৃহৎ আৰু মজলীয়া উদ্যোগ স্থাপন হ'ল এই সকলোবোৰ অসম গণ পৰিষদ চৰকাৰৰ দিনত। হিন্দুস্থান লিভাৰৰ প্ৰসাধন উদ্যোগো অসম গণ পৰিষদ চৰকাৰৰ দিনত হোৱা। পূৰ্বতে ১৫০০০ কৌটি টকাৰ চাউল অসমলৈ বাহিৰৰ পৰা আহিছিল। এতিয়া আনিব নালাগে। সেইয়াও অ: গ. প. চৰকাৰৰ কৃতিত্ব। কৃষি বিপ্লৱৰ প্ৰকৃতাৰ্থত অ. গ প.ই হে আৰম্ভ কৰিছিল। U.N.D.P. ৰ Report তত ভাৰতবৰ্ষত ১৫ সফল প্ৰকল্পৰ ভিতৰত অসমৰ চেল'টিউয়েল প্ৰকল্পই স্থান পাইছিল।

১৯৭২ চনত আপোনালোকে ৰাজধানী অসমলৈ আনিলে। কিন্তু স্থায়ী ৰাজধানী নিৰ্মাণৰ সিদ্ধান্ত লোৱাৰ দক্ষতা প্ৰদৰ্শন কৰিব নোৱাৰিলে। স্থায়ী ৰাজধানীৰ কামো অগপ ইহে আৰম্ভ কৰিব লগীয়া হ'ল। আমাৰ চৰকাৰৰ দিনৰ যোৱা কাৰ্য্যকালত World Bank Project তত ৭৫০ কিঃ মিঃ পথ আৰু ১২০ খন দলং নিৰ্মাণ কৰা হৈছিল। R.I.D.F আঁচনিত ১১০কিঃ মিঃ পথ আৰু ১৪০ খন পথ নিৰ্মাণ কৰা হৈছিল। ভৰলু নৈৰ ওপৰত ৫ খন দলং নিৰ্মাণ কৰা হৈছিল। গণেশগুৰি, উলুবাৰী আৰু আঠগাঁও এই তিনিখন Fly over নিৰ্মাণ কৰা হৈছিল আপোনালোকে এতিয়া জ্ঞানজ্যোতি আঁচনিৰ নামত ২ খন মান স্কুল-কলেজক কেইলাখমান টকা দি কেইটামান ৰাস্তা নিৰ্মাণ কৰিয়েই কিমান উল্লাসিত হৈছে যে কলম্বাছে আমেৰিকা আৱিষ্কাৰ কৰোতেও চাগে ইমান উল্লাসিত হোৱা নাছিল।

এতিয়া আহো, ৰাজ্যপালৰ ভাষণৰ ওপৰত। ৰাজ্যপালৰ ভাষণত গড়কাপ্তানি, সাংস্কৃতিক পৰিক্ৰমা, গুৱাহাটী উন্নয়ন বিভাগ, উত্তৰ পূব পৰিষদ আদি কেইবাটাও গুৰুত্বপূৰ্ণ বিভাগ অন্তৰ্ভূক্ত নহল। তাৰ বাবে চৰকাৰক আমি ধিক্কাৰ দিছো। আচলতে যিকোনো উপায়েৰে ক্ষমতাত বহাৰ বাহিৰে কংগ্ৰেছ দলৰ কোনো সামাজিক দায়বদ্ধতা নাই। এটা শক্তিশালী চৰকাৰী ব্যৱস্থা থকাৰ পাছতো এই আসোঁৱাহ সমূহ চৰকাৰৰ চকুত নপৰিল। ইমান নিৰ্বিকাৰ মুখ্যমন্ত্ৰী, উদাসীন কংগ্ৰেছ চৰকাৰ। দেশ যলৈকে যায় যাওক, কেৱল শাসন দখল কৰিব লাগে। দুষ্কৃতিৰে পৰিবেষ্টিত হৈ থকা কংগ্ৰেছ চৰকাৰে সংস্কৃতিৰ কথা ভাবিব কেনেকৈ, সময় ক'ত, আমি আশা নকৰাই ভাল। আইন-শৃঙ্খলা উন্নতি হোৱা বুলি কৈছে। কিন্তু এই চৰকাৰৰ দিনত মানুহে ঈশ্বৰক প্ৰাৰ্থনা কৰিব নোৱাৰা হ'ল। ৰ'মজান মাহত নামাজ পঢ়ি অহা নিৰীহ লোকক গুলিয়াই হত্যা কৰা

হ'ল। চবেবৰাতৰ নিশা গুৱাহাটীত সমীৰখানক হত্যা কৰা হ'ল। আইন-শৃংখলা উন্নতি হোৱা বুলি ক'লে হাঁহি উঠে। ১৫ আগষ্ট, ২৬ জানুৱাৰীত এখন নিৰ্দিষ্ট স্থানত চৰকাৰী পতাকা উত্তোলন কৰা স্থানত এই চৰকাৰে নিৰাপত্তা দিব নোৱাৰে। ধেমাজি চৰকাৰী কাৰ্য্যসূচীত বোমা ফুটি ল। বহু নিৰীহ মহিলা, শিশুৰ মৃত্যু হ'ল। চৰকাৰে নিৰাপত্তা সুনিশ্চিত কৰিব নোৱাৰিলে। জৰ্জ ফিল্ডত ৰাজ্যপালে ভাষণ দি থকা অৱস্থাত বোমা ফুটিল। অকৰ্মণ্য এই চৰকাৰ। ৰাইজে আশা এৰি দিছে। সকলো ফালে চৰকাৰৰ বিফলতা। আৰক্ষীৰ আধুনিকীকৰণ কৰাৰ কথা কৈছে। কিন্তু ইমান আধুনিক এই আৰক্ষী যে মাটিৰ তলত থকা বোমা এটাও আৱিস্কাৰ কৰিব নোৱাৰে। বোমা ফুটাৰ পিছত আৰক্ষী বিষয়া সকলৰ অসহায় মুখবোৰ দেখিলে বুজি পোৱা যায় কিমান অকৰ্মণ্যৰ এই চৰকাৰ। বানপানীক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰিব নোৱাৰিলে। দিল্লীতো নিজৰ চৰকাৰ, প্ৰধানমন্ত্ৰীও নিজৰ। এই সদনে বাঁচনি কৰি পঠিওৱা এই বিধানসভাতে বান সমস্যা ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰিবলৈ দাবী জনাই প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। কিন্তু ৰাজ্য চৰকাৰে কেন্দ্ৰক, নিজৰ প্ৰধান মন্ত্ৰীক সৈমান কৰিব নোৱাৰিলে। এইয়া জানো ব্যৰ্থতা নহয়? আৰু ইয়াৰ দ্বাৰা অসমক আৰু এই বিধানসভাত অপমান কৰা হোৱা নাইনে? এইজন মুখ্যমন্ত্ৰীয়েই কেইমাহমান আগলৈকে কেন্দ্ৰত N.D.A. চৰকাৰ থাকোতে কেন্দ্ৰই অসমক বঞ্চনা কৰা বুলি বিধানসভাত বহুবাৰ কৈছিল। এতিয়া কব পাৰিবনে? এতিয়া এবাৰ মাত্ৰ কওঁক মুখ্যমন্ত্ৰীয়ে — কেন্দ্ৰই অসমক বঞ্চনা কৰিছে বুলি যদি সাহস আছে, আমি হাতচাপৰি বজাই সমৰ্থন জনাম।

চৰকাৰ গঠন হোৱাৰপৰা আজিলৈকে সকলো বিভাগতে ব্যাপক দুৰ্নীতি তথ্য সম্বলিত সংবাদ কাকতত প্ৰকাশ পাইছে। কিন্তু স্বচ্ছ আৰু নিকা প্ৰশাসনৰ কথা কোৱা মুখ্যমন্ত্ৰীয়ে কোনো এটা দুৰ্নীতি আৰু অনিয়মৰ নিৰপেক্ষ তদন্ত কৰাৰ সাহস গোটাব নোৱাৰিলে। সৰ্বকালৰ ব্যৰ্থ আৰু অকৰ্মণ্য এই চৰকাৰখনৰ কাহিনী ক'ব লগা হলে বহুদিনৰ প্ৰয়োজন হব। দুৰ্নীতি, ভ্ৰষ্টাচাৰেৰে কলংকিত কৰা ৰাজনৈতিক বুৰঞ্জীৰ পৃষ্ঠাবোৰ আপোনালোকে মুখেৰে কথাকৈ মচি পেলাব নোৱাৰিব। শেষত মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ জ্ঞাতাৰ্থে কব বিচাৰিছো— "আপুনি আপোনাৰ যাত্ৰা পথত যিসমূহ বন্ধুক সংগী হিচাপে লৈ গৈ আছে, তেনেকুৱা বন্ধু থাকিলে প্ৰকৃতাৰ্থত আৰু বেলেগ শত্ৰু নালাগে। মুখ্যমন্ত্ৰী ডাঙৰীয়াই কথাষাৰ গুৰুত্ব দিলে তেখেতৰ মঙ্গল হ'ব।"

**Mr. Seapker :** Now, Shri Pranab Kalita.

★ **শ্ৰীপ্ৰণৱ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা তিনি দিন ধৰি মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত বক্তৃতা শুনিলো। মই মাত্ৰ দুটামান কথা কম। ৰাজ্যপালৰ ভাষণত ভাগ লৈ কব বিছাৰো বৰ্ত্তমান দেশৰ ভাঙি যোৱা অৰ্থনীতি সুস্থিৰ ৰূপায়ণ কৰিবলৈ হলে সময়ৰ প্ৰয়োজন। ফ্ৰান্সৰ যুদ্ধৰ পাচত যেতিয়া লেলিনে শাসনভাৰ গ্ৰহণ কৰিছিল তেতিয়া সমগ্ৰ দেশৰ লোক শোকাক্লিষ্ট হৈ আছিল। খাব্ৰ নাপাই হাজাৰ হাজাৰ লোক দুৰ্দশাগ্ৰস্ত হ'ব লগা হৈছিল। তেতিয়া ৰাইজে ভাবিলে ৰজা অৰ্থাৎ লেনিন এনে অৱস্থাতো কি আহাৰ গ্ৰহণ কৰে আমি চাব লাগে। সেই উদ্দেশ্য লেনিনৰ ঘৰৰ চাৰিও ফালে প্ৰজা সমবেত হ'ল আৰু তাৰে ভিতৰত চাৰিজনক বাচি দিয়া হ'ল। ঘৰৰ ভিতৰলৈ গৈ লেলিনে কি আহাৰ গ্ৰহণ কৰিছে চাবৰ কাৰণে কিন্তু আচৰিত কথা সেই চাৰিজন ভিতৰলৈ গৈ দেখিলে লেলিনে সেই সময়ত দুখন শুকান ৰুটি আৰু এগিলাচ ৰঙা চাহ খাই বহি আছে। এখন ৰাজ্যৰ ৰাজতন্ত্ৰ এনেকুৱা হ'ব লাগে।

১৯৭২ চনত বাংলাদেশ স্বাধীন হ'ল। বাংলাদেশ সেই সময়ত অৰ্থনীতিত মাইনাচ হৈ আছিল কিন্তু নেতৃত্বৰ সুস্থিৰ চিন্তা ধাৰাৰ কাৰণে সেই বাংলা দেশৰ লোকে আজি হাতত মোবাইল লৈ দেশ শাসন কৰিছে আৰু তেওঁলোকৰ উৎপাদিত সামগ্ৰী অসমৰ ৰাইজে গ্ৰহণ কৰিবলৈ বাধ্য হৈছে। আমাৰ মুখ্য মন্ত্ৰী মহোদয়ে আগ ভাগ লৈ ভাল কামেই কৰিছে আমি এতিয়া নতুন পৰিবৰ্ত্তন দেখিছো কিন্তু আৰু যথেষ্ট সময় লাগিব ইয়াক সুস্থ কৰিবৰ কাৰণে ৰাজ্যপালৰ ভাষণত এটা উল্লেখ নকৰা বিষয় হ'ল আজি বিশ্বই বিজ্ঞান প্ৰযুক্তি বিদ্যাৰে সমগ্ৰ বিশ্বতে খলকনি তুলিছে কম্পিউটাৰে এখন ৰাষ্ট্ৰৰ বিশ্ববিখ্যাত ডাক্তৰে কৰা অষ্টোপ্ৰচাৰ আন খন ৰাষ্ট্ৰত প্ৰচাৰ কৰিছে। অসমত বিজ্ঞান প্ৰযুক্তি বিদ্যাই কি ব্যৱস্থা হাতত লৈছে ৰাজ্য পালৰ ভাষণত উল্লেখ নথকাটো এটা দুৰ্ভাগ্যজনক কথা। নতুন প্ৰজন্মক বিজ্ঞান প্ৰযুক্তি বিদ্যাত উৎবুদ্ধ কৰাবলৈ মই মুখ্যমন্ত্ৰীক আহ্বান জনালো। ৰাজ্যপালৰ ভাষণত বহুত কথাই উল্লেখ কৰিছে। ২০ লাখ নিৱনুৱাৰ অদুৰ ভৱিষ্যতে সংস্থাপনৰ কথাও উল্লেখ কৰিছে। মুখ্যমন্ত্ৰী মহোদয়ে কল্পতৰু আঁচনি উলিয়াইছে তাৰ কাৰণে ধন্যবাদ জনাইছো। কিন্তু এই কল্পতৰু আঁচনিত যিজন নিৰনুৱাৰ এপইচাও নাই তেওঁ শতকৰা ২০ ভাগ দি কেনেকৈ অংশ গ্ৰহণ কৰিব মই বুজি পোৱা নাই। মাত্ৰ ১০ হাজাৰ টকাৰে মাত্ৰ

---

* Speech not corrected

শতকৰা ২০ ভাগ নিজৰ তাৰ দ্বাৰা নিবনুৱা যুৱক কেনেকৈ উপকৃত হ'ব মই বুজি পোৱা নাই। এই টকা খিনিও অথলে যাব বুলি মোৰ ধাৰণা হয়। এই গোটেইখিনি ধন চৰকাৰক বহণ কৰিবলৈ মই অনুৰোধ কৰিলো। অধ্যক্ষ মহোদয়, এই খিনিতে মই এটা কথা কব বিছাৰিছো অসম চৰকাৰে ভাৰত চৰকাৰৰ লগত যি বুজা বুজিৰ চুক্তি কৰিছিল সেই চুক্তি বাতিল কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ লগত অতি সোনকালে দাবী উৎথাপন কৰিব লাগে। আৰু চুক্তিখনত কি আছে আমাকো জনাব লাগে। আজি কৃতিত্ব লাভ কৰিলেও অসমৰ অৰ্থনৈতিক বুনিয়াদ গঢ়িবলৈ আৰু যথেষ্ট সময় লাগিব আৰু তাৰ কাৰণে আটায়ে আগবাঢ়ি আহিব লাগিব।

অধ্যক্ষ মহোদয় , এইখিনিতে মই এটা কথা ক'ব বিচাৰিছো যে, অসমত এখন ভাল চিকিৎসালয়ৰ বৰ অভাব। গতিকে ভাৰতৰ প্ৰধান মন্ত্ৰী তথা স্বাস্থ্যমন্ত্ৰী ডাঙৰীয়াক আমি দাবী কৰিব লাগে যে সৰ্বভাৰতীয় ভিত্তিত বিজ্ঞান সন্মত ভাৱে এখন উন্নত চিকিৎসালয় অসমত প্ৰতিস্থা কৰে। সেইটো নকৰা কাৰণে আজি হাজাৰ হাজাৰ লোক সামান্য বেমাৰতে অসমৰ বাহিৰলৈ যাবলগীয়া হৈছে। অসমতো যাতে বাহিৰৰ আৰ্হিত এখন বিজ্ঞান সন্মত এখন চিকিৎসালয় গঠন হয় তাৰ কাৰণে অনুৰোধ কৰিলো আৰু তেতিয়া হলে অসমৰ বহুতৰ ৰাইজ বাচি যাব। অধ্যক্ষ মহোদয়, এটা প্ৰাণী আছে তাৰ নাম অক্টোপাছ । ই মানুহৰ তেজ শোষণ কৰে। অক্টোপাচৰ নিচিনা অসমতো এবিধ প্ৰাণী আছে যাৰ নাম কেকোৰা। সি নিজৰ প্ৰজন্মকে হত্যা কৰে। কেন্দ্ৰীয় চৰকাৰে আমাক বছৰ বছৰ ধৰি শোষণ কৰি আহিছে এই বঞ্চনাৰ আমি অৱসান ঘটাব লাগিব।

**শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী) :** মাননীয় অধ্যক্ষ ডাঙৰীয়া, বৃন্দাবন গোস্বামী ডাঙৰীয়াকে আৰম্ভ কৰি বিভিন্ন দল আৰু প্ৰতিনিধি সকলে অংশ গ্ৰহণ কৰাৰ কাৰণে মই সকলোকে ধন্যবাদ জনাইছো। বৃন্দাবন গোস্বামী ডাঙৰীয়াই ক'ব বিচাৰিছে যে আমাৰ গৱৰ্ণৰ ভাষণটো অসত্য আছিল, অবান্তৰ আছিল সেইকাৰণে ৰাজ্যপালে ভাষণ পাঠ কৰা সময়ত তেওঁলোকে বয়কট কৰিছে। আমি আজিলৈকে কোৱা নাই যে পৰিস্থিতি নৰমেল হৈছে। তেখেত সকলৰ আগৰে পৰা প্ৰি প্লেন আছিল। নহলে তেখেত সকলে পোষ্টাৰ ক'ৰ পৰা পালে ? তেখেত সকলৰ পূৰ্বৰ পৰাই প্ৰি প্লেন আছিল। গোস্বামী ডাঙৰীয়াই আইন শৃংখলাৰ কথা কৈছে, এজিপিৰ দিনত আইন শংখলা ব্যৰ্থ হৈছিল। Law and order in 1986-90 ত সম্পূৰ্ণ ফেইল হৈছিল। সেই পৰিস্থিতিত পেছিডেণ্ট ৰুল দিব লগীয়া হৈছিল। President Rule for

break down of law and order. প্ৰয়োজন সাপেক্ষে পেচিডেণ্ট ৰুল দিবলগীয়া হয়। কিন্তু ভাৰতবৰ্ষৰ আন কোনো ৰাজ্যতেই President Rule for failure of law order হোৱা নাই। তেখেত সকলে দুবাৰ ইলেকচনত উঠিলে, প্ৰথমবাৰ ভুল হল কাৰণ তেতিয়া তেওঁলোক যুৱক আছিল, এই বুলি তেখেতসকলে স্বীকাৰ কৰিছে। সেই কাৰণে অসমৰ ৰাইজে এইবাৰ আমাক লৈছে।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, ক'ৰাপচনৰ কথা কৈছে। তেখেতসকলৰ শাসন কালত maximum ক'ৰাপচন হোৱা নাছিল নে ? আলু কেলেংকাৰী, গ্ৰীণ হাউচ কেলেংকাৰী, ভেটেৰেনাৰী কেলেংকাৰী আদি কাৰ দিনত হৈছিল? কিডনেপ, হত্যা কাৰ দিনত বেছিকৈ হৈছে ? আপোনালোকক মানুহে কিয় ৰিজেক্ত কৰিবলগীয়া হ'ল। প্ৰথমবাৰ আপোনালোকৰ ভুল হ'ল বুলি স্বীকাৰ কৰিলে। সৌ সিদিনালৈকে অসমৰ আইন-শৃংখলাৰ অৱনতি হৈছিল বুলি এই কাৰণে কবলগীয়া হ'ল যে আগতে উষা কোৰ্টৰ আগেদি অহা যোৱা কৰিব নোৱাৰি। এতিয়া উষা কোৰ্টৰ আগেদি অহা যোৱা কৰিব পাৰি। আইন শৃংখলা যদি ইমপ্ৰোভ হোৱা নাই তেতিয়া হলে ৰাইজে ইয়াৰ বিচাৰ কৰিব -সত্য নে অসত্য। আইন শৃংখলাৰ উন্নতি হৈছেনে নাই ? Law and order improved কেতিয়া হ'ল। বাছৰ সংখ্যা আৰু টুৰিষ্টৰ সংখ্যা বাঢ়িল। আগতে কিয় টুৰিষ্ট অহা যোৱা কৰা নাছিল ? আগতে অসমত মাটি কিনিবলৈ মানুহ অহা নাছিল। এতিয়া যি ঠাইতে নহওক অসমৰ মাটি কিনিবলৈ আহিছে। টকা খৰছ কৰিবলৈ আহিছে। তেজপুৰতে হওক বা তিনিচুকীয়াতে হওক মাটিৰ দাম বাঢ়িছে নে নাই কওক ? মই জানো অসমৰ কোনখন জিলাত মাটিৰ দাম কিমান বাঢ়িছে। আমাৰ টেক্স কালেকচন বাঢ়িছে। আপোনালোকে জানে ১২০০ কোটিৰ পৰা এতিয়া প্ৰায় ২৩০০ কোটি টকা হ'ল। লগে লগে ইনভেষ্টমেণ্টো বাঢ়িছে। বিশ্ব বেংকৰ সহায়ত আগেয়ে আমাৰ চৰকাৰ থাকোতে এখন স্কীম হাতত লৈছিলো। সেইখনক লৈ আপোনালোকে গৌৰৱ কৰিছে। বৰ্তমান আমাৰ Asian Development Bankৰ ৩ (তিনিখন) আৰু World Bankৰ ৪ (চাৰিখন) আঁচনি লৈছো আৰু ২ দুইখন পেণ্ডিং হৈ আছে। আজি তেওঁলোক ইয়ালৈ আহিছে। Asian Development Bank has sanctioned 2 schemes, ২খন হ'ল। World Bank also Santioned one scheme ৰাস্তা আছে, দলং আছে, এই বিলাক উন্নত কৰা হৈছে। গুৱাহাটী খনো উন্নয়ণৰ পথত গৈ আছে। আইন শৃংখলা যদি ইমপ্ৰোভ্‌ড নহয় তেতিয়াহলে মানুহবোৰে কিয় ইনভেষ্ট কৰিছে আজি বেংককৰ লোক নিজা বিমান লৈ

আমাৰ ইয়ালৈ আহিছে। যদি আইন শৃংখলা ইমান বেয়া তেন্তে পইছা খৰচ কৰি ইয়ালৈ কিয় আহিছে ? আমাৰ মৰমত আহিছে নেকি ? ইয়াত তেওঁলোকৰ স্বাৰ্থ জড়িত আছে, অকল সেইটো নহয়, ইয়াত আমাৰো স্বাৰ্থ আছে। এই কেইদিনত হোটেলৰ সংখ্যা কিমান বাঢ়িছে ? খবৰ কাগজৰ সংখ্যাও বাঢ়িছে। কেৱল এইবিলাকতে নহয়, সকলোতে খৰছ বাঢ়িছে। কাজিৰঙাত বহুত হোটেল হৈছে। অন্যান্য ঠাই বিলাকতো হোটেলৰ সংখ্যা বাঢ়ি গৈছে।

**মাননীয় অধ্যক্ষ মহোদয়** , অসমত ঘটনা ঘটিছে হয়। অসমৰ কতো ঘটনা ঘটা নাই বুলি আমি কোৱা নাই। মানুহ মৰিছে। আমি কোনো কথা লুকাই ৰখা নাই। আমি চৰকাৰ চলোৱা ৩ বছৰ ছয় মাহৰ ভিতৰত আমাৰ ৰেকৰ্ড এতিয়াও ভাল। আপোনালাকৰ দিনত চিকিউৰিটি ফোৰ্চ মৰিছে ৩০০ জন। আমাৰ দিনত মৰিছে ১৩৬ জন। আমাৰ দিনত চিভিল মৰিছে ৮২৬ জন, আপোনালোকৰ দিনত মৰিছে ১২২১ জন। নাম্বাৰ অৱ ইনচিডেণ্ট হৈছে ১৫৯৭ টা, আপোনালোকৰ দিনত ২১৮১ টা। গতিকে আগতকৈ এতিয়া আইন শংখলা পৰিস্থিতি ভাল হোৱা বুলি ক'ব বিচাৰিছো।

**অধ্যক্ষ মহোদয়** , গুৱাহাটী বিশ্ববিদ্যালয়ক ১ কোটি টকা দিছো। কলেজ বিলাকত দিম। আমি স্কীম কৰিছোঁ। হায়াৰ চেকেণ্ডাৰীক দিছো আৰু হাইস্কুলবিলাকত দিবলৈ ঠিক কৰিছোঁ। মইতো চাৰি হেজাৰ স্কুলত কম্পিউটাৰ দিছো আৰু দিম। তুলনা কৰিলে দেখা যায় যে আমি চাৰি হেজাৰখনত দিছো আৰু আপোনালোকে ৬ খনত দিয়েই ক্ৰেডিট ল'ব বিচাৰিছে। আমাৰ দিচক্ৰেডিট হ'ল ৪ হেজাৰতকৈ বেছি দিছো। আপোনালোকে ক্ৰেডিট লৈ থাকক। দৰমহাটোহে নহয়। শইকীয়াৰ দিনত পিচত ৰাজ্যৰ আৰ্থিক অৱস্থা বেয়া আছিল বুলি আপোলোকেই কৈছিল। তেতিয়া আপোনলোকে আৰ্থিক অৱস্থা আৰু দিট ৰিয়েট কৰিলে আৰু আমি এতিয়া ইমপ্ৰুভ কৰিলো। আপোনালোকে নিজেই দেখিছে টেক্স সংগ্ৰহ বাঢ়িছে, প্লেনৰ টকা শতকৰা ৮০ৰ ঠাইত আমি ১০০ কৰিলো। অকল দৰমহাই নহয় ডি এ ৪৩ পৰা ৬৪ লৈ দিম বুলি আমি কৈছো তাৰ পিচতো যদি কেন্দ্ৰত বাঢ়ে আমি আকৌ দিম। ফ্ৰিডম ফাইটাৰৰ টকা ৫০০ কৰা হ'ল। হিল এলাউন্সেই কওক, ধেমাজী এলাউন্সেই কওক, বেকওৱাৰ্ড এলাউন্সেই কওক আমি বিশেষ ভাবে সকলো ঠাইতে টকা পইছা দিছো। তাৰ পিচতো ৫ খন জিলালৈ বছৰি ১৫ কোটি টকাকৈ আহিব। ইয়াৰ পৰা শইকীয়া লাভবান হব। লখিমপুৰ, কোকৰাঝাৰ, নৰ্থকাছাৰ, কাৰ্বি আংলঙৰ বাবে আৰু টকা আমি বিচাৰিছো, আহিছে। আজি যদি আপোনালোকে

ভালকৈ নিৰীক্ষণ কৰে তেন্তে দেখা পাব আমাৰ ডেভেলপমেণ্ট হৈছে নে নাই ? চৰকাৰো এখন ব্যৱসায় বুলিয়েই ভাবক। লোন লৈ টকা খৰছ কৰি গলে টকাটো পাই থাকে। ভাৰত চৰকাৰ গ্ৰাম্য উন্নয়নৰ বাবে কিমান টকা দিছে। এই বুনিয়াদ স্কীমটো আমাৰ। বুনিয়াদ বুলিয়েই কওক, জ্ঞানজ্যোতি বুলিয়েই কওক এইবোৰ স্কীম আমাৰ। বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত ভাগ লবলৈ গাৱৰ পৰা লৰা আনি কটন কলেজত ৰাষ্ট্ৰীয় শিশু বিজ্ঞান কংগ্ৰেছৰ পতা হৈছিল। আমি কৈছো এনেকৈ পাতিলে নহব আৰু ডাঙৰকৈ পাতিব লাগে। যিহেতু বেয়া আছিল সেই কাৰণে ইনভেষ্টৰ কম আহিছে। ক্ৰমান্বয়ে এই অৱস্থাৰ পৰিবৰ্ত্তন ঘটিছে। সেই কাৰণে যথেষ্ট পৰিমানে ইনভেষ্টৰ আহিব বুলি আমি আশা কৰিছো। চেল্‌ফ হেল্প গ্ৰুপৰ ওপৰত আমি গুৰুত্ব দিছো। ৯৬ হেজাৰ চেল্‌ফ হেল্প গ্ৰুপৰ কাৰোৰেই লোচচান হৈছে বুলি কোৱা শুনা নাই, বন্ধ হৈ গৈছে বুলি কোৱা শুনা নাই। গোটেই বোৰকে আমি আৰ্থিক অনুদান দিব পৰা নাই, কিন্তু কেনেকৈ সকলোকে দিব পৰা হয় আৰু বঢ়াব পৰা হয়, আমি তাৰ চেষ্টা কৰি আছো। আপোনালোকে যদি আৰু বিচাৰে তাত আমাৰ আপত্তি নাই আৰু নিবিচাৰিলেও আমিয়েই দিম।

আপোনালোকে কলে যে কিতাপ বিতৰণ বন্ধ কৰিব লাগে। মই যদি এই Memorandum of understanding খন পঢ়ি দিওঁ যিখনত আপোনালোকে চহী দিছে। এবছৰ খালিহৈ থকা পদবোৰ বন্ধ কৰি দিবলৈ কৈছে আমি কেনেকৈ কৰিম? দৰকাৰ হলে কেতিয়াবা কৰিম বুলি কৈছিলো। নতুন পোষ্ট আমি ক্ৰিয়েট নকৰো, কিন্তু একজিষ্টিং পোষ্ট কেনেকৈ বন্ধ কৰো? আপোলোকে ৰুৰেল ডেভেলপমেণ্ট, মীড ডে মীল স্কীম আৰু পি এম জি এছ ওৱাইৰ কথা কৈছে। ৰাজ্যখনৰ ভালেমান ঠাইত এতিয়া ৰাস্তা ভাল হ'ল, তেজপুৰতো ৰাস্তা আগতকৈ বহুত ভাল হৈছে।

হিতেন্দ্ৰ নাথ গোস্বামী ডাঙৰীয়াই আমি মেডিকেল কলেজ খোলাৰ কথা কওতে মেডিকেল কলেজ খোলাৰ প্ৰয়োজন নাই বুলি কৈছে। বাকী কেইখন মেডিকেল কলেজেই চলাব পৰা নাই আৰু নতুনকৈ কিয় মেডিকেল কলেজ খুলিব লাগে এই কথাতো গোস্বামী ডাঙৰীয়াই কৈছে। কোনোবা এখন হাস্পতাল চলা নাই কাৰণে আমি কোনো হাস্পতাল নুখুলিম সেইটো কথা হ'ব নেলাগে। পাৰিলে খুলিব লাগে আমি মেডিকেল কলেজ, ইঞ্জিনীয়াৰিং কলেজ খোলাতো বিচাৰিছো। তাৰ কাৰণে প্ৰচেষ্টা চলি আছে শিক্ষাৰ ওপৰত আমি আটাইতকৈ বেচি গুৰুত্ব দিছো। ইণ্ডিৰা গান্ধী অপেন ইউনিভাৰচিটি দৰে

অনুষ্ঠান খুলিবৰ কাৰণে, ফাইভ ইয়াৰ্চ 'ল' কোৰ্চ খুলিবৰ কাৰণে আমি আগবাঢ়ি গৈছো। টি ৰ ক্ষেত্ৰত এসময়ত তিনিশ কোটি টকা পাইছিলো । তাৰ কাৰণে আঁচনি লৈছো। এই ক্ষেত্ৰত চেণ্ট্ৰেল গভৰ্ণমেণ্টৰ লগত আমি টেক আপ কৰিছো। তেওঁলোকে নতুন স্কীম লৈছে। আমাৰ প্ৰধান মন্ত্ৰীয়ে এই ক্ষেত্ৰত প্ৰায়ৰিটি দিছে। তেওঁ তেওঁৰ ভাষণত এই কথা বিলাক কৈছে আৰু নেচনেল লেভেলত প্ৰায়ৰিটি দিছে। অসমৰ সমস্যা বিলাক পাৰমানেণ্ট চোলিউচন কৰাৰ কাৰণে ব্যৱস্থা লোৱাৰ কথা কৈছে। টাস্ক ফোৰ্চ খোলাৰ কথাও কৈছে। কিন্তু বি জে পি চৰকাৰৰ দিনত কি কৰিছিল ? সেই সময়ৰ কনচাৰ্ণ হোম মিনিষ্টাৰ জন অসমলৈ অহা নাছিল। কিন্তু তেওঁ অসম একৰ্ড ৰূপায়ণ কৰাৰ কথা কয়। কিন্তু বৰ্তমান কেন্দ্ৰৰ হোম মিনিষ্টাৰ জনে আমাৰ ইয়ালৈ আহি বিভিন্ন বিষয় আলোচনা কৰিছে। বৃন্দাবন গোস্বামী ডাঙৰীয়াই আই এম ডি টি আইনখন বাতিল কৰাৰ কথা কৈছে। কিন্তু নিৰ্বাচনৰ সময়ত ইলেকচন মেনিফেষ্টোত আই এম ডি টি ৰ কথা উল্লেখ নকৰে। আমি বিদেশী চিনাক্তকৰণ হ'ব লাগিব বুলি কৈছো। অবৈধ বিদেশী নাগৰিকক চেক কৰাৰ ক্ষেত্ৰত বি জে পি চৰকাৰৰ দিনত যিটো মিজাৰ লব লাগিছিল। সেইটো লোৱা নাই। চিকিউৰিটি ফোৰ্চ বঢ়াব লাগে, ৰিভাৰৰাইন আউটপোষ্ট হ'ব লাগে সেইবিলাক ক্ষেত্ৰত আমাৰ গভৰ্ণমেণ্টে এগ্ৰি কৰিছে। তেওঁলোকে চেক কৰাত নাই। তেওঁলোকে কেৱল দোষাৰোপহে কৰে। আমি যিখিনি প্ৰকৃত নাগৰিক সেইখিনিক সুৰক্ষা দিয়াটোত আছো। আপীল কৰিলে হেৰেচমেণ্ট হয় । অসম চুক্তি আমি ৰূপায়ণ কৰিম। তিৱা সকলকো আমি সুবিধা দিম। দেউৰী আৰু সোনোৱাল সকলে অটনমাচ কাউঞ্চিল দাবী কৰিছে। আমি এওঁলোকৰ লগত আলোচনা কৰিছো লগতে আজি চুক্তিও কৰিছো। আমি ইঞ্চিওৰেঞ্চ পলিচী কৰিছো যিটো ভাৰতবৰ্ষৰ কতো নাই। দূৰ্ঘটনা হলে , কৰবাত মৃত্যু হলে, বেমাৰ হলে তাৰ কাৰণে ইনঞ্চিওৰেঞ্চ কৰিবলৈ লৈছো। মহিলা সকলৰ ক্ষেত্ৰত আমি গুৰুত্ব দিছো। মহিলাৰ কাৰণে ৩০ পাৰ্চেণ্ট ৰিজাৰ্ভ ৰখা হৈছে। চেল্ফ হেল্প গ্ৰুপৰ ক্ষেত্ৰত অসমৰ মহিলা সকলৰ মাজত নৱজাগৰণৰ সৃষ্টি হৈছে। এই নৱজাগৰণে অসমৰ আমূল পৰিবৰ্তন সাধন কৰিব। মহিলা সকলৰ শিক্ষাৰ ক্ষেত্ৰত আমি গুৰুত্ব দিব বিচাৰিছো। আজি অসমত সকলো দিশতে এক নতুন চেহেৰা হৈছে। গুৱাহাটীৰ চেহেৰাই সলনি হৈছে বুলি মানুহে কয়। এইবিলাক ক্ষেত্ৰত এ জি পি চৰকাৰ দিনত বিফল হোৱা বুলি কৈছে। আপোনালোকে দুখন অভাৰব্ৰীজৰ কথা কয়। সেই সময়ত

ঠিকাদাৰ পলাইছিল। চেক্রেটাৰীয়েট বিল্ডিং কনষ্টাকচনৰ কাৰণে ঠিকাদাৰ বাতিল কৰিবলগীয়া হৈছিল। আমি শুনিছিলো আপোনালোকে সোণৰ অসম বনাব। সকলো ক্রেডিট আপোনালোকে লব বিচাৰে। কিন্তু ৰাইজে আপেনাালোকক ক্রেডিট নিদিয়ে। আজি কেইমাহ আগতে পার্লিয়ামেণ্টৰী ইলেকচন হৈছিল। সেই ইলেকচনত কি হৈছিল ?

ফৰেষ্টৰ ক্ষেত্ৰত উন্নতি হৈছে, অন্যান্য ক্ষেত্ৰতো উন্নতি হৈছে এই কথাবিলাক অসমৰ ৰাইজে জানে। কাৰ ৰেলী যিটো হৈ গ'ল আপোনালোকে সেইটোৰ বিৰোধীতা কৰিছিল। কাৰ ৰেলীৰ পৰা আজি বেনিফিট নহ'ব পাৰে। অসমৰ কথা ভাৰতবৰ্ষৰ কিমানে জানে। আজি চিঙ্গাপুৰত গুৱাহাটীক অসম বুলি কয়। আজিৰ পৰা ১০০ বছৰ আগতে কলকাতাক সকলোৱে চিনি পায়। কিন্তু গুৱাহাটীক কিমান মানুহে জানে। কিন্তু কাৰ ৰেলীৰ জৰিয়তে অসমত বহুত স্কোপ পালে। আপোনালোকে কাৰ ৰেলীত বন্ধ দিয়ে, কাৰ ৰেলীত আপোজ কৰিছে। বন্ধৰ কালচাৰ কোনে কৰিলে ? আপোনালোকে এ জি পি নেতা সকলে গণতন্ত্ৰ কথা কলে বৰ ভাল নেলাগে। সেই সময়ত মোৰ কথা নকওৱেই, কোনো কংগ্ৰেছৰ, চি পি এম, চি পি আইৰ মানুহ ওলাব পৰা নাছিল। এদিন নহয় দুদিন নহয় বছৰ বছৰ ধৰি আন্দোলন হৈছিল আৰু মানুহ বিলাক ওলাব পৰা নাছিল ? আপোনালোকৰ মুখত গতন্ত্ৰৰ কথা শোভা নাপায়। সেই সময়ত কিমান জন কংগ্ৰেছ মানুহ মাৰিলে ? সেইটোৱে গণতন্ত্ৰ নেকি ? ইমান মানুহ মৰাৰ পিচত আজি ইনচাৰজেঞ্চিয়েই কিয় ? অসমৰ ইক'নমিৰ কাৰণেও আপোনালোকেই দায়ী। সেই কাৰণে আপোনালোকে এতিয়া পৰিবৰ্তন কৰক আৰু ভাল কাম কৰক। ভাল কাম আৰু কনষ্ট্ৰাকটিভ কাম কৰিব লাগে। ভাল কাম আৰু কনষ্ট্ৰাকটিভ কামক প্ৰশংসা কৰিব লাগে। বেয়া কামত সমালোচনা কৰিলে মোৰো ভাল হয়। কাৰণ আপোনালোকে এষাৰ সমালোচনা কৰিলে মোৰো ভাল হয়। কাৰণ আপোনালোকো এষাৰ সমালোচনা কৰিলে মই তিনিগুণ কাম কৰিম। নিৰ্বাচনৰ সময়তো মই কৈছো আপোনালোকে ক্ৰিটিচাইজ কৰক। ক্ৰিটিচাইজ হ'ব লাগে। আপোনলোকে কিমানখিন ভাল কাম কৰিছে ? আপোনালোক কনষ্টাকটিভ হোৱাতো মইও বিচাৰো। সকলো ক্ষেত্ৰতেই কনষ্টাকটিভ হ'ব লাগে। বাতৰি কাকত বিলাকে মোৰ এগেইনষ্টে লিখি আছে। মই বেয়া পোৱা নাই। মোৰ কথা লিখাৰ কাৰণে তেওঁলোকৰ যদি পেপাৰ বিক্ৰী হৈছে হওক সেই বুলি মই

তেওঁলোকক জেইললৈ পঠিয়াম নেকি ? আপোনলোকতো পেপাৰৰ কথা সহ্য কৰিব নোৱাৰে। মই অনুৰোধ কৰিছো আপোনালোক সকলোৱে এইটো উইথড্ৰ কৰিব আৰু সকলোৱে যেন সমৰ্থন কৰে।

**মাননীয় অধ্যক্ষ :** আমাক আৰু ২-৩ মিনিট মান সময় লাগিব।

**ডঃ হৰেণ দাস :** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপাল মহোদয়ে ইয়াত যি ভাষণ দিলে সেই ভাষণে সকলোকে সন্তুষ্ট কৰিছে। তাৰ ফলস্বৰূপে ইয়াত এটা কথা লক্ষ্য কৰিছো যে অ.গ.প. দলে নিৰ্বাচনৰ সময়ত আশা আৰু আস্থাৰ অসম গঢ়াৰ কথা কৈছিল। আজি আমাৰ মাননীয় মুখ্য মন্ত্ৰীয়ে সেই আস্থাৰ অসম গঢ়ি দেখুৱাই দিলে। সেই ক্ৰেডিট আমাৰ মুখ্য মন্ত্ৰীৰ। সেই কাৰণে এই ৰাজ্যপালৰ ভাষণ সকলোৱে গ্ৰহণ কৰিব। আৰু এটা কথা ক'ব খুজিছো যে বাতৰি কাকত বাঢ়িছে। প্ৰেচ কাউঞ্চিলৰ সভাত ময়ো গৈছিলো মেম্বৰ হিচাবে। বাতৰি কাকতৰ সম্পাদক সকলৰ পেঞ্চনৰ কথাটো হলে ভাল হয়। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াইও এইটো চালে ভাল হয়। ইয়াকে কৈ মাননীয় ৰাজ্যপালৰ ভাষণৰ বিৰুদ্ধে থকা প্ৰস্তাৱটো উইড্ৰ কৰিবৰ কাৰণে অনুৰোধ কৰিলো।

**শ্ৰীপ্ৰেমধৰ বৰা :** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা বিশেষ ভাবে অনুৰোধ কৰিছিলো ভেনচাৰ স্কুলবিলাকৰ ব্যৱস্থা কৰিবলৈ। মুখ্যমন্ত্ৰী মহোদয়ে চাব নেকি ?

**শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী) :** সকলো বিলাক চাম। সাংবাদিকৰ পেঞ্চনৰ কথাটোও চাম।

**Mr. Speaker :** There is one notice of amendment to the motion of thanks on the Governor's Address moved by Hon'ble Member, Dr. Haren Das in the House. The Notice of Amendment Motion stands in the name of Hon'ble Member, Shri Pabindra Deka. Now, Hon'ble Member, Shri Pabindra Deka, will you withdraw your Amendment ?

**Shri Pabindra Deka :** 'No'.

**Mr. Speaker :** I, now, put the Amendment before the House. That at the end of the Motion of Thanks on the Governmen's Ad-

dress moved by Dr. Haren Das, MLA the following may be added :-

(a) At page No. 1 para 2 in between the words law and order situation has not improved.

(b) At page 1 para 3 in between the words "The problem of unemployment has not been addressed in right earnest."

(c) At page 5 para 3 No appropriate measures have been taken to check illegal infiltration instead of "Measures taken ...... infiltration."

(d) At page 5 para 1 after the words flood control structure the words - 'but has failed to implement the Schemes'.

(e) At page 6 para 2 the word 'No' should be inserted before the words Measures are also being taken.

(f) At page 6 para 3 after the words is in progress the words "but the allocation of fund earmarked so far is not adequate enough."

(g) At page 7 para 5 in between and after the words - Chutia, Tea Tribes, the "Alpine Kalitas" should be inserted.

(h) At Page 10 para 5 - after the words FRU within this year - the words -- at least 50 numbers of CHCs, 100 numbers of PHCs and 200 numbers of Sub-Centres shall be created within this financial year.

(i) Page 27 para 3 after the last words 'Continuing' the words "Without any legal norms and without ascertaining the nationality of the people."

Those who are in favour, say, "Ayes' ;

Those who are against, say , 'Noes' ;

'Noes' have it , 'Noes' have it, 'Noes' have it. The Amendment is lost.

I, now, come to the main Motion of Thanks moved by Dr.

Haren Das, on the Address of the Governor.

The Motion is that -

"That the Members of the Assam Legislative Assembly assembled in this Session are greateful to the Governor for the Address he has been pleased to deliver to the House today, the 1st March, 2005".

"Those who are in favour, say, 'Ayes';

Those who are against, say, 'Noes';

'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

The Motion is passed.

The Motion is adopted.

The House stands adjourned till 9 AM on 07.03.2005.

## ADJOURNMENT

The House then stood adjourned at 11-35 A.M. till 9.00 A.M. on Monday, the 7th March, 2005.

Dispur
The 4th March, 2005

B.C. Das,
Secretary,
Assam Legislative Assembly.

# ANNEXURE - I

| জিলাৰ নাম | | সভা বৈঠকৰ তাৰিখ |
|---|---|---|
| ১) ডিব্রুগড় | - | ২১।১।২০০৩, ২৩।১০।২০০৩, ১০।২।২০০৪ আৰু ২৮।৭।২০০৪ |
| ২) শোনিতপুৰ | - | ১৬।৭।২০০৪ |
| ৩) দৰং | - | ১৪।৭।২০০২ , ৯।১।২০০৩ |
| ৪) মৰিগাওঁ | - | ৭।৩।২০০২ |
| ৫) নলবাৰী | - | ১১।১২।২০০৩ |
| ৬) শিৱসাগৰ | - | ৩।৭।২০০৪ |
| ৭) গোৱালপাৰা | - | ৩০।১২।২০০৩ |
| ৮) যোৰহাট | - | ২৪।২।২০০৩, ১৩।৮।২০০৩, ১৯।১১।২০০৩ |
| ৯) ধেমাজি | - | চলিত বছৰত মাৰ্চৰ প্ৰথম সপ্তাহত সভা অনুষ্ঠিত হ'ব। |
| ১০) কোকৰাঝাৰ | - | সমিতি গঠন হৈছে আৰু সোনকালে সভা অনুষ্ঠিত হ'ব। |
| ১১) উত্তৰ কাছাৰ পাৰ্বত্য | - | ২৪।৬।২০০২, ২৮।৯।২০০২, ৪।৪।২০০৩, ২৩।৪।২০০৩, ২০।৯।২০০৩ আৰু ২৮।১২।২০০৩ |
| ১২) কাছাৰ | - | বৈঠক বহা নাই। |
| ১৩) উত্তৰ লক্ষীমপুৰ | - | সভা অনুষ্ঠিত হোৱা নাই যদিও উক্ত বিষয়ত জিলা উপায়ুক্তৰ লগত বিভাগীয় বিষয়াৰ আলোচনা হৈছে। |
| ১৪) কৰিমগঞ্জ | - | সভা অনুষ্ঠিত হোৱা নাই যদিও উক্ত বিষয়ত জিলা উপায়ুক্তৰ লগত বিভাগীয় বিষয়াৰ আলোচনা হৈছে। |
| ১৫) বঙাইগাওঁ | - | সভা অনুষ্ঠিত হোৱা নাই যদিও উক্ত বিষয়ত জিলা উপায়ুক্তৰ লগত বিভাগীয় বিষয়াৰ আলোচনা হৈছে। |
| ১৬) নগাওঁ | - | । |
| ১৭) কামৰূপ | - | । |
| ১৮) কাৰ্বি আংলং | - | । |
| ১৯) তিনিচুকীয়া | - | । তথ্য বিছৰা হৈছে। |
| ২০) হাইলাকান্দি | - | । |
| ২১) ধুবুৰী | - | । |
| ২২) গোলাঘাট | - | । |
| ২৩) বৰপেটা | - | বৈঠক বহা নাই । |

# ANNEXURE - II

| Division | Name of Roads (Rural) | Amount (Rs. in L) |
|---|---|---|
| | 1) Repairs to SPT Bridge No. 14/1 on Nalbari Kamarkuchi Road | 3.00 |
| | 2) Repairs to SPT bridge No, 10/1 on maitanence fund of ASRB for 2004-05 | 3.02 |
| | 3) Repairs to SPT Bridge No. 5/1 on Ghograpur Damodardhan Bijuli Ghat road | 5.74 |
| | 4) Repairs to damaged approaches to RCC Bridge No 11/2 on Ghograpur - Damodardham Bijulighat Road contructed under RIDF - IV of NABARD including providing boulder protection work under maintenance fund of ASRB for 2004-05 | 5.68 |
| | 5) Repairs to Morowakumari via Jaha Road | 4.17 |
| | 6) Repairs to SPT bridge No. 1/2 on sandha satra road | 1.65 |
| | 7) Repairs SPT bridge No. 9/4 on Nalbari Bahjani road | 5.53 |
| | 8) Repairs to SPT bridge No. 1/3 on Sandha Kairara road | |
| | 1.13 | |
